# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ২৪/০৩/২০২০ মঙলবাৰ

**ইংৰাজী ২৪-০৩-২০২০ তাৰিখে ৰাতিপুৱা ৯বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াৰ অধ্যক্ষতাত অসম বিধান সভাৰ কাৰ্য্যসূচী পূৰ্বৰ নিৰ্ধাৰিত সময়মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** মই আপোনালোক সকলোকে আদৰণি জনাইছো । এতিয়া আমাৰ question hour আছে, আৰম্ভণি কৰাৰ আগতে মই এটা কথা ক'ব খুজিছো যে মেম্বাৰ সকলৰ যিবিলাক চিট খালী আছে তাত ইচ্ছা কৰিলে যাব পাৰে । আৰু যি সকলৰ question আছে তেওঁলোকে নিজৰ ঠাইত থাকক । আমাৰ distance maintaince কৰিলে ভাল হ'ব । প্ৰথম প্ৰশ্ন ১৩৭ গুণীন্দ্ৰ নাথ দাস ।

**শ্ৰী ভবেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিব খোজো যে, আমাৰ সৰ্বশিক্ষা অভিযানৰ অধীনত প্ৰায় ২ হাজাৰ কৰ্মচাৰী কৰ্মৰত। আমাৰ বিভাগে উত্তৰতো দিছে যে স্থায়ীকৰণৰ কোনো ব্যৱস্থা নাই আৰু দ্বিতীয়তে ভাট্টাৰ কথা কোৱা হৈছিল আৰু এইটো ব্যৱস্থা কৰা হৈছে । তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো । মাত্ৰ মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ত অনুৰোধ কৰিব খোজো যে সৰ্বশিক্ষাৰ ২০০৩ ৰ যিখন guideline আছে সেইখন মতে আমাৰ ২ হাজাৰ কৰ্মচাৰীক এতিয়া নোৱাৰিলেও পৰ্যায়ক্ৰমে স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এই কৰ্মচাৰী সকলে শিক্ষা বিভাগৰ প্ৰত্যেকটো আঁচনিৰ লগত জড়িত গতিকে তেওঁলোকক যাতে ৬০ বছৰ চাকৰি কৰিব পাৰে সেইটো নিশ্চিত কৰিবৰ বাবে মই তাৰ বাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

**শ্ৰী ভবেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই এই পৱিত্ৰ সদনত সৰ্বশিক্ষা মিচনৰ অধীনত যি সমূহ শিক্ষক কাম কৰি আছে তেখেত সকলৰ বিষয়ে যিখিনি প্ৰশ্ন কৰিছে মই তেখেতক ধন্যবাদ জনাইছো । সৰ্বশিক্ষা অভিযান এইটো কেন্দ্ৰীয় চৰকাৰৰ অধীনত। আৰু ইতিমধ্যে তাত যি কোৱা হৈছে যে চাৰ্ভিচ ৰুল আৰু ফাইনেঞ্চিয়েল ৰুল তেওঁলোকে চিপিএফ পাবলৈ সক্ষম হৈ আছে আৰু প্ৰতিমাহে পাই আছে । তেখেতে যিটো কথা আনিছে এইটো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। সেই আঁচনি সদায় চলি থাকিব । সঁচাই ৬০ বছৰলৈকে থাকিলে আমি ভাল পাও আৰু নিশ্চিত ভাবে থাকিব আৰু যি ৰেগুলাৰৰ কথা কৈছে যিহেতু এইটো এটা আঁচনি এটা মিচন, এই মিচন succesfully অসমত ৰূপায়ণ হৈ আছে আৰু ভৱিষ্যতে হৈ থাকিব। ধন্যবাদ ।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে ভাট্টা মোকলায় দিছে আৰু চিপিএফৰ ধন জমা হৈছে । কিন্তু অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অৱগত কৰিছো যে এইটো গুৰুত্ব সহকাৰে ল'ব লাগে । আজি এবছৰৰ পৰা তেওঁলোকে ভাট্টা পোৱা নাই আৰু চিপিএফৰ পইচা তেওঁলোকৰ কৰ্মচাৰী সকলৰ deduction হৈ আছে যদিও জমা হোৱা নাই । এইটোৰ ক্ষেত্ৰত যাতে ব্যৱস্থা লয় ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, তেখেতে যিটো চিপিএফ ৰ কথা কৈছে এতিয়া প্ৰতিমাহে পাবলৈ সক্ষম হ'ব । বিত্ত বিভাগে ইয়াত পৰীক্ষা-নিৰীক্ষা কৰি আছে ।

**মাননীয় অধ্যক্ষঃ** Next Question, Kamalakhya Dey Purkayastha.

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, 33/2003/2152 dated 03-07-2012, অধ্যক্ষ মহোদয় এখন notification এখন ওলাইছিল চৰকাৰৰ ফালৰ পৰা । সৰ্বশিক্ষা অভিযানৰ অধীনত যিখিনি contractual employee আছে সিহতক এছ আৰ এফ ৰ অধীনত অনা হৈছে । অৰ্থাৎ চৰকাৰী কৰ্মচাৰী সকলে যি যি সুবিধা পায় সিহতেও একেই সুবিধা পাব । কিছুমান পাইছে অধ্যক্ষ মহোদয় কিন্তু এটা কথা ক'বলগীয়া হৈছে অধ্যক্ষ মহোদয় ৩১ ডিচেম্বৰ ২০১৮ লৈ সিহতে ডি এ পাইছে কিন্তু ১ জানুৱাৰী ২০১৯ ৰ পৰা ১ শতাংশ ডি এ সিহতে পোৱা নাই আৰু কিছু ক্ষেত্ৰত সিহতে বঞ্চিত হৈ আছে । এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কিয় বঞ্চিত হৈ আছে আৰু তেওঁলোকে চৰকাৰী সা-সুবিধা বিলাক পায় সেই বাবে মন্ত্ৰী মহোদয়ত অনুৰোধ জনালো ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমি এইটো পৰীক্ষা কৰি চাম যদি সঁচাকৈয়ে বঞ্চিত হৈ আছে নিশ্চিত ভাবে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰা হ'ব ।

**মাননীয় অধ্যক্ষঃ** Next Supplementary, Rafikul Islam.

**শ্ৰী ৰফিকুল ইছলাম, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰ্বশিক্ষাৰ অধীনত মোৰ জনীয়া সমষ্টিৰ ৰূপশ্ৰী Education Block ৰ অধীনত বৰভিটা চানাম্মাত এখন এখন চেন্টাৰ চলি আছে । যি সকল ল'ৰা-ছোৱালী স্কুলত নাযায় সেই সকলক আনি সেই চেন্টাৰত ৰাখি শিক্ষা দিয়া হৈছিল আৰু বহু বছৰ চলিছিল। তাৰ পৰা ছাত্ৰ-ছাত্ৰী এতিয়া মেট্ৰিক পাছ কৰিলে । কিন্তু হঠাৎ এবছৰৰ পৰা এই চেন্টাৰটো বন্ধ। ৰূপশ্ৰী Education Block ৰ অধীনত বৰভিটা চানাম্মাত আৰ বি এছ টি চেন্টাৰ বুলি কয় । মই আপোনাৰ ডিষ্ট্ৰিক্ট ক'ৰডিনেটৰক কলো তেখেতে চিঠিও লিখিছে, পইছাও আছে, গোটেই খিনি সুবিধাও আছে কিন্তু হঠাৎ এই বছৰৰ পৰা বন্ধ হৈ আছে । যদি মাননীয় মন্ত্ৰী মহোদয়ে বিভাগক কৈ দিয়ে সেই বস্তুটো আৰম্ভ হ'ব । মই এইটো মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো ৰূপশ্ৰীৰ কথা কৈছে আমি ব্লক অফিচাৰৰ লগত যোগাযোগ কৰি এইটো চলায় নিয়াৰ ব্যৱস্থা কৰা হ'ব ।

**মাননীয় অধ্যক্ষঃ** Next question, Thaneswar Basumutary.

**শ্ৰী পিয়ুষ হাজৰীকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী থানেশ্বৰ বসুমটাৰী, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ পাইছো ১০ বছৰ ধৰি এই মুছলপুৰ খন টাউন হিচাপে ঘোষণা কৰাৰ কাৰণে চেষ্টা এটা চলাই আছে । চিঠি এখন পাইছো আৰু ইয়াত কোৱা হৈছে যে BTC, Kokrajhar notification জাৰি কৰা হৈছে । গতিকে এই কথা খিনি আমি জানিব পৰা নাছিলো । কিন্তু এটা কথা মই জানিব বিচাৰিচো যে বিটিচি itself যিহেতু post creation ৰ তেওঁলোকৰ authority নাথাকে তাত যিখিনি পোষ্ট বিলাক আহিব সেইটো কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ।

**শ্ৰী পিয়ুষ হাজৰীকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, আচলতে আমি on principle approval হে দিওঁ বিটিচি বা Autonomus Council ৰ ক্ষেত্ৰত। গতিকে Principal Secretary, BTC

য়ে আমাক ১৮ ফেব্ৰুৱাৰীত মুছলপুৰক টাউন হিচাপে ঘোষণা কৰিবৰ কাৰণে আমালৈকে চিঠি দিছিলে আৰু ১৮ মাৰ্চ ত উত্তৰ দিছিলো যে আপোনালোকেই আপোনালোকৰ বিটিচি অঞ্চলত টাউন ঘোষণা কৰিব পাৰে । অধ্যক্ষ মহোদয়, আমাৰ অসমত যিমান খিনি Municipal Board ৰ employee আছে তেখেত লোকে আমাৰ এতিয়া provicialized employee নহয় । গতিকে এই ক্ষেত্ৰত আমাৰ এই মুহূৰ্তত কৰিব পৰা ব্যৱস্থা নাই ।

**মাননীয় অধ্যক্ষ ঃ** Next question no 139, Ramendra Narayan Kalita.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, পশ্চিম গুৱাহাটী সমষ্টিৰ মইনাখুৰুংত যিখন model Hospital আছে, ইয়াত যিখিনি উত্তৰ দিছে সঠিক নহয় । ইয়াতে নাৰ্চ ঠিকে আছে চিকিৎসক ৬ জন নহয় ৫ জন আছে আৰু ইয়াতে বিশেষভাবে চতুৰ্থ শ্ৰেণীৰ ৭ গৰাকীয়ে কাম কৰি থকাৰ কৈছে তাত ১ মাত্ৰ এগৰাকীহে আছে । বাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নাই । আৰু নাইথ চকীদাৰ যিটো চতুৰ্থ শ্ৰেণীৰ সেইটো আকৌ withdraw কৰি আনি আজি ২-৩ দিন আগত বেলেগত অনা হৈছে । গতিকে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নাই । আৰু ক'ৰোণা ভাইৰাছৰ বাবেও তাত ১৪ খন আসন সংৰক্ষিত কৰা হৈছে । গতিকে মই অনুৰোধ জনাইছো যে যিটো ষ্টাফ তাত নাই সেই খিনি তাত দিয়াৰ ব্যৱস্থা কৰিব লাগে । ডাক্তৰেই হওঁক বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়েই হওঁক আৰু লগতে তাত যিটো মাটি পোৰা নাই বুলি কৈছে ইতিমধ্যে মাটি দিয়া হৈছে । গতিকে তাত যদি quarter বা staff quarter কৰা যায় তেতিয়াহ'লে মই ভাবো যে তাত যথেষ্ট ভাবে ৰাইজ উপকৃত হ'ব । দ্বিতীয়তে হৈছে, আমাৰ দক্ষিন গুৱাহাটীৰ সেই বৃহৎ এৰিয়াটোত এখনে হস্পিতাল আছে ধীৰেণপাৰা মাতৃ আৰু শিশু হস্পিতাল। মই মাননীয় মন্ত্ৰীক আজি এবছৰ আগতে এই অধিবেশনৰ জৰিয়তে এটা অনুৰোধ জনাইছিলো যে উক্ত হস্পিতাল খন মাতৃ আৰু শিশুৰ পৰিৱৰ্তে সেইখন জেনেৰেল হস্পিতাল কৰিব পাৰি নেকি আৰু তেতিয়া এই ক্ষেত্ৰত এটা ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিম বুলি কৈছিলে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে বৃহত্তৰ ৰাইজৰ স্বাৰ্থ্যত সেই হস্পিতাল খন মাতৃ আৰু শিশুৰ যিখন চিকিৎসালয় সেই খন সাধাৰণ হস্পিতাললৈ ৰূপান্তৰিত কৰিব লাগে । তৃতীয়তে, ধীৰেণপাৰা যিখন হস্পিতাল আছে সেই হস্পিতালত কৰ্মচাৰী প্ৰায় নাই বুলিয়েই ক'ব পাৰি আমি মেনেজমেণ্টে কিছু সংখ্যকক আজি ১২-১৫ বছৰ আগতে নিযুক্তি দিয়া হৈছিল আৰু আমাৰ NRHM ৰ পৰাও দিয়া হৈছিল কিছু। এতিয়া কথা হৈছে সেই হস্পিতালখন চলাবৰ কাৰণে যি খিনিয়ে কাম কৰি আছে সেই সকলক fixpay দিয়াৰ ব্যৱস্থাটো মাননীয় মন্ত্ৰী মহোদয়ে কৰিব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মইনা খুৰুং চিকিৎসালয়ত ৬ জন চিকিৎসক, ৬ গৰাকী নাৰ্চ আৰু ৭ গৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কৰ্মৰত আছে বুলি বিভাগে আমাক তথ্য দিছে। সম্ভৱত এইটো হ'ব পাৰে যে যি কেইজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছে Joint Director পৰ্য্যায়ত হয়তো কৰোবাত attach কৰি লৈ গৈছে কিন্তু দৰমহা মইনাখুৰুং ৰ পৰা পাই আছে । বিষয়টো খুব বেয়া হৈছে আৰু এইটো কাম কৰিব নাপায়। যি গৰাকী বিষয়াই এই attachment order দিছে তেওঁৰ বিৰুদ্ধে আমি বিহীত ব্যৱস্থা ল'ম আৰু ৪৮ ঘণ্টাৰ ভিতৰত এই কৰ্মচাৰী সকলে মইনাখুৰুং হস্পিতাললৈ ঘুৰি যাব। মই মাননীয় সদস্য গৰাকীক আশ্বাস দিছো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ মাননীয় অধ্যক্ষঃ** মই আপোনালোক সকলোকে আদৰণি জনাইছো । এতিয়া আমাৰ question hour আছে, আৰম্ভণি কৰাৰ আগতে মই এটা কথা ক'ব খুজিছো যে

মেম্বাৰ সকলৰ যিবিলাক চিট খালী আছে তাত ইচ্ছা কৰিলে যাব পাৰে । আৰু যি সকলৰ question আছে তেওঁলোকে নিজৰ ঠাইত থাকক । আমাৰ distance maintaince কৰিলে ভাল হ'ব । প্ৰথম প্ৰশ্ন ১৩৭ গুণীন্দ্ৰ নাথ দাস ।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিব খোজো যে, আমাৰ সৰ্বশিক্ষা অভিযানৰ অধীনত প্ৰায় ২ হাজাৰ কৰ্মচাৰী কৰ্মৰত। আমাৰ বিভাগে উত্তৰতো দিছে যে স্থায়ীকৰণৰ কোনো ব্যৱস্থা নাই আৰু দ্বিতীয়তে ভাট্টাৰ কথা কোৱা হৈছিল আৰু এইটো ব্যৱস্থা কৰা হৈছে । তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো । মাত্ৰ মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ত অনুৰোধ কৰিব খোজো যে সৰ্বশিক্ষাৰ ২০০৩ ৰ যিখন guideline আছে সেইখন মতে আমাৰ ২ হাজাৰ কৰ্মচাৰীক এতিয়া নোৱাৰিলেও পৰ্যায়ক্ৰমে স্থায়ীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এই কৰ্মচাৰী সকলে শিক্ষা বিভাগৰ প্ৰত্যেকটো আঁচনিৰ লগত জড়িত গতিকে তেওঁলোকক যাতে ৬০ বছৰ চাকৰি কৰিব পাৰে সেইটো নিশ্চিত কৰিবৰ বাবে মই তাৰ বাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই এই পৱিত্ৰ সদনত সৰ্বশিক্ষা মিচনৰ অধীনত যি সমূহ শিক্ষক কাম কৰি আছে তেখেত সকলৰ বিষয়ে যিখিনি প্ৰশ্ন কৰিছে মই তেখেতক ধন্যবাদ জনাইছো । সৰ্বশিক্ষা অভিযান এইটো কেন্দ্ৰীয় চৰকাৰৰ অধীনত। আৰু ইতিমধ্যে তাত যি কোৱা হৈছে যে চাৰ্ভিচ ৰুল আৰু ফাইনেঞ্চিয়েল ৰুল তেওঁলোকে চিপিএফ পাবলৈ সক্ষম হৈ আছে আৰু প্ৰতিমাহে পাই আছে । তেখেতে যিটো কথা আনিছে এইটো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। সেই আঁচনি সদায় চলি থাকিব । সঁচাই ৬০ বছৰলৈকে থাকিলে আমি ভাল পাও আৰু নিশ্চিত ভাবে থাকিব আৰু যি ৰেগুলাৰৰ কথা কৈছে যিহেতু এইটো এটা আঁচনি এটা মিচন, এই মিচন succesfully অসমত ৰূপায়ণ হৈ আছে আৰু ভৱিষ্যতে হৈ থাকিব। ধন্যবাদ ।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কৈছে যে ভাট্টা মোকলায় দিছে আৰু চিপিএফৰ ধন জমা হৈছে । কিন্তু অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অৱগত কৰিছো যে এইটো গুৰুত্ব সহকাৰে ল'ব লাগে । আজি এবছৰৰ পৰা তেওঁলোকে ভাট্টা পোৱা নাই আৰু চিপিএফৰ পইচা তেওঁলোকৰ কৰ্মচাৰী সকলৰ deduction হৈ আছে যদিও জমা হোৱা নাই । এইটোৰ ক্ষেত্ৰত যাতে ব্যৱস্থা লয় ।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, তেখেতে যিটো চিপিএফ ৰ কথা কৈছে এতিয়া প্ৰতিমাহে পাবলৈ সক্ষম হ'ব । বিত্ত বিভাগে ইয়াত পৰীক্ষা-নিৰীক্ষা কৰি আছে ।

**মাননীয় অধ্যক্ষঃ** Next Question, Kamalakhya Dey Purkayastha.

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, 33/2003/2152 dated 03-07-2012, অধ্যক্ষ মহোদয় এখন notification এখন ওলাইছিল চৰকাৰৰ ফালৰ পৰা । সৰ্বশিক্ষা অভিযানৰ অধীনত যিখিনি contractual employee আছে সিহতক এছ আৰ এফ ৰ অধীনত অনা হৈছে । অৰ্থাৎ চৰকাৰী কৰ্মচাৰী সকলে যি যি সুবিধা পায় সিহতেও একেই সুবিধা পাব । কিছুমান পাইছে অধ্যক্ষ মহোদয় কিন্তু এটা কথা ক'বলগীয়া হৈছে অধ্যক্ষ মহোদয় ৩১ ডিচেম্বৰ ২০১৮ লৈ সিহতে ডি এ পাইছে কিন্তু ১ জানুৱাৰী ২০১৯ ৰ পৰা ১ শতাংশ ডি এ সিহতে পোৱা নাই আৰু কিছু ক্ষেত্ৰত সিহতে বঞ্চিত হৈ আছে । এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা

জানিব বিচাৰিছো যে কিয় বঞ্চিত হৈ আছে আৰু তেওঁলোকে চৰকাৰী সা-সুবিধা বিলাক পায় সেই বাবে মন্ত্ৰী মহোদয়ত অনুৰোধ জনালো ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে আমি এইটো পৰীক্ষা কৰি চাম যদি সঁচাকৈয়ে বঞ্চিত হৈ আছে নিশ্চিত ভাবে তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰা হ'ব ।

**माननীয় অধ্যক্ষঃ** Next Supplementary, Rafikul Islam.

**শ্ৰী ৰফিকুল ইছলাম, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰ্বশিক্ষাৰ অধীনত মোৰ জনীয়া সমষ্টিৰ ৰূপশ্ৰী Education Block ৰ অধীনত বৰভিটা চানাম্মাত এখন এখন চেন্টাৰ চলি আছে। যি সকল ল'ৰা-ছোৱালী স্কুলত নাযায় সেই সকলক আনি সেই চেন্টাৰত ৰাখি শিক্ষা দিয়া হৈছিল আৰু বহু বছৰ চলিছিল। তাৰ পৰা ছাত্ৰ-ছাত্ৰী এতিয়া মেট্ৰিক পাছ কৰিলে । কিন্তু হঠাৎ এবছৰৰ পৰা এই চেন্টাৰটো বন্ধ। ৰূপশ্ৰী Education Block ৰ অধীনত বৰভিটা চানাম্মাত আৰ বি এছ টি চেন্টাৰ বুলি কয় । মই আপোনাৰ ডিষ্ট্ৰীক্ট ক'ৰডিনেটৰক কলো তেখেতে চিঠিও লিখিছে, পইছাও আছে, গোটেই খিনি সুবিধাও আছে কিন্তু হঠাৎ এই বছৰৰ পৰা বন্ধ হৈ আছে । যদি মাননীয় মন্ত্ৰী মহোদয়ে বিভাগক কৈ দিয়ে সেই বস্তুটো আৰম্ভ হ'ব । মই এইটো মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী** ঃ- অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো ৰূপশ্ৰীৰ কথা কৈছে আমি ব্লক অফিচাৰৰ লগত যোগাযোগ কৰি এইটো চলায় নিয়াৰ ব্যৱস্থা কৰা হ'ব ।

**মাননীয় অধ্যক্ষঃ** Next question, Thaneswar Basumutary.

**শ্ৰী পিয়ুষ হাজৰীকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী থানেশ্বৰ বসুমটাৰী, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ পাইছো ১০ বছৰ ধৰি এই মুছলপুৰ খন টাউন হিচাপে ঘোষণা কৰাৰ কাৰণে চেষ্টা এটা চলাই আছে । চিঠি এখন পাইছো আৰু ইয়াত কোৱা হৈছে যে BTC, Kokrajhar notification জাৰি কৰা হৈছে । গতিকে এই কথা খিনি আমি জানিব পৰা নাছিলো । কিন্তু এটা কথা মই জানিব বিচাৰিচো যে বিটিচি itself যিহেতু post creation ৰ তেওঁলোকৰ authority নাথাকে তাত যিখিনি পোষ্ট বিলাক আহিব সেইটো কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ।

**শ্ৰী পিয়ুষ হাজৰীকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, আচলতে আমি on principle approval হে দিওঁ বিটিচি বা Autonomus Council ৰ ক্ষেত্ৰত। গতিকে Principal Secretary, BTC য়ে আমাক ১৮ ফেব্ৰুৱাৰীত মুছলপুৰক টাউন হিচাপে ঘোষণা কৰিবৰ কাৰণে আমালৈকে চিঠি দিছিলে আৰু ১৮ মাৰ্চ ত উত্তৰ দিছিলো যে আপোনালোকেই আপোনালোকৰ বিটিচি অঞ্চলত টাউন ঘোষণা কৰিব পাৰে । অধ্যক্ষ মহোদয়, আমাৰ অসমত যিমান খিনি Municipal Board ৰ employee আছে তেখেত লোকে আমাৰ এতিয়া provicialized employee নহয় । গতিকে এই ক্ষেত্ৰত আমাৰ এই মুহুৰ্তত কৰিব পৰা ব্যৱস্থা নাই ।

**মাননীয় অধ্যক্ষ ঃ** Next question no 139, Ramendra Narayan Kalita.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, পশ্চিম গুৱাহাটী সমষ্টিৰ মইনাখুৰুংত যিখন model Hospital আছে, ইয়াত যিখিনি উত্তৰ দিছে সঠিক নহয় । ইয়াতে নাৰ্চ ঠিকে আছে চিকিৎসক ৬ জন নহয় ৫ জন আছে আৰু ইয়াতে বিশেষভাবে চতুৰ্থ শ্ৰেণীৰ ৭

গৰাকীয়ে কাম কৰি থকাৰ কৈছে তাত ১ মাত্ৰ এগৰাকীহে আছে । বাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নাই । আৰু নাইথ চকীদাৰ যিটো চতুৰ্থ শ্ৰেণীৰ সেইটো আকৌ withdraw কৰি আনি আজি ২-৩ দিন আগত বেলেগত অনা হৈছে । গতিকে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নাই। আৰু ক'ৰোণা ভাইৰাছৰ বাবেও তাত ১৪ খন আসন সংৰক্ষিত কৰা হৈছে । গতিকে মই অনুৰোধ জনাইছো যে যিটো ষ্টাফ তাত নাই সেই খিনি তাত দিয়াৰ ব্যৱস্থা কৰিব লাগে । ডাক্তৰেই হওঁক বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়েই হওঁক আৰু লগতে তাত যিটো মাটি পোৰা নাই বুলি কৈছে ইতিমধ্যে মাটি দিয়া হৈছে । গতিকে তাত যদি quarter বা staff quarter কৰা যায় তেতিয়াহ'লে মই ভাবো যে তাত যথেষ্ট ভাবে ৰাইজ উপকৃত হ'ব । দ্বিতীয়তে হৈছে, আমাৰ দক্ষিন গুৱাহাটীৰ সেই বৃহৎ এৰিয়াটোত এখনে হস্পিতাল আছে ধীৰেণপাৰা মাতৃ আৰু শিশু হস্পিতাল। মই মাননীয় মন্ত্ৰীক আজি এবছৰ আগতে এই অধিবেশনৰ জৰিয়তে এটা অনুৰোধ জনাইছিলো যে উক্ত হস্পিতাল খন মাতৃ আৰু শিশুৰ পৰিৱৰ্তে সেইখন জেনেৰেল হস্পিতাল কৰিব পাৰি নেকি আৰু তেতিয়া এই ক্ষেত্ৰত এটা ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিম বুলি কৈছিলে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে বৃহত্তৰ ৰাইজৰ স্বাৰ্থ্যত সেই হস্পিতাল খন মাতৃ আৰু শিশুৰ যিখন চিকিৎসালয় সেই খন সাধাৰণ হস্পিতাললৈ ৰূপান্তৰিত কৰিব লাগে । তৃতীয়তে, ধীৰেণপাৰা যিখন হস্পিতাল আছে সেই হস্পিতালত কৰ্মচাৰী প্ৰায় নাই বুলিয়েই ক'ব পাৰি আমি মেনেজমেন্টে কিছু সংখ্যকক আজি ১২-১৫ বছৰ আগতে নিযুক্তি দিয়া হৈছিল আৰু আমাৰ NRHM ৰ পৰাও দিয়া হৈছিল কিছু। এতিয়া কথা হৈছে সেই হস্পিতালখন চলাবৰ কাৰণে যি খিনিয়ে কাম কৰি আছে সেই সকলক fixpay দিয়াৰ ব্যৱস্থাটো মাননীয় মন্ত্ৰী মহোদয়ে কৰিব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মইনা খুৰুং চিকিৎসালয়ত ৬ জন চিকিৎসক, ৬ গৰাকী নাৰ্চ আৰু ৭ গৰাকী চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কৰ্মৰত আছে বুলি বিভাগে আমাক তথ্য দিছে। সম্ভৱত এইটো হ'ব পাৰে যে যি কেইজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছে Joint Director পৰ্য্যায়ত হয়তো কৰোবাত attach কৰি লৈ গৈছে কিন্তু দৰমহা মইনাখুৰুং ৰ পৰা পাই আছে । বিষয়টো খুব বেয়া হৈছে আৰু এইটো কাম কৰিব নাপায়। যি গৰাকী বিষয়াই এই attachment order দিছে তেওঁৰ বিৰুদ্ধে আমি বিহীত ব্যৱস্থা ল'ম আৰু ৪৮ ঘন্টাৰ ভিতৰত এই কৰ্মচাৰী সকলে মইনাখুৰুং হস্পিতাললৈ ঘুৰি যাব। মই মাননীয় সদস্য গৰাকীক আশ্বাস দিছো ।এই বিষয়টো কেনেকুৱা হ'ব পাৰে আৰু কি হ'ব পাৰে মই আয়ুক্ত সচিবক কম । এই হস্পিতালৰ পৰাই কেতিয়াবা এজন বা দুজনক লৈ যোৱাটো বেলেগ কথা। ৫ গৰাকী বা ৬ গৰাকী হস্পিতাল কৰ্মচাৰীক লৈ যোৱাটো এটা ডাঙৰ অপৰাধ বুলি মই ক'ম । ইয়াৰ ওপৰত আমি নিশ্চিত ভাবে বিহিত ব্যৱস্থা ল'ম। ধীৰেণপাৰা হস্পিতাল কৰ্মচাৰী সকলক আমি দিয়া হস্পিতালৰ বিল্ডিংটো NHM বা RHM ৰ পৰা বনোৱা হৈছে । তাত পোষ্ট creation নাছিল । হস্পিতাল মেনেজমেন্ট কমিটিৰ পাৰ কিছু ব্যক্তিক নি হস্পিতাল খন চলোৱা হৈছিল । আমি যদি হস্পিতাল খন জেনেৰেল হস্পিতাললৈ ৰূপান্তৰ কৰো অলপ seat কমি যাব, MMCH য়ে এটা চাৰ্ভিজ দি আছে । মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা আপোনাৰ লগত যাব । তাত যদি আৰু অলপ ঠাই দিয়ে তেতিয়া তাত অলপ ফেচিলিটি বঢ়াই সেই হস্পিতাল খন আমি জেনেৰেল কৰিব পাৰো আৰু মেটাৰনিটিক কৰিব পাৰিম । আজি যদি আমি পোনে পোনে জেনেৰেল হস্পিতাল কৰি দিওঁ তেতিয়া মেটাৰনিটিক ৰ সুবিধাটো কমি যাব । কিন্তু সদস্য গৰাকীৰ পৰামৰ্শটো আমি গ্ৰহণ কৰিছো । তাক আমি আগুৱাই লৈ যাব । আমাৰ হস্পিতাল মেনেজমেন্ট কমিটিৰ অধীনত অসমত বহু হাজাৰ কৰ্মচাৰী আছে। তেওঁলোকক

হস্পিতাল খনৰ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি কিবা এটা মাননি দিয়া হয় আৰু ইয়াৰ তালিকাও চৰকাৰৰ হাতত নাই। কিন্তু যিমানেই কাম কৰি আছে, চৰকাৰে তেনেকুৱা কোনো ধৰণৰ ব্যৱস্থা কৰা নাই । কাৰণ এই সমূহ নিযুক্তি দিয়া প্ৰতিক্ৰিয়াটোৰ লগত আমাৰ চৰকাৰক প্ৰত্যক্ষভাবে জড়িত নাছিল । গতিকে আজিৰ দিনত ষ্টেটাচটো সেইটোৱে। কিন্তু অনাগত দিনত বিষয়টোৰ ওপৰত চৰকাৰ নতুন চিন্তা আহিলে আমি নিশ্চয় সদনত জনাম ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ জ্ঞাপন কৰিছো লগতে এটা কথা ক'ব বিচাৰিছো যে ধীৰেণপাৰাত যিখন হস্পিতাল আছে তাত কিন্তু কিন্তু ৩০ খন বিছনাযুক্ত বুলি জনাজাত। কিন্তু ৯৫ খন বিচনাৰ সুবিধা আছে । গতিকে এতিয়া আমি মাতৃ আৰু শিশু চিকিৎসা কৰাৰ কাৰণে আন্তঃগাঠনি চাই সেইখন জেনেৰেল হস্পিতাললৈ ৰূপান্তৰ কৰা বহুখিনি সুবিধা আছে । মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ কৰিছো এইটো অনুভূতি সহকাৰে বিবেচনা কৰি যদি অতি সোনকালে সেইখন. যদি জেনেৰেল হস্পিতাল কৰে তেতিয়াহ'লে সেই গোটেই অঞ্চলত ৰাইজৰ যথেষ্ট উপকৃত হ'ব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ লগত আমাৰ ৰাজ্যিক মন্ত্ৰী পীয়ুষ হাজৰিকা ডাঙৰীয়াই যাব। on spot আপোনাৰ লগত কথা পাতি যি ধৰণে হয় সিদ্ধান্ত লৈ ইয়াক কাৰ্য্যকাৰী কৰিব ।

**মাননীয় অধ্যক্ষ ঃ** এই প্ৰশ্নটো ও অতুল বৰা ডাঙৰীয়াই কৈছে কিন্তু হস্পিতাল এইখনৰ লগতে আলোচনা হ'ব । বেলেগ বিষয় আহিব নোৱাৰে আজি। আপুনি কিবা শুধিলে শুধিব পাৰে ।

**শ্ৰী অতুল বৰা, বিধায়ক ঃ**- মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী ডাঙৰীয়াক মই শুধিব খুজিছো যে District Hospital ৰ কথা যোৱাকালি মই টিভিত পাইছো যে ক'ৰোণাৰ বাবে সেইখন হস্পিতাল ব্যৱহাৰ হ'ব । সেই হস্পিতাল খন কিন্তু 3rd & 4th Grade ৰ দৰমহা ৪ হাজাৰৰ পৰা ৫ হাজাৰলৈ । আৰু সেই বিল্ডিংটোৰ দ্বিতীয় মহলাটো থাকি গৈছে । লগতে Wall বিলাকো ফাটি গৈছে । ডাঙৰ ভূমিকম্প আহিলে বিপদ হ'ব পাৰে । লগতে চাকৰিয়াল বিলাকৰ কেতিয়া ৰেগুলাৰ হ'ব জনালে ভাল পাম ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই সোণাপুৰ জিলা হস্পিতাললৈ গৈছিল আৰু তাত আমি দেখা পাইছো যে দ্বিতীয় মহলাটো ভাঙি আছে । আৰু কিছু মেৰামতিৰ প্ৰয়োজন। ইতিমধ্যে মেৰামতি কৰা আৰম্ভ কৰিছো । কামবোৰ চলি আছে । দুই এদিনৰ ভিতৰতে কামবোৰ সম্পূৰ্ণ হ'ব । অহাকালি মইও যাম আৰু আমাৰ লক্ষ হৈছে যে সেই হস্পিতাল খন এমাহ বা ডেৰমাহৰ ভিতৰত ক'ৰোণাৰ চিকিৎসাৰ বাবে এটা Isolation আমি তাত স্থাপন কৰিব খুজিছো । তাত যিখিনি জেনেৰেল কাম ইমান দিনে চলি আছে চাৰ্জাৰি বা মেডিচিনৰ এই কাম খিনি ওচৰৰ সোণাপুৰৰ চিকিৎসালয়ৰ পৰা এইকেইদিন অনানুস্থানিক ভাবে কাম চলায় যাম । সেই ধৰণে আজি যদিও প্ৰাসংগিক ভাবে মই উল্লেখ কৰিব খুজিছো যদিও প্ৰশ্নটোৰ লগত প্ৰত্যক্ষ ভাবে জড়িত নহয় যে অসমৰ বিভিন্ন চিকিৎসালয়, যদি আমিও নাজানো ক'ৰোণা ভাইৰাছৰ সংক্ৰমনে ভয়াবহ ৰূপ লয় তেতিয়হ'লে এটা সময় আহিব যে আমাৰ জেনেৰেল ৰোগী খিনি প্ৰাইভেট হস্পিতাললৈ অটল অমৃট অভিযানত পঠাই দি তাৰ ঠাইত চৰকাৰী চিকিৎসালয় বিলাক ক্ৰমে ক্ৰমে ক'ৰোনালৈ ৰূপান্তৰ কৰি গৈ থাকিব লাগিব । তাৰ কাৰণে গোটেই অসমতে কিছুমান speciality identify কৰিছো । আৰু তাৰ ভিতৰত গুৱাহাটীৰ MMCH শিঙীমাৰীত চলি থকা model hospital আৰু সোণাপুৰৰ চিকিৎসালয় খন আমি ঠিক কৰিছো

। ঠিক তেনেধৰণে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আই হস্পিতাল খন আমি বন্ধ কৰি দিছো । বাকী ৰোগী সকলক আমি শঙ্কৰদেৱ নেত্ৰালয়ত যাবৰ কাৰণে আমি অনুৰোধ জনাইছো । তাত যিখিনি খৰচ হ'ব সেই খিনি চৰকাৰে বহন কৰিব । আমি তাত ৮০ খন বেড পাম । এই কেইটা দিনত বহুত পৰিবৰ্তন হ'ব । অধ্যক্ষ মহোদয়, আমি যোৱাকালি বৰপেটালৈ গৈছিলো । বৰপেটাৰ পৰা আমি তেজপুৰলৈ গৈছিলো । তাত গৈ আমি এটা সিদ্ধান্ত কৰিলো যে তেজপুৰ চিকিৎসালয় মহাবিদ্যালয়ত আমি OPD সেৱা বিলাক কমাই দিম আৰু তাৰ গোটেই সেৱাটো কনকলতা চিভিল হস্পিতালে লৈ যাব । তেজপুৰ চিকিৎসালয় মহাবিদ্যালয়খন আমি ক'ৰোণাৰ কাৰণে ডেডিকেট কৰিব পাৰো । এতিয়া আমাৰ এটাই লক্ষ্য হৈছে যে গোটেই অসমত আমি ২০ হাজাৰ বেড আমি বিচাৰি উলিয়াব লাগিব । অহা মাহৰ পৰা অসমত জাপানীজ এমকেফেলাইটিজ ৰোগ আৰম্ভ হ'ব পাৰে । অহা মাহ মানে এপ্ৰিল মাহৰ ১-২ তাৰিখৰ পৰা। গতিকে স্বাস্থ্য বিভাগৰ ফালৰ পৰা অহা দুটা মাহ এপ্ৰিল আৰু মে' মাহতো বহু প্ৰত্যাহ্বানৰ মাহ হ'ব । গতিকে এনেকুৱা পৰিবৰ্তন কিছুমান আমি কৰি গৈ থাকিম । সেই বাবে সদস্য সকলক আগতীয়াকৈ মই জনাই থৈছো যে ইয়াত আপোনালোকৰ সহযোগীতা লাগিব । অধ্যক্ষ মহোদয়, আমি দেখিছো ইটালী, ফ্ৰান্স, স্পেইন ক'ৰোণাৰ ভয়াবহতা দেখিছো । তাক লৈ চালে অসম খন Health Infrastructur টো বহু গুনে কম । এতিয়া আমি সঠিক সিদ্ধান্ত এটা লৈছো যে মেডিকেল কলেজ বিলাক স্থাপন কৰাৰ কাৰণে। আজি এই কাৰণে গোটেই অসমতে নেটৱৰ্ক এটা পাইছো, টেষ্টিং লেব কৰিব পাৰিছো বা হস্পিতালত আমি বেড পাইছো ৩০০, ৩০০ কৈ প্ৰায় ২ হাজাৰ বেড পাইছো । ডিফুতো এতিয়া বেড আহিছে । এতিয়া মই ভাবো যে এনেকুৱা পৰিবৰ্তন কিছু হৈ থাকিব । সদস্য সকলে সহযোগীতা কৰিব লাগিব । আৰু এখন হস্পিতালত এতিয়া general treatment ৰ load বাঢ়িব। আমাৰ লক্ষ্য হ'ব যে public, private, partnarship ৰ দ্বাৰাই প্ৰাইভেট হস্পিতাল বিলাক general patient খিনি পঠাই অটল অমৃত অভিযানৰ কাৰ্ড খন যিকোনো বেমাৰৰ কাৰণে active কৰি আমি চিন্তা কৰি আছো । বৰ্তমান ৬-৭ টা বেমাৰৰ কাৰণে এই কাৰ্ড খন কিন্তু এই কাৰ্ড খন আমি সকলো বেমাৰৰ কাৰণে active কৰি দিলে অন্তত আমাৰ general petiant খিনিৰ সুবিধা হ'ব আৰু general petiant খিনি বে-চৰকাৰী হস্পিতালত সুবিধা পাব। In the mean time মেডিকেল কলেজ খিনি আমি ক'ৰোণাৰ বাবে ব্যৱহাৰ কৰিম । ২, ৩ বা ৪ মাহ যি লাগে । এই transaction period খিনি পাৰ হৈ যোৱাৰ পিছত আমি আকৌ আগৰ স্থানলৈ ঘূৰি আহিব পাৰিম । গতিকে সোণাপুৰৰ চিকিৎসালয়খন আজি কালিৰ ভিতৰত যুদ্ধকালীন ভাবে তাক আমি ঠিক কৰিম । সেইখন আমি dedicate Corona Hospital কৰাৰ বাবে সিদ্ধান্ত লৈছো । কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰত্যেকজন বিধায়কে জানে যে CSD, PSD সকলোতে এনেকুৱা কৰ্মচাৰী আছে । আকৌ যেতিয়া সিদ্ধান্ত হ'ব তেতিয়া এইখন বা সেইখন হস্পিতাল বুলি নহয় যিহেতু বিষয়টো অৱগত। কিন্তু এতিয়ালৈকে চৰকাৰে কোনো ধৰণৰ সিদ্ধান্ত লোৱা নাই । সিদ্ধান্ত ল'লে আমি এই পবিত্ৰ সদনত অৱগত কৰিম । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** Question no-144, Nurul Huda.

**শ্ৰী নুৰুল হুডা, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, গুণগত শিক্ষাৰ উদ্দেশ্যে আদৰ্শ বিদ্যালয় বিলাক প্ৰতিষ্ঠা কৰা হৈছে। এই আদৰ্শ বিদ্যালয় বিলাকত শিক্ষকৰ যি সমস্যা এই সমস্যাৰ বাবে তাত গুণগত শিক্ষাৰ ব্যৱস্থাটো নাইকিয়া হৈ গৈছে । আজি শিক্ষক সকলে নিযুক্তি লৈ কেইদিনমান পিছত ইস্তাফা দি গুছি যায়। যিহেতু ঠিকাভিত্তিক আৰু তেওঁলোকৰ চাকৰিটো ৰেগুলাৰ নহয়

আৰু তেওঁলোকৰ চিপিএফ পাব লাগে সেই খিনিও চৰকাৰে নিদিয়ে । যাৰ বাবে qualify শিক্ষক সকল গুণগত শিক্ষা দিব পৰা শিক্ষক বাচনি কৰি দূৰদুৰণিৰ যি সকল শিক্ষক তেওঁলোকক ঠিকা ভিত্তিত দিয়া হয়। কিন্তু কিছুদিন কৰাৰ পিছত এই চাকৰি এৰি গুচি যায় । কাৰণ এটাই আছিল তেওঁলোকৰ চাকৰিবোৰ নিয়মীয়া কৰা নাছিল আৰু এটা অসুবিধা হৈছে যে তেওঁলোকে থকাৰ বাবে আবাস গৃহ নাই । দূৰ-দুৰণিৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী গৈ তাত থকাৰ ব্যৱস্থা নাপায়। যাৰ কাৰণে তেওঁলোকে যিধৰণে গুণগত শিক্ষা দিব লাগে সেই শিক্ষা তেওঁলোকে দিব পৰা নাই । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা এই আশ্বাসটো বিচাৰিছো যে এই শিক্ষক সকলৰ চাকৰিটো নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিব নেকি । আৰু তেওঁলোকে থকাৰ কাৰণে quarter বনোৱা ব্যৱস্থা কৰিব নেকি ? এই কথা খিনি মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টিকৰণ পালে ভাল পাম ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰীঃ**- অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই যি আদৰ্শ বিদ্যালয়টোৰ কথা ইয়াত উপত্থাপন কৰিছে সঁচাই অসম চৰকাৰৰ শিক্ষা বিভাগে ২০১৫ চনত প্ৰায় ৮০ টা শৈক্ষিক ভাবে পিছ পৰা শিক্ষা সদনত ৮০ খন আদৰ্শ বিদ্যালয় খোলাৰ ব্যৱস্থা কৰিছো । তাৰ আধাৰত ইতিমধ্যে প্ৰায় ২০ খন বিদ্যালয়ৰ কাম চলি আছে । আৰু তেখেতে কৈছে যে চিপিএফ, এই বাৰৰ পৰাই টেট সকলৰ যিটো চিপিএফ বুলি কয় সেইটো কন্ট্ৰেকচুৰেল ফাণ্ড পোৰাৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে । এই বিত্তীয় বৰ্ষৰ পৰাই তেওঁলোকে এই সুবিধা পাবলৈ সক্ষম হ'ব । আৰু এটা প্ৰশ্ন আহিছে যে শিক্ষক সকলে তাত কৰ্মৰত হৈ আছে সঁচাই মেধা সম্পন্ন আৰু সেই কাৰণে তেওঁলোকে বিভিন্ন বিদ্যালয়ত যেতিয়া পদ পূৰণৰ বিজ্ঞাপন দিয়া হয় তাত তেওঁলোকে apply কৰে আৰু তাৰ পৰাই eligible হৈ চাকৰিটো পাই যায়। অধ্যক্ষ মহোদয়, তেওঁলোকে ভাল সুবিধা পালে গুচি যায় আৰু লগতে কৈছে যে আবাস বা নিবাস যি হোষ্টেল ব্যৱস্থা এতিয়া চাৰিটাৰ কাম সম্পূৰ্ণ গতিত চলি আছে আৰু অন্যান্য সুবিধা সমূহ আমাৰ চৰকাৰে ইতিমধ্যে নিবিদা আহ্বান কৰিছে । অতি সোনকালে এই শিক্ষক সকলে এই সুবিধা পাব । ধন্যবাদ ।

**শ্ৰী নুৰুল হুদা, বিধায়ক** ঃ অধ্যক্ষ মহোদয়, সুবিধা নোপোৱাৰ বাবে শিক্ষক সকল গুচি যায়। গতিকে সুবিধা পালে এই শিক্ষক সকলে গুছি নাযাবা । এই ব্যৱস্থাটো চৰকাৰৰ ফালৰ পৰা কৰিব নেকি । তেওঁলোকৰ চাকৰি সমূহ নিয়মীয়াকৰণ কৰিলে তেওঁলোকে নিশ্চয় বেলেগত নাযাব । গতিকে মই অনুৰোধ কৰিছো যিহেতু আদৰ্শ বিদ্যালয় বিলাক স্থাপন কৰিছে গণগত শিক্ষা দিয়াৰ কাৰণে এতিয়া চাৰ এনেকুৱা হৈছে গণগত শিক্ষাটো নাইয়ে আৰু শিক্ষা দিব পৰা নাই । গতিকে চৰকাৰী বিশ্ববিদ্যালয় সমূহত দেখা গৈছে আদৰ্শ বিদ্যালয় নিম্ন পৰ্য্যালৈ গুচি গৈছে । গতিকে যদি শিক্ষক সকলক স্থায়ীকৰণ কৰা নহয় আৰু তেওঁলোক এই সুবিধা প্ৰদান কৰা নহয় তেতিয়াহ'লে আদৰ্শ বিদ্যালয় সমূহ ৰৈ নাথাকিব । যিহেতু চৰকাৰৰ উদ্দেশ্য এইটোৱে আছিল যে আদৰ্শ বিদ্যালয় বিলাক স্থাপন কৰি গুণগত শিক্ষাৰ মানদণ্ড উন্নত কৰি আমাৰ নৱপ্ৰজন্মক সম্পদ হিচাপে সৃষ্টি কৰি সমাজত দিয়া । গতিকে এই উদ্দেশ্য সফল হোৱা নাই । এই উদ্দেশ্যটো সফল হ'ব পৰালৈ কিবা ব্যৱস্থা কৰিব নেকি ? এই কথাটো মন্ত্ৰী মহোদয়ে জনালে ভাল পাম ।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰীঃ**- অধ্যক্ষ মহোদয়, তেখেতে quality education ৰ কথা কৈছে, যিখিনি বিদ্যালয় স্থাপন কৰি চৰকাৰে বা বিভাগে quality education ৰ কাৰণে আৰু তাত যিখিনি teacher recruitment কৰা হৈছে নিযুক্তি পাইছে তেওঁলোকৰ নিশ্চিত ভাবে quality আছে । আৰু quality education হে দি আছে । এইটো নহয় যে তাত গুণগত শিক্ষা

দিয়া হোৱা নাই। অধ্যক্ষ মহোদয়, আপুনি দেখিছে MLA ৰ পৰা MP হয়, MP ৰ পৰা কোনোবায় কেন্দ্ৰীয় মন্ত্ৰী হয় । First MLA হয় তাৰ পিছত মন্ত্ৰী হয়, Speaker হয়, বা অন্যান্য পথ পাই যায় । যদি তেওঁ eligible হয় তেওঁ apply কৰিবই । তেওঁক আমি বাধা দি ৰাখিব নোৱাৰো । এজন শিক্ষকে শিক্ষক হৈ থাকিব, তেওঁৰ ambition আছে । তেওঁ APSC দি ACS অফিচাৰও হ'ব পাৰে, IAS Officer ও হ'ব পাৰে । আমিটো তেওঁক কোনো ধৰণৰ নিযুক্তি পত্ৰত এগ্ৰী কৰিব লাগিব যে তেওঁলোকে শিক্ষকৰ বাহিৰে বেলেগ চাকৰি কৰিব নোৱাৰে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰিপূৰক প্ৰশ্ন- আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আদৰ্শ বিলাক প্ৰকৃততে পাঠদানৰ ক্ষেত্ৰত যথেষ্ট ভাল। কিন্তু শিক্ষক সকলে নিৰাপত্তাহীনতাত ভুগি থাকিবলগীয়া হৈছে। প্ৰায় কয় যে. আমাৰ ভৱিষ্যতেকি হ'ব, আমাক ৰেগুলাৰ কৰা হ'ব নে নাই? তেওঁলোকক যিহেতু ঠিকাভিত্তিত লোৱা হৈছিল আমি ভাৱো ৰাজ্য চৰকাৰে অন্য হাইস্কুলৰ নিচিনা প্ৰভিন্সিয়েলাইজ কৰি আদৰ্শ বিদ্যালয়বোৰক যদি ৰেগুলাৰাইজ কৰি দিয়া হয়, তেওঁলোকৰ চাকৰি বিলাকো ৰেগুলাৰাইজ কৰি দিয়ে, তেওঁলোকে যথেষ্ট উদ্যমেৰে চাকৰি কৰিব পাৰিব। গতিতকে অন্যস্কুলৰ নিচিনা প্ৰভিন্সিয়েলাইজ কৰাৰ ব্যৱস্থা কৰিব পৰা যাব নেকি?

**শ্ৰীভৱেশ কলিতা মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ডাঙৰীয়াই যিটো কথা আনিছে আমি পৰীক্ষা কৰি চাম, যদি পৰা যায় ভৱিষ্যতে কৰা ব্যৱস্থা কৰা হ'ব। এইক্ষেত্ৰত আমি চালি-জাৰি চাব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে. আদৰ্শ বিদ্যালয়ৰ প্ৰতি সাধাৰণতে ছাত্ৰ-ছাত্ৰী বা অভিভাৱক, অভিভাৱিকা সকলৰ যথেষ্টখিনি আশা-ভৰষা থাকে। এই আদৰ্শ বিদ্যালয়ে ইতিমধ্যে কিছু গুণ-গত শিক্ষাও দি আহিছে। মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে আৰু আমিও তাক স্বীকাৰ কৰো যে, তাত কৰ্মৰত শিক্ষক-শিক্ষয়ত্ৰী সকলে ভাল সুবিধা পালে তাৰ পৰা গুচি যাব, তাক আমি ৰখাব নোৱাৰো। কিন্তু শিক্ষা বিভাগৰ ফালৰ পৰা যিসমূহ আদৰ্শ বিদ্যালয়ৰ পৰা শিক্ষক- শিক্ষয়ত্ৰী সকলে বেলেগ সুবিধা পালে গুচি যায়, তৎক্ষণাত যদি সেই খালিপদসমূহ পূৰণ কৰা নহয়, তেনেহ'লে সেইবিদ্যালয়খন চলাবলৈ যথেষ্টখিনি অসুবিধা হয়। উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ পাতাবেটবাৰী আদৰ্শ বিদ্যালয়ত এতিয়াও পদ খালি হৈ আছে। তেনেকুৱা ক্ষেত্ৰত যদি আমাৰ বিভাগে সোনকালে গুৰুত্ব নিদিয়ে, তেনেহ'লে যথেষ্ট অসুবিধা হ'ব। এই ক্ষেত্ৰত বিভাগে কি ধৰণৰ দৃষ্টিভংগী ল'ব, সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম। দ্বিতীয়তে, অধ্যক্ষ ডাঙৰীয়া, আন্তঃগাথনিৰ যথেষ্ট অভাৱ। এইক্ষেত্ৰত বিভাগে কি ধৰণে পদক্ষেপ লৈছে? এই বিদ্যালয়ৰ প্ৰতি ৰাজ্যৰ যথেষ্টখিনি ভাল দৃষ্টিভংগী আছে। গতিকে নতুনকৈ অসমত আৰু আদৰ্শ বিদ্যালয় স্থাপন কৰা হ'ব নেকি ? এই কেইটা কথা অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীভৱেশ কলিতা মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ৮০ টা শৈক্ষিকভাৱে পিছপৰা ব্লকক ইয়াত অন্তৰ্ভূক্ত কৰা হৈছিল, আপোনালোক সকলোৱে অৱগত। ইয়াৰ কাম চলি আছে। কেইবাটাও ব্লকৰ মাটিৰ সমস্যা আছে। তাত কোৱালিটি এডুকেশ্যন কৰা হৈছে আৰু কৰা হ'ব। শিক্ষক সকলো ভালেই। ভৱিষ্যতেও আমি চাম কি কৰিব পৰা যায়। যি পিছপৰা অঞ্চল, ৰিম'ট এৰিয়াত এই স্কুল বিলাক স্থাপন কৰা হৈছিল, সেই অঞ্চলত থকা ছাত্ৰ-ছাত্ৰী সকলে গুণগত শিক্ষা লওঁক , সেই

অঞ্চলৰ শিক্ষিতৰ হাৰ বাঢ়ি যাওঁক আৰু এই আদৰ্শ ৰাখিয়েই এই আদৰ্শ বিদ্যালয়সমূহ স্থাপন কৰা হৈছিল, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী প্ৰশ্ন-১৪১ ডাঃ ইছলাম অনুপস্থিত আছে বাবে প্ৰশ্ন নং- ১৮২, আব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২০ চনৰ মাৰ্চ মাহৰ ভিতৰত কামখিনি সম্পূৰ্ণ হ'ব বুলি কৈছে। এইক্ষেত্ৰত মই বিশেষভাৱে এটা আঁচনিৰ কথা জানিব বিচাৰিছো যে, আমাৰ বালিজান-আগিয়াৰ পৰা মানকাছাৰলৈকে যিটো লাইন গৈ আছে, এই লাইনটো লক্ষীপুৰ হৈ যোৱাৰ কাৰণে বৃহত্তৰ লক্ষীপুৰ চাৰ্কোল এৰিয়াৰ যিমানবোৰ অঞ্চল আছে, এই অঞ্চল সমূহ ক্ষতিগ্ৰস্থ হৈছে। ভল্টেজ নাপায়, কাৰণ একেটা লাইনেদি মানকাছাৰলৈ গৈ আছে। গতিকে আগিয়াৰ পৰা মানকাছাৰলৈ যিটো লাইন গৈ আছে, এই লাইনটো ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ হ'ব নে নাই? দ্বিতীয়তে, গোৱালপাৰা জিলাৰ চৰ অঞ্চলত ক'তো লাইটৰ খুটা দেখা নাই। গোৱালপাৰা জিলাত সৰু নৈ আছে। ৰাম পঞ্চায়ত খৰমৌজা পঞ্চায়ত, ৰৌংখোৰা পঞ্চায়ত আদি দুধনৈ পাহাৰৰ কাষতে আছে, এনেকুৱা নহয় যে, ব্ৰহ্মপুত্ৰৰ মাজেৰে লৈ যাব লাগিব। এইবিলাক অঞ্চলত বিদ্যুৎ সংলগ্ন হ'ব নে নাই?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো আগিয়া-মানকাছাৰৰ কথা কৈছে, এই ক্ষেত্ৰত বিভাগ অৱগত। গোটেইখিনি কাম এপ্ৰিলৰ ভিতৰত সম্পূৰ্ণ হ'ব, এইটো নতুনকৈ ব্যৱস্থা বিভাগৰ ফালৰ পৰা কৰি থকা হৈছে। তাৰোপৰি চৰ অঞ্চলত কিছু ক্ষেত্ৰত লাইন লোৱাটো নিশ্চয় অসুবিধা আছে। আপুনিও এইটো অনুভৱ কৰিব। সেই কাৰণে তাত শক্তি বিভাগে শ্বোলাৰ চিষ্টেমৰ ব্যৱস্থা কৰাৰ কাৰণে ইতিমধ্যে পদক্ষেপ লৈছে।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিৰ আলুখেতি চৰ'কেই উদাহৰণ হিচাপে কৈছো যে, একে ধৰণৰ 'চৰ' গোৱালপাৰা জিলাত আছে। গতিকে বাঘবৰ সমষ্টিৰ আলুখেতি 'চৰ' যদি হৈ আছে, তেনেকুৱা কাম গোৱালপাৰা জিলাৰ 'চৰ' অঞ্চলত নোহোৱাৰ কাৰণ নাই। কিন্তু শ্বোলাৰ লাইটৰ কথা কোৱা হৈছে। মোৰ আৰু এটা প্ৰশ্ন আছিল, যিটো প্ৰশ্নত শ্বোলাৰ লাইটত কথাটো অনা হৈছিল কিন্তু অতিৰিক্ত প্ৰশ্ন হোৱাৰ কাৰণে ইয়াত একোম'ডেট কৰা হোৱা নাই। গোৱালপাৰা জিলাৰ 'চৰ' অঞ্চলত শ্বোলাৰ লাইট বেনিফিচাৰীৰ নামত কেইবাবাৰো ইচ্ছু হৈছে। গোৱালপাৰা জিলাত যিমানখিনি শ্বোলাৰ লাইট এতিয়ালৈকে দিয়া হৈছে, সেইখিনি বিভাগে তাত কি হৈছে, হোৱা নাই। অনুসন্ধান কৰি চাব বাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে শ্বোলাৰ লাইটৰ ক্ষেত্ৰত যিটো অভিযোগ আনিছে, সেই ক্ষেত্ৰত বিভাগে নিশ্চয় তদন্ত কৰিব আৰু চৰকাৰে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব। তাৰ উপৰিও পৰ্য্যায়ক্ৰমে সকলো অঞ্চলতে বৈদ্যুতিকৰণৰ ব্যৱস্থাটো আমি কৰি আছো আৰু ৩১ মাৰ্চৰ ভিতৰত বৈদ্যুতিকৰণৰ কামখিনি গোটেই অসমতে সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত আমি লৈছো। ইয়াৰ মাজতে কিছু সমস্যা আহি গৈছে। যেনে, ক'ৰোনা ভাইৰাছ আহি গ'ল। এই ভাইৰাছৰ প্ৰকোপ যদি বেছি নহয়, আমি ৩১ মাৰ্চৰ ভিতৰত অসমত বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আজিজ আহমেদ খান, আপুনি কিবা ক'ব নেকি?

**শ্ৰী আজিজ আহমেদ খান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, যি ঠাইত গছ-গছনি বেছি আছে, সেই ঠাইত লাইনটো কনভাৰ্ট কৰি আণ্ডাৰ গ্ৰাউণ্ডেদি 'কেবল'ত নিয়াৰ ব্যৱস্থা কৰিব পাৰে নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** আপুনি যিটো প্ৰস্তাৱ কৰিছে, সেইটো বিভাগে কেনেকৈ কৰিব পাৰি বিবেচনা কৰিব। সময় লাগিব। আমি বিচাৰিছো যে, গোটেই গাওঁত লাইট যাব লাগে। এই আঁচনিৰ জৰিয়তে সকলো গাওঁ বৈদ্যুতিকৰণ হ'ব লাগে। আপোনাৰ পৰামৰ্শটো বিভাগে আলোচনা কৰি চাব।

**মাননীয় অধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধানসভাৰ মজিয়াত শক্তি বিভাগৰ লগত আলোচনা কৰা হয় । আৰু এটা পৰ্য্যায় আছিলে "ডিছা" বুলি কোৱা হয়, য'ত লোকসভাৰ সাংসদজনক অধ্যক্ষ হিচাপে লৈ জিলা পৰ্য্যায়ত আলোচনা কৰা হয়। বিধানসভাৰ পৰ্য্যায়ত তেনেকুৱাকৈ কোনো সমিতি নাই। কেইদিনমান আগতে circle level ত বিধায়কসকলক সভাপতি হিচাপে লৈ এখন সমিতি চৰকাৰে গঠন কৰি দিছিল। সভাবোৰ Member Secretary অৰ্থাৎ SDO জনে আহ্বান কৰিব লাগে। কিন্তু আজিলৈকে এখনো সভা হোৱা নাই। সেই সভাবোৰ আহ্বান কৰোৱাৰ ব্যৱস্থা কৰিব নেকি? দ্বিতীয়তে, কিছুমান বিষয় আছে য'ত আমাৰ পুঁজিৰ প্ৰয়োজন হ'ব। যেনে ক'ৰবাত দুটামান খুটা লাগে, বৰ্ডাৰ এলেকাবোৰত কিছুমান সমস্যা আছে। Sub-station নিৰ্মাণ হৈ আছে, কিন্তু ৰাস্তা নাই কাৰনে Sub-station সম্পূৰ্ন হলেও তাত আমি Transformer লৈ যাব নোৱাৰিম। গতিকে ইয়াৰ ক্ষেত্ৰত পুঁজিৰ প্ৰয়োজন হ'ব। এইক্ষেত্ৰত আমাৰ সমিতিৰ সভা অনুস্থিত হোৱাৰ পিছত যিসমূহ প্ৰস্তাৱ আহিব, চৰকাৰে সেই প্ৰস্তাৱ সমূহৰ সমৰ্থন জনাই পুঁজি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে সমিতি সমূহ এই কাৰনেই গঠন কৰিছিল যাতে ভালকৈ মনিটৰিং হয় আৰু তলৰ লেভেলত যিখিনি সমস্যা আছে সেই সমস্যা খিনি যাতে সমাধান কৰিব পৰা যায়। গতিকে আপোনালোকৰ যিবিলাক অঞ্চলত এনেকুৱা ধৰণৰ সমস্যা আছে সেইখিনি চৰকাৰলৈ প্ৰেৰণ কৰক আৰু চৰকাৰে এইক্ষেত্ৰত নিশ্চয় ব্যৱস্থা গ্ৰহন কৰিব।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰী ৰিপৰ্ট মতে Sub-division বিলাকত "ডিছা" ৰ মিটিং মাহে মাহে হৈ আছে। মিটিং ত চৰজমিন কৰি যিবিলাক সিদ্ধান্ত লোৱা হয়, সেই সিদ্ধান্ত সমূহ চৰকাৰলৈ পঠালে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। Underground ৰ যিটো কথা কোৱা হৈছে এই system টো ভাল কিন্তু সমস্যা বহুত আছে। Right of way টো এটা ডাঙৰ সমস্যা। আৰু বিভিন্ন ধৰণৰ সমস্যা আছে। সেইকাৰনে আমি পৰ্য্যায় ভিত্তিত কৰি আছো। প্ৰথমে আমি গোটেই ৰাজ্যখন electrification ত cover কৰি লওঁ। ইয়াৰ পিছত আমি Underground process লৈ যাম। যিহেতু Underground কৰাৰ বাহিৰে কোনো ৰাস্তা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৪৩, শ্ৰী পবিন্দ্ৰ ডেকা।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰ পাইছো। কমিটি শিক্ষকৰ এই বিষয়টো যোৱা ১৯ বছৰ ধৰি চলি আছে। তেঁওলোকে সদায় আদালতৰ ওচৰ চাপিছে, এম এল এ

সকলৰ ওচৰ চাপিছে আৰু এই বিধান সভাৰ মজিয়াটো বিষয়টো বহুবাৰ আলোচনা হৈছে। উচ্চ ন্যায়ালয়ে দুটা ৰায় দিছিল আৰু সেই ৰায়ৰ ভিত্তিত মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে " উক্ত গোচৰ দুটাৰ গোচৰীয় পক্ষই তেওঁলোকৰ অভিযোগৰ সহায়ত হোৱাকৈ প্ৰয়োজনীয় নথি-পত্ৰ ৰাজ্যচৰকাৰৰ কমিটিখনৰ ওচৰত দাখিল কৰিব আৰু ৰাজ্য চৰকাৰেও তিনিমাহত ভিতৰত গোচৰটো মীমাংসা কৰি চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ বাবে যাৱতীয় ব্যৱস্থা হাতত ল'ব। যদি উক্ত কমিটি খনে গোচৰীয় পক্ষৰ অভিযোগ সমূহ আৰু নথি-পত্ৰ সমূহ শুদ্ধ আৰু গ্ৰহণযোগ্য বুলি বিৱেচনা কৰে তেনেহ'লে উক্ত গোচৰ দুটাৰ গোচৰীয়া সকলক চাকৰিত নিযুক্তি দিবৰ বাবে বিবেচনা কৰিব"। এতিয়া আমাক জনোৱামতে নলবাৰী OBB Teachers Association এ ২৭৩ নে ২৭৫ জনৰ তালিকা এখন ইতিমধ্যে চৰকাৰক দিছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বিবেচনাৰ বাবে তিনিমাহ সময় লোৱা হৈছে। ইতিমধ্যে এই কেছটো ২০১৯ চনতে হৈ গৈছে। গতিকে আৰু কিমান দিন সময় লাগিব, এই কথাটো বিবেচনা কৰাৰ কাৰণে। কাৰণ এইটো এটা হেস্ত ন্যস্ত হোৱাতো প্ৰয়োজন। কাৰণ সদায় তেওঁলোকে বিধায়ক সকলৰ ওচৰলৈ যায়, যেতিয়া অধিবেশন আৰম্ভ হয় তেতিয়াই যায়। গতিকে এইটো মাননীয় মন্ত্ৰী মহোদয়ে স্পষ্টকৈ ক'ব লাগে যে, তিনিমাহ সময় দিছিল হাই কোৰ্টে, তিনিমাহৰ সময় উকলি গ'ল। কেতিয়া চৰকাৰে এই বিষয়টো এটা হেস্ত ন্যস্ত কৰি সিদ্ধান্ত দিব।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় জ্যেষ্ঠ সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই ২০০১ চনত নলবাৰী জিলাত Operation Black Board আঁচনিৰ অধীনত যিসকল শিক্ষক নিযুক্তি কৰা হৈছিল, সেই সকলক মহামান্য উচ্চ ন্যায়ালয়ৰ যি নিৰ্দেশৰ অনুসৰি পুনৰ নিযুক্তি দিয়া হ'ব নে নাই বা তিনিমাহৰ ভিতৰত দিয়া হ'বনে? এই কথাটো উত্থাপন কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ২০০১ চনত নলবাৰী জিলাত অ' বি, বি শিক্ষকৰ যি Recruitment হৈছিল, Upper Primary ইয়াৰ পদ আছিল ১৩৫ আৰু নিযুক্তি পাইছিল ৪১৯ জনে। ঠিক তেনেদৰে আৰু Lower Primary ৰ ক্ষেত্ৰত আছিল ২১৮ টা পদ আৰু তাত নিযুক্তি দিয়া হৈছিল ৪৫১০ ইয়াৰ ওপৰত তেতিয়াৰ নলবাৰী জিলাৰ উপায়ুক্ত ডাঙৰীয়াই এক প্ৰতিবেদন submit কৰিছিল। তাত থকা জিলা প্ৰাথমিক বিষয়া, Deputy Inspector তেওঁলোকৰ যি নিৰ্দেশ পালে তৎকালীনভাৱে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল আৰু লগতে তেতিয়া সেই বৰ্খাস্ত হোৱা শিক্ষক সকলেই ন্যায়ালয়ৰ ওচৰ চাপিছিল আৰু ন্যায়ালয়ৰ এক ৰায় দিছিল সেইখিনি examine কৰি চাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, যদি আমাৰ বিভাগৰ Commissioner Secretary ৰ জৰিয়তে এই গোটেইখিনি কথা তন্ন তন্ন কৈ পৰীক্ষা কৰি চোৱা হ'ল। তেতিয়া তাত যি Recruitment হৈছিল তাত proceedings, minutes একো দেখা পোৱা নগ'ল, amalgamation বা elimination আমি বহুত দেখিবলৈ পালো আৰু লগতে এইযি খাম খেয়ালি তাৰ বাবে তেওঁলোক বঞ্চিত হৈ থাকিল। পৰৱৰ্তী সময়ত ২০১৯ চনত আমাৰ সন্মানীয় সদস্য ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে যে, মহামান্য গুৱাহাটী উচ্চতম ন্যায়ালয়ে এক ৰায় দিছে আৰু সেই ৰায়ৰ আধাৰত তেওঁলোকে এটা representation আমাৰ বিভাগত দিব দিছে। তিনিমাহ উকলি যোৱা সময় হৈছে। আমি ভাবো তেওঁলোক আমাৰ বিভাগৰ যি Commissioner, Secretary আছে, তেওঁলোকৰ লগত আলাপ আলোচনা কৰি ইয়াৰ আকৌ সমাধান কৰিবলৈ সক্ষম হ'ব। কিন্তু অধ্যক্ষ মহোদয়, মই ভাবো যে ইমান সৰহ সংখ্যক

শিক্ষক যে পুনৰ নিযুক্তি পাব তাৰ সন্দেহৰ অৱকাশ আছে। তথাপি এই deprive teacher সকলে পালে আমি ভাল পাম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰীপবিন্দ্ৰ ডেকা, পাটাছাৰকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ ১৩৫ টা পদ খালী আছিল। তাতকৈবহুত বেছি appointment হৈছে। সেই কথাটো সকলোৱে জানে। সেইসময়ত হয়তো বহুত বিচাৰো হৈ গৈছে, officer সকল suspand হৈছে, সেইটো আমি জানো। কিন্তু কথা হৈছে, এই ১৩৫ জন চৰকাৰে এতিয়ালৈকে কিয় বাচি উলিয়াব পৰা নাই। যিসকলক genuinely appointment দিয়া হৈছিল তেওঁলোকৰ এতিয়া বঞ্চিত হ'ল, তেওঁলোকে suffer কৰিবলগীয়া হ'ল। এই চৰকাৰী বিষয়াৰ দুনীৰ্তিৰ বাবে তেওঁলোকে এতিয়া suffer কৰিবলগীয়া হ'ল। গতিকে মোৰ কথাটো হৈছে, যে বিষয়টো এটা হেস্ত ন্যস্ত হ'ব লাগে। উচ্চ ন্যায়ালয়ে এটা ৰায় দিছে যে চৰকাৰক কমিটি কৰি বিবেচনা কৰিব লাগে। সংস্থাই মোক কোৱা মতে, তেওঁলোকে ২৭৩ জনে ৭৫ জনৰ লিষ্ট এখন ইতিমধ্যে চৰকাৰৰ হাতত অৰ্পন কৰিছে। গতিকে তাৰ ভিত্তি যিখিনি genuine, ১৩৫ জনেই যদি genuine তেতিয়াহ'লে তেওঁলোকক appointment দিব লাগে। এইটোৱেই মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ। এই কথাখিনি কেতিয়া হেস্ত নেস্ত কৰিব। তিনি মাহৰ ভিতৰত দিছিল। তিনিমাহটো কেতিয়াবাই ওকলি গ'ল।

**মাননীয় অধ্যক্ষঃ** Specific এটা উত্তৰ বিচাৰিছে যে যিখিনি genuine, সেইখিনিক কেতিয়া দিব। Access খিনিৰ কথা কোৱা নাই।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Deprive teacher সকলৰ representation টো আমাক দিব। তাৰ পাছত আমাৰ Commissioner, Secretary য়ে গোটেইখিনি কথা চালি জাৰি চায়, যদি সচাঁই ১৩৫ নম্বৰ আছিল Upper Primary ত এইটো তেখেতে কৈছে এইখিনি genuine আছিল। Genuine খিনিয়ে পালে আমি ভাল পাম। যদি তেওঁলোকৰ গোটেইখিনি genuine আছে। আটাইতকৈ বৃহৎ এইটো আছিল তেতিয়া আমাৰ সন্মানীয় সদস্য ডাঙৰীয়া চৰকাৰতে আছিল, আপোনালোকৰ দিনতে এই কামবোৰ হৈ গৈছিল। ২০০১ চনত আমাৰ চৰকাৰ সলনি হৈছিল তেতিয়া।

**মাননীয় অধ্যক্ষঃ** গোটেই কথাটো এটা হেস্ত ন্যস্ত হোৱাতো বিচাৰিছে।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা, লাহুৱালঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে, নলবাৰীৰ যিটো কথা, সমগ্ৰ অসমতে এনেকুৱা এটা কেছ আছিল। Genuine যিখিনি আছে, মই ভাবো এখন উচ্চ পৰ্য্যায়ৰ সমিটি অসম চৰকাৰৰ শিক্ষা বিভাগত হ'ব লাগে আৰু Genuine যিখিনি আছে, সেইখিনিৰ লিষ্ট উলিয়াই কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** Its a good suggesstion. আপোনাৰ suggesstion টো ভাল হৈছে, মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় চাব। প্ৰশ্ন নং ১৪৪, শ্ৰী ৰমাকান্ত দেউৰী।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা হৈছে।

**শ্ৰী ৰমাকান্ত দেউৰী, মৰিগাওঁঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত ইতিমধ্যে মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, যোৱা বিগত বিধান সভাত মই এই কথাটো উপস্থাপন কৰিছিলো। আজি উত্তৰ পাইছো, যে মৰিগাওঁ বহুমুখী কাৰিকৰী প্ৰতিষ্ঠানৰ ইতিমধ্যে ৬২ শতাংশ কাম হৈছে বুলি কৈছে আৰু বাকী থকা কামসমূহ ক্ষীপ্ৰতাৰে গতিত চলি আছে বুলি কৈছে। হয়, কথাটো। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যাতে সোনকালে ইয়াক কাৰ্য্যক্ষম কৰি তুলিব পাৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰীৰমাকান্ত দেউৰী ডাঙৰীয়াৰ পলিটেকনিক কলেজ, তেখেতৰ যি সমষ্টিত কাম চলি আছে, যে আমাৰ অসমত বৰ্তমান ২১ খন পলিটেকনিক কলেজৰ পাঠ দান চলি আছে বিভিন্ন ট্ৰেইলত Civil, Mechanical ইত্যাদিকৰি। ইয়াৰ উপৰিও আমাৰ চৰকাৰে মৰিগাওঁ, তিনিচুকীয়া, চিৰাং, ওডালগুৰি আৰু হাইলাকান্দিত মুঠ পাঁচখন। অৰ্থাৎ এই পাঁচখন সম্পূৰ্ণ হ'লে আমি ২৬ খনলৈকে যাব পাৰিম আৰু ইতিমধ্যে এই পাঁচখনৰ পাঠদান আৰম্ভ কৰাৰ কাৰণে যো-যা আমি চলাইছো। অহা আগষ্ট মাহৰ পৰা উক্ত পলিটেকনিক কলেজসমূহত আমি পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰিম। তাৰ বাবে Recruitment আৰু Advertisement process ও চলিছে আৰু এইখিনি হ'লে আমাৰ যি পলিটেকনিক জুনিয়ৰ ইঞ্জীনয়িৰাৰ আমি তাত আনিব পাৰো এই সংখ্যা আমি যথেষ্ট বৃদ্ধি কৰিব পাৰিম। বৰ্তমান যিটো আমাৰ আছে যে তিনি হাজাৰ পাঁচশ পচিশখন আসন আছে আৰু এই যদি পাঁচখনৰ পাঠদান আৰম্ভ কৰিব পাৰো, তেতিয়া আমাৰ সংখ্যা হ'ব চাৰি হাজাৰ চাৰিশ চব্বিছখনলৈ বৃদ্ধি পাব আৰু নিশ্চিত ভাবে বিধায়ক ডাঙৰীয়াৰ যিটো মনৰ আশা আছে, আমাৰ এই কাৰ্য্যকালৰ আগতেই আগষ্ট মাহত যদি আমি এইখন আৰম্ভ কৰি পাৰো, নিশ্চিত ভাৱে তেখেতে সমষ্টিবাসীৰ লগতে সেই অঞ্চলত যিটো পলিটেকনিক পঢ়াৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলে নিশ্চয় আৰু উদগনি পাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰীগুৰুজ্যোতি দাসঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মঙ্গলদৈতো এখন পলিটেকনিক ইঞ্জিলিয়াৰিং নিৰ্মাণ হৈ আছে। কিন্তু course টো আৰম্ভ হোৱা নাই। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ মঙ্গলদৈতো সেই পলিটেকনিকৰ course টো আৰম্ভ কৰিব বিচাৰে নেকি ?

**মাননীয় অধ্যক্ষঃ** যদি তেখেতৰ হাতত উত্তৰ আছে, ক'ব। নহ'লে পাছত দিব।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াই মঙ্গলদৈৰ যিখন পলিটেকনিকৰ কথা কৈছে, তাত মাটি এতিয়ালৈকে আৱণ্টন দিয়া নাই। অতি সোনকালে তেওঁ যদি মাটিখিনিৰ ব্যৱস্থা কৰি দিব পাৰে, আমি অহা বিত্তিয় বৰ্ষত নিশ্চয় আৰম্ভ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১৪৫ শ্ৰীসুজাম উদ্দিন লস্কৰ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা হৈছে।

**শ্ৰীসুজাম উদ্দিন লস্কৰ, কাটলিছেড়া ঃ**মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল মডেল কলেজ মু লতানি। উত্তৰটো মই পাইছো। কিন্তু ইমান সন্তুষ্ট হোৱা নাই। আমৰ সমষ্টিটো হৈছেঅসম মিজোৰাম সীমান্তৱৰ্ত্তী। আমাৰ এটা development block আছে, তাত ৯ টা গাওঁ পঞ্চায়ত আছে। ৯ টা গাওঁ পঞ্চায়তৰ ভিতৰত কোনো কলেজ নাই, কোনো হাইয়াৰ চেকেণ্ডাৰী নাই। মাত্ৰ তিনিখন হাইস্কুল আছে। তাত এখন এখন মডেল কলেজ sanction হৈছে। আমি চৰকাৰক ধন্যবাদ দিছো। কিন্তু দুখৰ বিষয় হৈছে বিগত দুবছৰৰ আগত contracotor য়ে work order পাইছে, কামটো কৰিব পৰা নাই। ৯ কোটি টকা sanction হৈছিল। তাতে হাইলাকান্দিৰ উপায়ুক্ত মহোদয়ৰ তাত মাটি হস্তান্তৰ হৈছে, বিভাগলৈ। কিন্তু তাতে টিলা জমিন এটা ৰাস্তা, approach road আৰু টিলা cutting ৰ নামত ৩ কোটি টকাৰ এটা মঞ্জুৰী পাইছিল। উপায়ুক্ত মহোদয়ে,

Building ৰ Executive Engineer য়ে এটা estimate দিছিল। মই নিজ হাতে লৈ আহি Chief Engineer ৰ তাত জমা দিছো। কিন্তু আজি সাত মাহ হৈছে সেইটো sanction হোৱা নাই। ৩ কোটি টকাৰ এটা estimate যদি সেইটো গ্ৰাণ্ট হৈ যায় তেনেহ'লে আমাৰ কলেজখনৰ Building ৰ কাম আৰম্ভ হ'ব। যোৱা সপ্তাহত মাননীয় মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই Video Conferrence যোগে মাননীয় উপায়ুক্ত মহোদয় আৰু মই আছিলো এই কলেজখন আৰম্ভ কৰিব আৰু এখন মডেল স্কুলো আৰম্ভ হ'ব বুলি decision হৈছিল। কিন্তু যদি ৩ কোটি টকাৰ sanction টো হৈ যায়। তেনেহ'লে আমাৰ কলেজখনৰ কাম আৰম্ভ হ'ব বুলি অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষঃ** ৰাস্তাটো হোৱা নাই কাৰণে, কাম হোৱা নাই বুলি কৈছে।

**শ্ৰীভৰেশ কলিতা, মাননীয় শিক্ষা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, লস্কৰ ডাঙৰীয়াৰ যিটো প্ৰশ্ন আনিছে। সঁচাই তাত টিলা আছে। টিলাৰ মাটিখিনি কটাৰ পাছত তাত DPR যিটো Plane Estimate বনাব পাৰিব আৰু ৰাস্তাটোৰ কাৰণে ইতিমধ্যে অহা বিত্তিয় বৰ্ষত আমি ধন অনুমোদন দিবলৈ সক্ষম হম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপোনাক PWD Minister য়ে assurance দিছে যেতিয়া তেখেতৰ লগতো পাতিব পাৰিব।

**শ্ৰীসুজাম উদ্দিন লস্কৰ, কাটলিছেড়া ঃ**মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰত পাইছো যে উক্ত প্ৰস্তাৰ উচ্চ শিক্ষা বিভাগৰ বিবেচনাধীন হৈ আছে। বিবেচাধীন কিমান দিন থাকিব। সাতমাহ হৈছে। সেইটো অলপ খবৰলৈ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ে যদি যিমান সোনকালে কৰিব পাৰে তেন্তে ভালে হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপোনাৰ কথাটো বুজিছো। তেখেতে আলোচনা কৰি আপোনাক জনাব। শ্ৰীচাহাব উদ্দিন আহমেদ related to that college.

**শ্ৰীচাহাব উদ্দিন আহমেদ, জলেশ্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মডেল কলেজ এখন সৰ্ম্পকে। চৰকাৰক আমি ধন্যবাদ জ্ঞাপন কৰিছো যে আমাৰ জলেশ্বৰ সমষ্টিত তেখেত সকলে এখন মডেল Woman College sanction কৰিছে। কিন্তু দুৰ্ভাগ্যৰ বিষয়, আমি ইতিমধ্যে ৰাইজে মাটি ২৩ বিঘা দিলো আৰু Financial Sanction হ'ল। ৩০ কোটি টকামান প্ৰায় Sanction হ'ল। এতিয়া প্ৰশ্ন হৈছে মাটিখিনি District Land Advisory Board ত পাচ কৰি দিলো। কিন্তু ডি চি য়ে আজিলৈকে Director Land Office ত ল নপঠিয়ালে। যাৰ কাৰণে আজিলৈকে ৰেকৰ্ড পি ডাব্লিউ ডি বিল্ডিংত যোৱা নাই। এতিয়া কামখিনি স্থগিত হৈছে। টকাও sanction হ'ল, ঠিকাদাৰো গ'ল। চাইড চাইয়ো আহিল।

**মাননীয় অধ্যক্ষঃ** মাটিখিনি সোনকালে পাব লাগে। এইটো ৰেভিনিউ মিনিষ্টাৰ লগত take up কৰি এই কামখিনি কিমান সোনকালে কৰিব পাৰি সেইটো চাব। আপুনিও অলপ যোগাযোগ ৰাখিব মন্ত্ৰীৰ লগত।

**শ্ৰীইমানুৱেল মছাহাৰী, তামুলপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, একেটা সমস্যা মোৰো, মডেল কলেজ সৰ্ম্পকে। মই ২০১৭-১৮ চনত প্ৰশ্ন উত্থাপন কৰিছিলো। মাটি দিয়া হৈ গ'ল। গতিকে উত্তৰণৰ বাদেও ছয় খন কলেজ স্থাপন কৰাৰ কথা আছিল বাক্‌চা জিলাত।

**মাননীয় অধ্যক্ষঃ** শ্ৰী অনন্ত কুমাৰ মালো।

**শ্ৰী অনন্ত কুমাৰ মালো, অভয়াপুৰী দক্ষিণঃ** মাননীয় অধ্যক্ষ মহোদয়, মই একেটা প্ৰশ্ন কৰিছিলো

উত্তৰ পাইছো। দুটাত অলপ বিসংগতি দেখিছো। মই প্ৰশ্ন কৰিছিলো বঙাইগাওঁ জিলাৰ ৩৫নং অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিত কিমানখন প্ৰাথমিক বিদ্যালয়, উচ্চ প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। কিন্তু District Elementary Education Officer য়ে উত্তৰ অভয়াপুৰীৰ স্কুলবিলাক আনি দক্ষিণত সুমোৱাই দিছে। বহুকোইখন স্কুল আহিছে। দ্বিতীয়তে, মই আৰু এটা প্ৰশ্ন কৰিছিলো উক্ত শিক্ষানুষ্ঠান সমূহত কিমান শিক্ষকৰ পদ খালী হৈ আছে বিদ্যালয় ভিত্তিত তালিকা সদনত দাখিল কৰিব লাগে। IS য়ে দিছে High School, Higher Secondary বিলাকৰ দিছে কিন্তু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ তথ্য দিয়া নাই। কিন্তু নিম্ন প্ৰাথমিক ব্যিদালয়ত ৫৫, উচ্চ প্ৰাথমিক বিদ্যালয়ত ৬৩, উচ্চ মাধ্যমিকত ১১১ আৰু উচ্চতৰ মাধ্যমিকত ১৫ টা পদখালী হৈ আছে। মোৰ সমষ্টিৰ কচুজালা হাইস্কুল, একদম Schedule Cast এলেকা। তাত চাৰিজন বিজ্ঞানৰ শিক্ষক নাই হাইস্কুলখনত। বিজ্ঞানৰ শিক্ষকৰ অবিহনে স্কুলখন চলি আছে। দ্বিতীয়তে বাগৰুদিয়া অভয়াপুৰী টাউনত তাতো বিজ্ঞানৰ শিক্ষক চাৰিজন নাই। চলন্ত বৰা হাইচেকেণ্ডাৰী স্কুলত দুজন বিজ্ঞান শিক্ষক নাই। অংকৰ শিক্ষক নাই। আপোনাৰ জৰিয়াতে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে আমাৰ মানৱ সম্পদ গঢ়াৰ শ্ৰেষ্ঠ উপাদান হৈছে শিক্ষা বিভাগ। মই দেখিলো মোৰ সমষ্টিত কছুদলা হাইস্কুল একদম SC এলেকাত। তাত চাৰিজন Science teacher নাই। Science teacher নোহোৱাকৈ স্কুলখন চলি আছে। দ্বিতীয়তে আমাৰ বাপুজি হাইস্কুল অভয়াপুৰি চহৰত তাতেও science teacher চাৰিজন নাই। তলন্তমাৰা হাইচেকেণ্ডাৰী স্কুলত দুইজন science teacher নাই, maths teacher নাই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে আমাৰ মানৱ সম্পদ গঢ়াৰ শ্ৰেষ্ঠ উপদান হৈছে শিক্ষা বিভাগ আৰু এই শিক্ষাৰ জৰিয়তে যাতে আমাৰ শিক্ষক খিনিক অনতি পলমে নিযুক্তি দিব লাগে।

**শ্ৰী ভৰেশ কলিতা, স্বাস্থ্যমন্ত্ৰী (ৰাজ্যিক)ঃ** - মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য অনন্ত কুমাৰ মালো ডাঙৰীয়াই দক্ষিণ অভয়াপুৰি সমষ্টিৰ কথা কৈছে যে তেখেতৰ শিক্ষক হাইস্কুলত নাই, বিশেষকৈ বিজ্ঞান বিভাগৰ শিক্ষক নাই বুলি কৈছে, সচাঁ কথা। ইতিমধ্যে আমাৰ হাইস্কুল TET ৰ result ওলাইছে। document verification ৰ পিছতে আটাইখিনি শিক্ষক আমি নিযুক্তি কৰিব পাৰিম লগতে সদস্য গৰাকীয়ে, তেখেতৰ সমষ্টিত যিখিনি শিক্ষকৰ পদ খালী হৈ থকা বুলি এই পবিত্ৰ সদনত উত্থাপন কৰিছে, এই সমস্যাখিনি সমধান হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। Question hour is over.

আপোনালোকৰ যদি প্ৰশ্নৰ সম্পৰ্কত কিবা point of order আছে, মই আজিৰ দিনটোৰ কথাখিনি বিশেষভাৱে লক্ষ্য ৰাখি, সেইখিনি মোক লিখিত ভাৱে দিবলৈ কৈছো। so, we can rectify the answers. আজি মই সেইকাৰণে সদনত উত্থাপন নকৰি, আমাক লিখিতভাৱে দিলে হ'ব। তাৰ বাহিৰে কিবা point of order আছে নেকি?

মই এই কথা জনাব বিচাৰিছো, যিখিনি starred & unstarred question আছে, নিৰ্দিষ্ট প্ৰশ্নকৰ্তা সকলক, তেওঁলোকক question & answer ৰ খিনি এটা আমি তেখেতসকলৰ আৱাস গৃহত আৰু এটা কপি ডাকযোগে পঠিয়াই দিয়াৰ ব্যৱস্থা কৰি দিম।

মই যোৱা কালি হোৱা অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠকৰ প্ৰতিবেদন পাঠ কৰি দিছো।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত

অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক যোৱা ইং **২৩** মাৰ্চ, **২০২০** তাৰিখে আবেলি **৪** বজাত অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত কৰা হয়।

সমিতিয়ে সমগ্ৰ বিশ্বৰ লগতে আমাৰ ভাৰতবৰ্ষতো "কৰুণা ভাইৰাছ" (ক'ভিড-**১৯**) য়ে সৃষ্টি কৰা অস্বাভাৱিক জৰুৰীকালীন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চলিত বাজেট অধিবেশনৰ কাম-কাজ সমূহ চমুৱাই আমি আজি **২৪** মাৰ্চ, **২০২০** তাৰিখে ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থাৰ লগত জড়িত Appropriation Bill খন পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰিও, ইতিপূৰ্বে সদনত উত্থাপিত "The Court-Fees (Assam Amendment) Bill, 2020" আৰু The Guwahati Municipal Corporation (Amendment) Bill, 2020" দুখন পাৰিত কৰাৰ সিদ্ধান্ত লয় আৰু লগতে শিক্ষা, ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ বিল কেইখন সদনত উত্থাপন কৰাৰো সিদ্ধান্ত লয়।

বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিয়ে "কৰুণা ভাইৰাছ" (ক'ভিড -**১৯**) ৰ সম্পৰ্কত স্বাস্থ্যমন্ত্ৰীক এক বিবৃতি প্ৰদানৰ বাবেও অনুৰোধ জনায় আৰু ইয়াৰ পাছতে সদনৰ পৰৱৰ্ত্তী দিনসমূহৰ কাৰ্য্যসূচী বাতিল কৰি চলিত বাজেট অধিবেশন অনিৰ্দ্দিষ্ট কালৰ বাবে আজি স্থগিত ৰখাৰ বাবে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে।

আশা কৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে।

(আমি ভাবিছো যে বিলখন উত্থাপন হ'ব, আপোনালোকে কৈছে যে আলোচনা নালাগে। সেইখিনি কথাই আছিল যে just we will place)

মই প্ৰতিবেদনখন সন্মমতি লোৱাৰ আগতে মাননীয় সদস্য গৰাকীয়ে কব খোজা কথাখিনি কওঁক।

**শ্ৰীওৱাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিনিয়োজন নং. **১১,১২, ১৩** যোৱা কালি আমি WPT BC বিভাগত যিহেতু কৰ্তন প্ৰস্তাৱ উঠাই লম। কিন্তু এইখিনিত আমাৰ যথেষ্ট আলোচনা কৰিব লগীয়া আছে। বিশেষকৈ বিনিয়োজন নং **১৩**, কমতাপুৰ - Autonomous Council Bill এইটোৰ বিষয়ত আমাৰ আলোচনা কৰাৰ দৰকাৰ আছে। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে সন্মতি হৈছে যে যাতে দৰকাৰ পৰিলে পিছত আকৌ তিনিমাহৰ ভিতৰত অধিবেশন পাতি বিলখন আনিম।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি বিৰোধী পক্ষই ভাৱে যে এই বিলখন introduce কৰিব নালাগে। আমাৰ একো আপত্তি নাই, প্ৰয়োজন হ'লে আমি অধ্যাদেশ কোৰ্টখন আনি লম। কিন্তু যদি অকল introduce কৰো, pass নকৰো, কোনো আলোচনা নহয়, অহা অধিবেশনত আলোচনা হ'ব আৰু পাছ হ'ব। যদি ইমানটোলৈকে দিয়ে এটা পৰ্য্যায় আগবাঢ়ি থাকে।

**মাননীয় অধ্যক্ষ** ঃ তেতিয়া হ'লে এই প্ৰতিবেদনখনৰ সন্মতি আছে বুলি ধৰি লব পাৰো।

ইয়াৰ পিছত presentation of report of DRSC। মই প্ৰতিখন DRSC ৰ সভাপতি সকলক এখন এখনকৈ তেখেতসকলৰ report place কৰিবৰ কাৰণে আনুষ্ঠানিকভাৱে অনুৰোধ কৰিলো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় ভাৱে সম্পৰ্কীত কৰ্ম সম্পৰ্কীয় স্থায়ী সমিতিৰ অসম বিধান সভাৰ সভাপতি মহোদয়ৰ হৈ মই অসম

বিধান সভাত **২০২০-২১** বৰ্ষৰ বিভাগীয়ভাৱে সম্পৰ্কীত কৰ্ম সম্পৰ্কীয় স্থায়ী সমিতিৰ অধিনস্থঃ-
**১**) গড়কাপ্তানি বিভাগৰ একবিংশতিতম,
২) ছপা আৰু লেখন সামগ্ৰী বিভাগৰ সপ্তদশ,
**৩**) জল সম্পদ বিভাগৰ দ্বাবিংশতিতম,
৪) জলসিঞ্চন বিভাগৰ একবিংশতিতম,
৫) তথ্য আৰু জনসংযোগ বিভাগৰ সপ্তদশ,
৬) গুৱাহাটী উন্নয়ন বিভাগৰ একবিংশতিতম,
৭) নগৰ উন্নয়ন বিভাগৰ সপ্তদশ,
৮) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাবিংশতিতম,
৯) ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সপ্তদশ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলো।

**শ্ৰী উৎপল দত্ত, সভাপতি, অসম বিধান সভাৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী সমিতি (শিক্ষা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মঞ্জুৰী নং **২৯**,**২৬**, **৭১**,**২৭** আৰু **৭৯** ৰ সম্পৰ্কত অসম বিধান সভাৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী সমিতি (শিক্ষা) ৰ বিত্তীয় বৰ্ষৰ **২০২০-২১** ৰ প্ৰতিদেনত সমূহ সদনত দাখিল কৰিলো।

**শ্ৰী প্ৰশান্ত ফুকন, সভাপতি, অসম বিধান সভাৰ উন্নয়ন (ক) বিভাগসমূহৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী সমিতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মঞ্জুৰী নং **৮**, **৯**, **১২** আৰু **২১**, **৩৭**, **৪৬**, **৩৮**, **৩৯**, **৫৫**, **৫৮** আৰু **৬১**,**৬১** আৰু **৬২** আৰু **৭৪** ৰ সম্পৰ্কত অসম বিধান সভাৰ উন্নয়ন (ক) বিভাগ সমূহৰ বিভাগীয় ভাৱে সম্বন্ধ থকা স্থায়ী প্ৰতিদেনত সমূহ সদনত দাখিল কৰিলো।

**শ্ৰীজয়ৰাম ইংলেং** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ বিভাগীয় ভাৱে সম্পৰ্কীয় স্থায়ী সমিতি উন্নয়ন বিভাগ (খ) ৰ সভাপতিৰ হৈ তলত উল্লেখিত প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলো।

| | |
|---|---|
| **১**) কৃষি আৰু উদ্যান শষ্য বিভাগ - | মঞ্জুৰী নং-**৪৮** আৰু **৬৭** |
| ২) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ - | মঞ্জুৰী নং-**৫৬** আৰু **৫৭** |
| **৩**) হস্ততাঁত, বস্ত্ৰ শিল্প আৰু ৰেচন বিভাগ - | মঞ্জুৰী নং-**৫৯** |
| ৪) মীন বিভাগ - | মঞ্জুৰী নং -**৫৪** |
| ৫) পশু পালন আৰু পশু চিকিৎসা বিভাগ - | মঞ্জুৰী নং -**৫২** আৰু **৫৩** |
| ৬) স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগ | - মঞ্জুৰী নং **২৯** |
| ৭) সমবায় বিভাগ | - মঞ্জুৰী নং -**৪৩** |
| ৮) শ্ৰম কল্যান আৰু দক্ষতা, নিয়োগ আৰু উদ্যোগিক উন্নয়ন বিভাগ | - মঞ্জুৰী নং - **৩৬** |
| ৯) ভূমি সংৰক্ষণ বিভাগ | - মঞ্জুৰী নং -**৫১** |
| **১০**) গৃহ বিভাগ | - মঞ্জুৰী নং - **১৪**,**১৫**,**১৮** আৰু **২০**। |

মাননীয় অধ্যক্ষ ঃ ঠিক আছে। এতিয়া মই ইয়াৰ পিছৰ কাৰ্য্যসূচীলৈ আহিছো। votting on demands for grant for 2020 -21।

গতিকে মই প্ৰথমে মাননীয় মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়াক মঞ্জুৰী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰোঁ যে **২০২১** চনৰ **৩১** মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত ভাৰপাপ্ত মন্ত্ৰীয়ে কৃষি শিতানৰ প্ৰশাসনৰ অৰ্থে **১৪০৬৬২.২১** লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া এই মঞ্জুৰী প্ৰস্তাৱটোৰ সম্পৰ্কত সদনত অনুমোদনৰ বাবে সন্মতিৰ প্ৰস্তাৱটো উত্থাপন কৰিছো যে **২০২১** চনৰ **৩১** মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত কৃষি সম্পৰ্কীয় কেতবোৰ ব্যয় বহণ কৰিবলৈ ভাৰপাপ্ত মন্ত্ৰীক **১৪০৬৬২.২১** লাখ টকা মঞ্জুৰ কৰিব লাগে। যিহেতু কোনো কৰ্তন প্ৰস্তাৱত নাই, মই আশা কৰিছো যে এই প্ৰস্তাৱটোত সমগ্ৰ সদনৰ সন্মতি আছে।

গতিকে মই ভাৱো যে দাবী মঞ্জুৰীটো সৰ্বসন্মতিক্ৰমে গৃহিত কৰা হৈছে।

ইয়াৰ পিছত আৰু মঞ্জুৰী নং **৫৬** আৰু **৫৭** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উত্থাপন কৰিবলৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো।

**শ্ৰীনৱ দলে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী** ঃ মাননীয় মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰোঁ যে **২০২১** চনৰ **৩১** মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত ভাৰপাপ্ত মন্ত্ৰীয়ে গ্ৰামোন্নয়নৰ শিতানৰ প্ৰশাসনৰ অৰ্থে **১৮২৫০.১২** লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। যিহেতু কৰ্তন প্ৰস্তাৱ দুয়োটাই আমি যোৱা কালি আলোচনা কৰিছো আৰু তেখেতে সকলে voluntarily withdraw কৰিছে for the greater interest সেইকাৰণে আমি কৰ্তন প্ৰস্তাৱ withdraw হোৱা বুলি ঘোষণা কৰিছো আৰু মঞ্জুৰিৰ প্ৰস্তাৱ দুয়োটাই অনুমোদনৰ বাবে সদনত উত্থাপন কৰিম। প্ৰস্তাৱ দুটা হৈছে - **২০২১** চনৰ **৩১** মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত গ্ৰাম্যন্নোয়ন আৰু পঞ্চায়তৰ সম্পৰ্কীত কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপাপ্ত মন্ত্ৰীক **১৮২৫০.১২** লাখ টকা মঞ্জুৰ কৰিব লাগে

আৰু দ্বিতীয়টো হৈছে - **২০২১** চনৰ **৩১** মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত গ্ৰামোন্নয়ন সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপাপ্ত মন্ত্ৰীক **৩৬৭৭৬৫.৩৭** লাখ টকা মঞ্জুৰ কৰিব লাগে। মই ভাৱো সমগ্ৰ সদনে ইয়াত এক মত আছে। গতিকে মই এইটো গৃহিত বুলি ঘোষণা কৰিছো। দাবী মঞ্জুৰী নং **৫৬** আৰু **৫৭** গৃহিত হ'ল। বাকী মঞ্জুৰিখিনিত আমাৰ কোনো কৰ্তন প্ৰস্তাৱ নাছিল আৰু সেইকাৰণে আমি বাকী প্ৰস্তাৱ সমূহ Guillotine যিহেতু দিয়াৰ ব্যৱস্থা আছে আমি সেইটো বাদ দি বাকী যিখিনি প্ৰস্তাৱ মঞ্জুৰি কৰাৰ বাবে ঘোষণা কৰিলো।

মই সেইকাৰণে গোটেই কেইটা মঞ্জুৰি সদনত গৃহিত হৈছে বুলি ঘোষণা কৰিছো। ইয়াৰ পিছত আমি এতিয়া Appropriation Bill লৈ যাম - Now I request the Hon'ble Finance Minister to introduce the Assam Appropriation Bill, 2020।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, বিত্তীয় মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ২) বিধেয়ক ২০২০ সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই শুধিব বিচাৰিছো বিধেয়কখন উত্থাপন কৰিবলৈ দিয়াত সদনত অনুমতি আছে নে?

মই অনুমতি দিছো আৰু এতিয়া ৰাজভৱনৰ পৰা এই বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে ৰাজ্যপাল মহোদয়ৰ প্ৰস্তাৱ বাণী মই পঢ়ি দিছো -

Under the provision of Article 207 Sub-Clause 3 of the Consti-

tution of India, I Prof. Jagadish Mukhi, Governor of Assam recommends the introduction of Assam Appropriation (No.II) Bill, 2020 in the Assam Legislative Assembly.

এতিয়া বিত্ত মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ২) বিধেয়ক ২০২০ সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনমা পঢ়ি দিব।

**প্ৰধান সচিব, অসম বিধান সভা ঃ** বিধেয়কখনৰ শিৰোনমা - অসম বিনিয়োজন (নং ২) বিধেয়ক ২০২০।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই ৰাজ্যপাল মহোদয়ে ৰাজভৱনৰ পৰা এই বিনিয়োজন বিধেয়কখন সদনত বিবেচনা কৰিবৰ বাবে প্ৰস্তাৱ বাণী পঢ়ি দিছো -

Under the provision of Article 207 Sub-Clause 3 of the Constitution of India, I Prof. Jagadish Mukhi, Governor of Assam recommends the introduction of Assam Appropriation (No.II) Bill, 2020 be taken into consideration in the Assam Legislative Assembly.

এতিয়া বিত্ত মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ২) বিধেয়ক ২০২০ বিবেচনাৰ কাৰণে সদনত উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ বিলৰ ওপৰত যথেষ্ট আলোচনা হৈছিল। বাজেট general discussion ত। মাননীয় মন্ত্ৰী মহোদয়ে বহুত কথা আমাক কৈছে। মই এটা কথা কব খুজিছিলো Grant no. 57 আমি যদিও কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰা নাই তাতে বৰ্তমান 14th Finance Commission ৰ পুঁজি utilize হৈ আছে। 14th Finance Commission ৰ আঁচনি finalize কৰাৰ কাৰণে যিটো Block Level Selection Committee আছে তাত CEO জন জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া। তেখেতে সভাপতি হৈ থাকে। তাতে বিধায়ক সংলিষ্ট গাওঁ পঞ্চায়তৰ সভাপতি, সচিব, বি ডি ও সকলো মিলি আচঁনিবিলাক চুৰান্ত কৰা হয়। কিন্তু এই ক্ষেত্ৰত এটা সমস্যা দেখা পাইছো যে 14th Finance Commission আঁচনিবিলাক চুৰান্ত কৰোতে guideline মতে হ'ব লাগে। এই আঁচনিবিলাকৰ প্ৰস্তাৱ গাওঁ সভাৰ জৰিয়তে আহিব লাগে under the Presidentship of CEO । তাৰ পিছত আমি যেতিয়া সেই মিটিঙত বহো 14th Finance Commission আঁচনি চুৰান্ত কৰাৰ কাৰণে তাত দেখা পাওঁ যে সেই গাঁও সভাই যিখিনি প্ৰস্তাৱ দাঙি ধৰে সেইখিনি ৰাইজে দিয়া প্ৰস্তাৱ বিলাক তেওঁলোকে তাত place য়ে নকৰে। ঘৰত বহি অলপ বেলেগ ধৰণে প্ৰস্তাৱবিলাক বনাই তেওঁলোকে দিয়ে। পিছত ৰাইজে আহি বিধায়কক ধৰে যে আমি গাওঁ সভাত এই প্ৰস্তাৱবিলাক দিছিলো কিন্তু তেওঁলোকে বেলেগ প্ৰস্তাৱ তাত দাখিল কৰিলে। এই ক্ষেত্ৰত অলপ গুৰুত্ব দিব লাগে এই কাৰণে মাননীয় অধ্যক্ষ মহোদয় যে 14th Finance Commission পুঁজি utilize কৰাৰ যিটো nature MLA Aids ৰ nature same. MLA Aids ৰ জৰিয়তে আমি যিবিলাক কাম কৰিব পাৰো। 14th Finance Commission ৰ জৰিয়তে same nature ৰ same কাম কৰিব পাৰো। আৰু দূৰ্ভাগ্যৰ কথা হ'ল যে আমাৰ MLA Aids ১ কোটি টকা বছৰত দিয়া হয়।

আৰু সেই টকাৰে মই মোৰ সমষ্টিৰ কথা কৈছো য'ত ২৯ খন গাওঁ পঞ্চায়ত আৰু তাতে টাউন কমিটি আছে তাৰ লগত অলপ চৰ আছে, মই এখন পঞ্চায়তত এক বছৰত তিনি লাখ টকা দিব নোৱাৰো। য'ত এখন পঞ্চায়তত কিছুমান toilet, culvert, boundary wall বিভিন্ন ৰাইজৰ demand থাকে, এটা বা দুটা আঁচনি দিব পাৰো MLA Aids ৰ পৰা। কিন্তু 14th Finance Commission ত সেই পঞ্চায়তত দুই তিনিটা installment ত ৫০,৬০,৭০, ৮০ লাখলৈকে আহে। গতিকে আমি ভাৱিছিলো যে সেই 14th Finance Commission ৰ পুজিটোৱে যদি এই public demand বিলাক fulfill কৰি দিব পাৰো তেনেহলে আমাৰ যথেষ্ট pressure টো লাঘৱ হয়। সেই কাৰণে আমি এই কথাটো গুৰুত্ব দিওঁ যাতে public demand ত scheme বিলাক লোৱা হয়। আঁচনিসমূহ selection কৰোতে এটা nexus থাকে মাননীয় অধ্যক্ষ মহোদয়। nexus টো হ'ল যে তেওঁলোকে আঁচনিবিলাক গ্ৰহণ কৰোতে এনেকৈ কৰে যে public demand থকা বিলাকক গুৰুত্ব নিদিয়ে, নিদে য'ত আঁচনিবিলাক ধৰিলে লাভৱান হ'ব সেইটো লয়।

গতিকে guideline টো যাতে কটকটীয়া হয়, এই মাননীয় মন্ত্ৰী মহোদয়ে বিশেষকৈ পঞ্চায়ত আৰু গ্ৰাম্যন্নোয়ন বিভাগৰ মন্ত্ৰীয়ে কটকটীয়া কৰিব লাগে। public demand neglect কৰিব নালাগে।

**শ্ৰী প্ৰফুল্ল মহন্ত, বঢ়মপুৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam Appropriation (No. 2) Bill, 2020 উত্থাপন কৰিছে বিত্ত মন্ত্ৰী ডাঙৰীয়াই, যত চৰকাৰখনে বিচাৰিছে ৬২,৯০,০০০.০০ টকা towards defraying the several charges which will come in course of payment for the financial year 2020-21 in respect of services specified in the column 2 of the schedule. গতিকে চৰকাৰখনে এই টকাৰ সৎ ব্যৱহাৰ কৰিব বুলি মই আশা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া দেখা গৈছে এটা অঞ্চলৰ উন্নয়নৰ কাৰণে connectivity হৈছে আচল কথা। গতিকে এই ক্ষেত্ৰত বহুত দলং, বহু ৰাষ্টা চৰকাৰখনে হাতত লৈছে। কিন্তু তাক implement কৰাৰ ক্ষেত্ৰত কিছুমান ঠাইত কিছুমান অসুবিধাই দেখা দিছে। আজি বোকাজানৰ বিধায়ক গৰাকীয়ে আজি এটা কথা কোৱাৰ কাৰণে বৰ আনন্দিত হৈছো যে তেখেতৰ তাত যিবিলাক ৰাষ্টা বনালে Tea Garden ৰ মানুহে ঘৰত থকাকৈ ৰাষ্টা থকা ভাল বুলি কয়। আনহাতে মাননীয় অধ্যক্ষ মহোদয়, অসমত আটাইতকৈ প্ৰসিদ্ধ জলপ্ৰপাত হৈছে চাপানলা। কিন্তু অসম দৰ্শনত অন্তৰ্ভুক্ত নহ'ল চাপানলা, বাদুলীখৰাং, ৰত্নাৰলী থান, ঐতিহাসিক ঠাই। এই বিষয়টো আজিৰ দৈনিক অসম বাতৰি কাকতত উত্থাপিত হৈছে আৰু তাত মোকো সমালোচনা কৰিছে যে প্ৰফুল্ল কুমাৰ মহন্তৰ সমষ্টি বঢ়মপুৰৰ উন্নয়নৰ প্ৰতি চৰকাৰৰ অৱহেলা। মই বোলে তাত পিঠি দি আহিছো। ইয়াৰ উন্নয়নৰ কাৰণে কোনো ব্যৱস্থা হাতত লোৱা নাই। মই মাননীয় মূখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী দুয়োগৰাকী আছে তেখেতসকলক অনুৰোধ কৰিছো যাতে উন্নয়নৰ কাৰণে তেখেতসকলে মনোযোগ দিয়ে। ৰত্নাৰলী থানৰ যিটো ৰাষ্টা বনোৱাৰ কথা আছিলে, মাননীয় অধ্যক্ষ মহোদয়, তাৰ কোনো প্ৰচেষ্টা হাতত লোৱা নাই। আৰু আটাইতকৈ ডাঙৰ কথা মাননীয় অধ্যক্ষ মহোদয় যে বঢ়মপুৰ বিধান সভা সমষ্টিত যিবিলাক পথাৰত কাম আৰম্ভ হ'বলৈ গৈছে তাৰে কেইটামানত দেখা গৈছে যে এজন ৰাজনৈতিক ব্যক্তি (দালাল বুলিও কব পাৰে) যাৰ বিৰুদ্ধে বেংক জালিয়তিৰ চি বি আই enquiry চলি আছে। তেওঁলোকক দায়িত্ব দিয়া হৈছে। তেওঁলোকে অফিচত যায় আফিচাৰক কয় যে মন্ত্ৰীয়ে ফোন কৰিছে এই ৰাষ্টাটো অমুকক দিব দিছে। এনেধৰণে কিছুমান কাম চলি আছে। আৰু সেই ব্যক্তিজনে ঠিকাদাৰবিলাক ৫ শতাংশ দিবৰ কাৰণে দাবী জনাইছে।

গতিকে মই এই বিষয়তো বিত্তমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো কাৰণ তেখেতৰ নামটোও ব্যৱহাৰ কৰি আছে। যাতে টকাখিনি সৎ ব্যৱহাৰ হয় আৰু প্ৰতিটো ৰাষ্টা বা দলং নিয়ম কানুনৰ মাজেদি হব পাৰে। আৰু আপোনালোকে জানে ৰত্মাৱলী থানৰ নিচিনা ঐতিহাসিক ঠাই, এইখনৰ বিষয়ে **প্ৰৱনতো** লিখা আছে বাতৰিটো, গতিকে মই কবলৈ নাযাওঁ। ঠিক তেনেকৈ বাদুলি খৰাংৰ বিষয়েও তেনেকৈ tourism ৰ এক উৎকৃষ্ট ঠাই হ'ব পাৰে। সেই বিষয়েও কোৱা আছে। চাপানলা জলপ্ৰপাত সকলোৰে চাবলৈ যায়, গতিকে মই চৰকাৰক অনুৰোধ জনাইছো যে তেখেতসকলে যাতে এই বিষয় কেইটাৰ ওপৰত চকু ৰাখে। আৰু আনহাতে এই বিধান সভাত মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত মাননীয় বিত্তমন্ত্ৰী আৰু ক'পৰেচন মন্ত্ৰী হিচাবে আৰু পাটোৱাৰী ডাঙৰীয়া উদ্যোগ বিভাগৰ মন্ত্ৰী হিচাবে প্ৰতিশ্ৰুতি দিছিল যে অসম সমবায় চেনীকলৰ কামবোৰ revive কৰা হ'ব। কৰ্মচাৰী এক সংখ্যকে VRS পালে, এক সংখ্যকে এতিয়াও পোৱা নাই। গতিকে তেওঁলোকৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব পাৰিলে ভাল যাতে মানুহখিনি উপকৃত হব।তাৰ লগতে নগাওঁ কাগজ কল আৰু কাছাৰ কাগজ কল দুটা কাৰ্যক্ষম কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে আমি আনন্দিত হ'ম। কাৰণ কাছাৰ কাগজ কলৰ ছাত্ৰ-ছাত্ৰীসকলে fees দিবৰ বাবে ৰাস্তাত ভিক্ষা কৰিবলগীয়া হৈছে। ঠিক তেনেদৰে, জাগীৰোড কাগজ কলৰ ছাত্ৰ-ছাত্ৰীসকলেও বিভিন্ন পন্থা হাতত লৈছে যাতে তেওঁলোকে জীয়াই থকাৰ সম্বল বিচাৰি পায়। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিছো আৰু এই বিষয় কেইটাত চকু দিব বুলি মই আশা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্বেৰমান আলী আহমেদ ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ বৰ গুৰুত্বপূৰ্ণ তথা জ্বলন্ত সমস্যা বানপানী আৰু গৰাখহনীয়াৰ বিষয়ে চমুকৈ ক'ম। গৰাখহনীয়াৰ সমস্যাটো আটাইতকৈ ডাঙৰ তথা জ্বলন্ত সমস্যা আৰু ইয়াৰ প্ৰতি লক্ষ্য ৰাখি সদনে দহ-বাৰ মানতকৈ অধিক এই সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰিছিল, কিন্তু আজিলৈকে এই সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰা হোৱা নাই। অধ্যক্ষ মহোদয়, এই সমস্যাটো সমাধানৰ বাবে মই ব্যক্তিগতভাৱে, আনকি DRSCৰ তৰফৰ পৰা এই ক্ষেত্ৰত substantially fund বঢ়াবৰ বাবে কেইবাবাৰো recoomendtation দিয়া হৈছিল। এই ক্ষেত্ৰত যোৱা বছৰ দেখিবলৈ পাইছিলো যে বিভিন্ন শিতানৰ পৰা fund বঢ়াই প্ৰায় ১০০০ কোটি টকা কৰা হৈছিল আৰু তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, অধ্যক্ষ মহোদয়, এই ১০০০ কোটি টকাও sufficient নহয়। আমি যদি গৰাখহনীয়া ৰোধ কৰিব নোৱাৰো তেতিয়াহ'লে আমি টকা খৰচ কৰি যিমানেই ৰাস্তা-ঘাট, স্কুল ইত্যাদি নবনাও কিয়, সি ফলপ্ৰসূ নহ'ব। মোৰ ৫ কোটি টকাৰ RCC bridge এখন এতিয়াও নদীৰ মাজত পৰি আছে। অধ্যক্ষ মহোদয়, এইবাৰ SOPD (FDR) ত মথাউৰি বনোৱাৰ বাবে যথেষ্টখিনি টকা দিয়া হৈছে, কিন্তু, গৰাখহনীয়া যদি ৰোধ কৰা নহয় তেন্তে মথাউৰি ভাঙি যাব আৰু তাৰ পিছত আকৌ নতুনকৈ মথাউৰি বান্ধিব লাগিব। সেয়েহে, আমাৰ মূল লক্ষ্য হ'ব লাগে যে-নদীখন যাতে মথাউৰিৰ ফালে নাহে, বিপৰীত দিশে ঠেলিব লাগে আৰু তাৰ বাবে গৰাখহনীয়া নিয়ন্ত্ৰণ হ'ব লাগে। অতি দুৰ্ভাগ্যজনক যে আগতে বাজেটত 'erosion' বুলি কোনো head নাছিল। কিন্তু, আমি ভাল পাইছো যে এইবাৰ বাজেটত erosion বুলি head create কৰা হৈছে । গতিকে অধ্যক্ষ মহোদয়, সমগ্ৰ অসমৰ স্বাৰ্থত মই আপোনাক অনুৰোধ জনাইছো যে এই erosion head ত যাতে substantially fund

দিয়া হয়। দ্বিতীয়তে, erosion protectionৰ বাবে যিবোৰ scheme লোৱা হয়, সেইবোৰ চাৰি কোটি, পাঁচ কোটি, এশ কোটি, ডেৰশ কোটিৰ তলত নহয় অৰ্থাৎ ই খুব costly হয়, কিন্তু অসমত যিমান গৰাখহনীয়া হৈ আছে আৰু ইয়াক প্ৰতিৰোধৰ বাবে যিমানখিনি টকাৰ প্ৰয়োজন হ'ব, তাৰ বাবে a mega project is needed, which we do not see in the near distance. অধ্যক্ষ মহোদয়, মই মোৰ ব্যক্তিগত অভিজ্ঞতা এটাৰ বিষয়ে ক'ব বিচাৰিছো। পাহাৰপুৰ বামুণদংৰা অঞ্চলত প্ৰবল গৰাখহনীয়া হয়, যাৰ ফলত মই কোনো উৰাদিহ নাপাই মন্ত্ৰী মহোদয়ৰ কাষ চাপোতে তেখেতে SDRF ত টকা দিব বুলি জনাইছিল। কিন্তু, তাৰ formalilty বোৰ কৰোতে দুই-তিনিমাহ লাগিব। ইফালে মোৰ চাৰি-পাঁচখন গাঁৱৰ যাওঁ যাওঁ অৱস্থা। মই তেতিয়া উপায়বিহীন হৈ Directorate of Inland Waterways Authority of India ৰ Director ক আমন্ত্ৰণ জনোৱাত তেওঁলোকে ৮ ঘন্টাত ৫০০ মিটাৰ খনন কৰি দিয়ে, যাৰ ফলত মোৰ চাৰিখন গাওঁ, প্ৰায় দহ হাজাৰ জনসংখ্যা ৰক্ষা পৰিল, কিন্তু আৰু ডেৰ কিঃমিঃ খনন কৰিব লাগে।

আমাৰ DRSC ৰ তৰফৰ পৰা ৫খন Dredger কিনাৰ বাবে recommendation কৰা হৈছে, সেয়েহে, মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাও যে এই ৫ খন Dredger যাতে অতি সোনকালে procure কৰাৰ ব্যৱস্থা হয়। অসম চৰকাৰে এখন Dredger প্ৰায় ১৮-২০ কোটি টকাৰে কিনিছে, ইমান দামী Dredger নহ'লেও, অলপ customize কৰি ২ ৰ পৰা ৫ কোটি টকাৰ ভিতৰত আৰু দহখন মান সৰু সৰু Dredger কিনি প্ৰতিখন erosion prone জিলাতে যদি এখনকৈ Dredger ৰাখিব পৰা যায় তেন্তে আমাৰ বহু কোটি টকা ৰাহি হ'ব।

অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো erosion affected সমষ্টি আৰু আমাৰ MLAAD/ Untied Fund ৰ যোগেদি erosion ৰ আঁচনি ল'ব বিচাৰো, কিন্তু, বহু সময়ত বিষয়াসকলে কয় যে সেইটো permanent in nature হ'ব লাগিব। Erosion ৰ scheme টো হ'ল bamboo screening and objective is siltation. যিহেতু siltation হয়, bamboo screening ৰে erosion ৰ কাম স্থায়ী নহ'ব, সেয়েহে তেনে আঁচনি ল'ব দিব নোৱাৰে বুলি বিষয়াসকলে কয়। মাননীয় অধ্যক্ষ মহোদয়, erosion ৰ কাৰণে, if the objective is permanent, if our purpose is served, bamboo screening is only a mean, not the end, end is siltation, গতিকে মই আপোনাৰ যোগেৰে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে আমাক MLAAD and Untied Fund ৰ যোগেদি erosion control ৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ যদি অনুমতি দিয়ে তেন্তে আমি কৃতজ্ঞ হ'ম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেৰে বাজেট আৰু অসমৰ ভৱিষ্যতৰ লগত জড়িত কেইটামান বিষয় চৰকাৰক অৱগত কৰিব বিচাৰিছো। কেন্দ্ৰীয় চৰকাৰে দেশৰ দক্ষ্য আৰু অভিজ্ঞ ব্যক্তিসকলক লৈ NITI Ayog গঠন কৰিছে যাৰ পৰিকল্পনা আৰু পৰামৰ্শৰে কেন্দ্ৰীয় চৰকাৰে দেশৰ বিভিন্ন বিভাগসমূহ পৰিচালনা কৰি আছে। ঠিক তেনেদৰে, অসমতো State Innovation and Transformation Ayog (SITA) গঠন হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় তাৰ অধ্যক্ষ । আমি এই আয়োগৰ expert সকলক লগ পাইছো,

তেওঁলোকে কিছু recommendation দিয়া বুলি জানিব পাৰিছো। এজন শুভাকাংক্ষীয়ে আমাক এই SITAৰ recommendation সহ এটা Report দিছিল। এতিয়া সময় নাই বাবে দীঘলীয়াকৈ পঢ়ি দিব বিচৰা নাই। গতিকে বাজেটৰ ক্ষেত্ৰত SITAৰ recommendation সমূহ লৈ বিত্ত মন্ত্ৰীয়ে কাম কৰাৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো। দ্বিতীয়তে, ২০১৫ চনত গোটেই বিশ্বৰ এক গুৰুত্বপূৰ্ণ সভা Geneva ত অনুষ্ঠিত হৈছিল য'ত SDG নামেৰে ১৭ টা Goal লৈ সমগ্ৰ পৃথিৱীতে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই ক্ষেত্ৰত ভাৰতো ব্যতিক্ৰম নহয়। সেই অনুসৰি অসমতো বৰ্তমানৰ চৰকাৰে প্ৰথম ৰাজ্য হিচাপে SDG লোৱাৰ কথা ঘোষণা কৰিছিল। কিন্তু, চৰকাৰী প্ৰতিবেদন- 'Economic Survey of Assam, 2019-20' ৰ page no. 281 ত কৈছে - **3. Poor Ranking and Categorization: Reason and Ongoing Interpretation**- The Goal wise indicators in the report of 2018 reflects poor performance of Assam. The report states possible reason behind the poor performance and points out ongoing interpretation to improve position of the State as discussed in the following paragraphs... অৰ্থাৎ আমি ২০৩০ৰ ভিতৰত SDG ক লৈ বাজেট সমূহ প্ৰস্তুত কৰিব লাগিব, তাৰ বাবে আমাৰ হাতত মাত্ৰ ১০ বছৰহে সময় আছে। গতিকে, চৰকাৰে SDG ৰ সম্পৰ্কত বিত্তৰ শিতানটো আগবঢ়াই লৈ যাবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই অনুৰোধ জনাইছো।

ইয়াৰোপৰি, কৰিমগঞ্জৰ হাতীক্ষিৰা চাহ-বাগিচা ৭ মাহ আগতে বন্ধ হৈ গৈছে, ঠিক তেনেদৰে সোণাৰী সমষ্টিৰ শিঙৰাজান বাগানো প্ৰায় বন্ধ হৈ যোৱা পৰ্যায় এটাৰ দৃষ্টিগোচৰ হৈছে। এই বিষয়টো মই যেতিয়া উত্থাপন কৰিছিলো, তেতিয়া মাননীয় শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ ডাঙৰীয়াই আশ্বাস দিছিল যে চাহ-বাগিচা সন্দৰ্ভত বিশেষ আলোচনা হ'ব। সেয়েহে, চাহ-বাগিচাৰ সন্দৰ্ভত এটা আলোচনা ৰখাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো।

মই আৰু কেইটামান সৰু বিষয় চুই যাব বিচাৰিছো। যোৰহাটত প্ৰথমখন Homeopathic College, Dr. J. K. Saikia Homeopathic College & Hospital স্থাপন হৈছিল আৰু মই শুনিবলৈ পাইছো যে এই Homeopathic College খন গুৱাহাটীৰ Swahid Jadav Nath Homeopathic Medical College & Hospital ৰ লগত club কৰিব বিচাৰিছে। কিন্তু, আমি অনুসন্ধান কৰি জানিব পাৰিছো যে গুৱাহাটীত মাটিৰ পৰিমাণ যথেষ্ট কম। সেয়েহে, Homeopathic College & Hospital খন যোৰহাটতে ৰখাৰ বাবে আহ্বান জনাইছো।

আমি সকলোৱে জানো যে অসম-নাগালেণ্ড সীমাৰ বিষয়টো ১৯৮৮ চনৰ পৰা Hon'ble Supreme Court ত case চলি আছে আৰু এই সন্দৰ্ভত মহামান্য উচ্চতম ন্যায়ালয়ে দুই ৰাজ্যক আপোচ মীমাংসাৰে সমাধান কৰিবলৈ নিৰ্দেশনা দিছিল। কিন্তু দেখা গৈছে যে এই ক্ষেত্ৰত নাগালেণ্ডে State share maintain নকৰি অসমলৈ আগবাঢ়ি আহি আছে। মোৰ সমষ্টি মৰিয়নীৰ Mogroi অঞ্চলৰ চৰকাৰী মাটিত BOP স্থাপন হ'ব লাগিছিল, কিন্তু এতিয়ালৈ হোৱা নাই। গতিকে এই Mogroi BOP টো স্থাপন হ'ব লাগে আৰু সীমাৰ issue টোত চৰকাৰে গুৰুত্ব প্ৰদান কৰিব লাগে।

আমাৰ ৰাজ্যৰ ৮০% ই গ্ৰামাঞ্চল য'ত গাওঁ পঞ্চায়তৰ প্ৰতিনিধিসকলে সেৱা আগবঢ়াই

আছে। এই প্ৰতিনিধিসকলে পূৰ্বৰ চৰকাৰৰ মুখ্যমন্ত্ৰীৰ পৰা ৫ মাহৰ আৰু বৰ্তমানৰ চৰকাৰৰ মুখ্যমন্ত্ৰীৰ পৰা ৬ মাহৰ মাননি পাইছিল। কিন্তু, তেওঁলোকে এতিয়া মাননি নোপোৱাকৈ পেটত গামোচা বান্ধি কাম কৰিব নোৱাৰে। আমাৰ গ্ৰামাঞ্চলসমূহে যিহেতু পঞ্চায়তৰ প্ৰতিনিধিসকলৰ ওপৰতে নিৰ্ভৰ কৰিব লাগে, সেয়েহে, প্ৰতিনিধিসকলৰ মাননিৰ কথা চৰকাৰে চিন্তা কৰিলে ভাল পাম।

অধ্যক্ষ মহোদয়, ২০১৭-১৮ বৰ্ষৰ Untied Fund ত ২০ লাখ টকা মই এতিয়াও পাবলৈ থাকি গ'ল, গতিকে এই পইচাখিনি মোকলাই দিলে ভাল পাম। তাৰোপৰি, স্কুল বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ Gr.-III & Gr.-IV কৰ্মচাৰীৰ সংক্ৰান্তত আমাৰ সঘনে চিন্তা-চৰ্চা কৰি থকা হয়, গতিকে আমি আশা ৰাখিছো আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে উক্ত পদত কৰ্মৰত কৰ্মচাৰীসকলৰ নিয়মীয়াকৰণ তথা তেওঁলোকৰ মাননি বৃদ্ধি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

অধ্যক্ষ মহোদয়, Smti Monsoon Borkakoti, ACS, মাৰ্ঘেৰিটা Revenue Circle ৰ Circle Officer। এই বিষয়া গৰাকীৰ দেউতাক General category ৰ, গতিকে তেখেতৰ জীয়ৰী কেনেদৰে কোঁচ-ৰাজবংশী হ'ব পাৰে, সেই সন্দৰ্ভত enquiry বিচাৰি আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এখন আবেদন দিছিলো আৰু ইয়াৰ ওপৰত CID enquiry ও হৈছিল। কিন্তু তাৰ একো ফল জানিব পৰা নগ'ল। গতিকে এনেদৰে CID enquiry ৰ প্ৰতিবেদনৰ ওপৰত চৰকাৰে যদি ব্যৱস্থা গ্ৰহণ নকৰাকৈ আছে বা কোনো বিষয়া-কৰ্মচাৰীয়ে যদি কৰ্মস্থলীত হেমাহি কৰি আছে, তেন্তে এনেবোৰ বিষয়ত অনতিপলমে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে চৰকাৰক আবেদন জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া হাফিজ বচিৰ আহমেদ ডাঙৰীয়া।

**হাফিজ বচিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৩ টা সৰু বিষয় উত্থাপন কৰিব বিচাৰিছো। প্ৰথমটো হ'ল- শিক্ষা জগতত আজিৰ দিনলৈকে বহুতো ভেঞ্চাৰ স্কুল আছে। বহু স্কুল তথা শিক্ষক-শিক্ষয়িত্ৰীৰ চাকৰি এতিয়ালৈকে প্ৰাদেশিকীকৰণ হোৱা নাই। কিছুমান Technical ground ত আজিও এই স্কুলবোৰ প্ৰাদেশিকৃত হোৱাৰ পৰা বাদ পৰি আছে। Assam Non-Government Educational Institutions (Regulation and Management) Act, 2006 মতে যিবোৰ স্কুলৰ প্ৰাদেশিকীকৰণ হ'ব লাগিছিল, সেই স্কুলসমূহৰ Recognition and Permission পোৱা date ৰ কিছু খেলি-মেলিৰ বাবে আজিও বহু সংখ্যক প্ৰাদেশিকৃত হোৱাৰ পৰা বঞ্চিত হৈছে। সেয়েহে, মই মাননীয় বিত্ত মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে এই ভেঞ্চাৰ স্কুলৰ concept টো যাতে চিৰদিনৰ বাবে শেষ কৰি তেনে স্কুলত কৰ্মৰত যিবোৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পদৰ প্ৰাদেশিকীকৰণ হোৱা নাই, সেইসমূহ প্ৰাদেশিকীকৰণ কৰিব লাগে।

দ্বিতীয়টো হ'ল- বিধান সভাৰ বিগত অধিবেশনত আগৰ শিক্ষা মন্ত্ৰী মহোদয়ে কৈছিল যে মাদ্ৰাছা টেটৰ পদবোৰত একাধিক মোকৰ্দমা চলি থকাৰ বাবে সেই পদসমূহত নিযুক্তি দিব পৰা নাই আৰু এই মোকৰ্দ্দমাবোৰ শেষ হোৱাৰ পিছতেই নিযুক্তি দিব। কিন্তু, এতিয়ালৈকে এই পদবোৰত নিযুক্তি দিয়া হোৱা নাই। গতিকে এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

তৃতীয়তে, Minority Development ৰ বাবে, বিশেষকৈ চৰ অঞ্চলত, বিভিন্ন আঁচনি দিয়া হয় আৰু এই আঁচনিৰ অধীনত মানুহক ছাতি বিতৰণ কৰা হয়। এটা ছাতিৰ দাম ১০০ টকাও নহয়, কিন্তু এই ছাতি এটা আনিবলৈ যাওঁতে এজন লোকৰ ১০০ টকাতকৈ অধিক খৰচ হয়। গতিকে, আমি এই concept টো সলনি কৰিব লাগে। Asset creation আৰু ইয়াৰ infra-

structure development ৰ বাবে আমি কিছুমান আঁচনি ল'ব লাগে। গতিকে, এই ক্ষেত্ৰত পদক্ষেপ লোৱাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া নন্দিতা দাস।

**মাননীয় শ্ৰীমতী নন্দিতা দাস, (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তত যথেষ্টখিনি পইচা আহে আৰু এই বিষয়ে এজন সদস্যই ইতিমধ্যে কৈ গৈছে। 14th Finance ত যিখিনি পইচা আহে, তাৰে আমি পাওঁ ১ কোটি টকা আৰু তেওঁলোকে পায় ২-৩ কোটি টকা। আমি ভালেই পাইছো, কিন্তু, গাওঁ অঞ্চলত যি ধৰণৰ উন্নয়নমূলক কাম হ'ব লাগিছিল, সেইখিনি হৈ উঠা নাই। মাননীয় সদস্যজনে কোৱা ধৰণে নল'বলগীয়া কিছুমান আঁচনি লোৱা হয়। Chairman গৰাকীয়েও সময়মতে মিটিং পতাৰ বাবে সময় দিব নোৱাৰে। যাৰ ফলত বছৰটোত instalment বোৰ পাওঁতে, আঁচনিবোৰ approve আৰু implement হওঁতে সময় লাগে। অধ্যক্ষ মহোদয়, আমাৰ কামৰূপ (গ্ৰাম্য) জিলা, আমিনগাঁৱৰ কাৰ্যালয়ত Executive Engineer নাই, এজন in-charge হিচাপে আছে যাৰ ফলত কামবোৰ বহুত দীঘলীয়া হৈছে। গতিকে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে। আমি বানপানীৰ সময়ত দিয়া raised platform ৰ আঁচনিবোৰ পেলাই থয়, approve নকৰে। এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে আমি দিয়া আঁচনিবোৰ BD বা DC level ত অগ্ৰাধিকাৰ দিব লাগে। ধন্যবাদ।

**মাননীয় শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত সাম্প্ৰতিক পৰিস্থিতিত আমাৰ ৰাইজে যুঁজি আছে, accordingly আমাৰ চৰকাৰেও যুঁজি আছে। আমি দেখিবলৈ পাইছো যে আমাৰ infrastructure poor বুলি কৈছে যদিও আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই বহু আন্তৰিকতাৰে task কৰি আছে। অধ্যক্ষ মহোদোয়, এইখিনিতে মোৰ এটা পৰামৰ্শ আছে যে আমাৰ অসমৰ ৰাইজৰ কাৰণে 'অৰুণোদয় আঁচনি'টো বৰ ভাল হ'ব। কিয়নো, আজি আবেলিৰ পৰা অসমত Lock Down হ'ব, এনে স্থলত দিন হাজিৰা কৰা দুখীয়া মানুহৰ কাৰণে বহুতো অসুবিধা হ'ব। গতিকে, এই ক্ষেত্ৰত টকাটো যদি ১০ হাজাৰৰ পৰা ২৫ হাজাৰ কৰা যায়, তেন্তে দুখীয়া মানুহৰ কাৰণে বহুত সহায় হ'ব বুলি মই ভাৱো।

অধ্যক্ষ মহোদয়, মই দেখিবলৈ পাইছো যে ২০১৯-২০ বৰ্ষৰ বাজেটত বৰাকত শ্বহীদ স্মাৰক স্থাপন কৰা হ'ব বুলি উল্লেখ আছে। কিন্তু, আজিৰ প্ৰশ্নৰ উত্তৰত জানিব পাৰিলো যে এনে কোনো সিদ্ধান্ত হোৱা নাই। কিন্তু, এই কথাটো বাজেটত লিপিবদ্ধ আছিল। সেয়েহে, মই এই বিষয়টো মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰোপৰি, আমাৰ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়খনৰ অৱস্থা একেবাৰে বেয়া। এই বিষয়ে মন্ত্ৰী মহোদয় অৱগত, তেখেতে চিকিৎসালয়খন visit ও কৰিছে। MCH open হৈছে, তাৰে প্ৰথম মহলাটোত কিছু কাম চলি আছে যদিও দ্বিতীয় মহলা বন্ধ হৈ আছে, Dialysis বন্ধ হৈ আছে। কৰিমগঞ্জত যিহেতু এনেকুৱা মাত্ৰ এখন প্ৰতিষ্ঠানেই আছে, গতিকে, এই ক্ষেত্ৰত ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক পঠিয়াই বিষয়টো চালি-জাৰি চোৱাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

আপোনালোকে বেয়া নাপাব, কিন্তু, Appropriation Bill ত কি ধৰণৰ কথা আলোচনা কৰিব পাৰি সেই বিষয়ে মই আপোনালোক সকলোকে অধ্যয়ন কৰিবলৈ কওঁ। Appropriation Bill খনৰ মূলতে হ'ল চৰকাৰৰ policyসমূহ । চৰকাৰে দিয়া বাজেটখনৰ কোনটো policy ত আমি কম বা বেছিকৈ গুৰুত্ব দিছো আপোনালোকে সেই সম্পৰ্কত ক'ব লাগে। বহুতে

জানে, বহুতে ভালকৈও কয়। মই আপোনালোকক একো ক'ব খোজা নাই। কিন্তু, এইটো মই সদনত সদায় misuse কৰিব দিব নোৱাৰো। সেয়েহে মই সদনক অনুৰোধ কৰিম যে Appropriation Bill সন্দৰ্ভত কোৱাৰ আগতে প্ৰত্যেকটো দলে যাতে একেলগে বহি আলোচনা কৰি লয় যে বাজেটত অন্তৰ্ভুক্ত কোনকেইটা policy ৰ সন্দৰ্ভত ক'ব। মই এতিয়া মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ কৈছো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় স্বাস্থ্য মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, 14th Finance ৰ partটোত আমাৰ নৱ দলে' ডাঙৰীয়াই ক'বলৈ দিয়াৰ বাবে অনুমতি বিচাৰিছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। কওঁক।

**শ্ৰী নৱ কুমাৰ দলে', মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া আৰু মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে চতুৰ্দশ বিত্তীয় আয়োগৰ পুঁজিৰ আঁচনি গ্ৰহণ সম্পৰ্কে কৈছে। মাননীয় অধ্যক্ষ মহোদয়, চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি গ্ৰহণ কৰা সন্দৰ্ভত জনাব বিচাৰিছো যে এই আঁচনিবোৰ গাওঁসভাৰ জৰিয়তেহে গ্ৰহণ কৰা হয়। কোনো আঁচনিয়েই Block পৰ্যায়ত গ্ৰহণ কৰা নহয় আৰু যদি priority থাকে তেন্তে গাওঁসভাৰ যোগেদিয়েই priorities সমূহ তালিকাভুক্ত কৰা হয়। মাননীয় সদস্য দুগৰাকীয়ে যি বিষয় উত্থাপন কৰিছে, এই বিষয়ে আমি পৰীক্ষা কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়া।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় স্বাস্থ্য মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত মই 'Assam Appropriation Bill, 2020' উত্থাপন কৰিছিলো আৰু ইয়াক গৃহীত কৰাৰ বাবে মাননীয় সদস্যসকলক অনুৰোধ কৰিছিলো। আজি যিখন Appropriation Bill আনিছো, তাৰ জৰিয়তে এই সদনে অসম চৰকাৰক অহা বিত্তীয় বৰ্ষত ১,০৩,৭৬১.০০ কোটি টকা ব্যয়ৰ বাবে অনুমোদন দিব আৰু সেই ধৰণেই আমি আজি সদনত 'বিনিয়োজন বিধেয়ক, ২০২০'খন উপস্থাপন কৰিছো। প্ৰথম কথা হ'ল যে, অসমত যোৱা ২-৩ টা বছৰত আমাৰ বাজেটখনত ১ লাখ টকাৰ যি সংখ্যা তাক পাৰ কৰি উত্থাপন কৰিছো আৰু আমি প্ৰতি বছৰে চেষ্টা কৰিছো যে target টো অলপ বেছিকৈ ৰাখি তাক কেনেকৈ follow কৰিব পাৰো। এই ক্ষেত্ৰত দুটা model আছে। প্ৰথমটো হ'লে- আমি বাজেট ৮০ হাজাৰ টকাৰ কৰিম আৰু ৮০ হাজাৰ টকাই খৰচ কৰি ১০০% ব্যয় হোৱা বুলি ক'ম। আকৌ, আনটো হ'ল- আমি বাজেট বেছিকৈ ধৰি তাক ৰূপায়ণৰ বাবে বিভাগসমূহত চেষ্টা কৰিম যাতে এটা নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'ব পাৰো। যোৱা বিত্তীয় বৰ্ষত আমি ৭৩ হাজাৰ কোটি টকা খৰচ কৰিবলৈ সক্ষম হৈছিলো আৰু মোৰ অনুমান অনুসৰি এই বিত্তীয় বৰ্ষত আমি প্ৰায় ৮৫ হাজাৰ কোটি টকা খৰচ কৰাৰ ফালে গতি কৰিছো। ইতিমধ্যে আমি ৮০ হাজাৰৰ সংখ্যা পাৰ কৰিছো। সেই দৃষ্টি-ভংগীৰ ফালৰ পৰা বিত্তীয় দিশত ৰাইজৰ যি আশা-আকাংক্ষা আছিল সেইবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰিছো আৰু কিছু পৰিমাণে হ'লেও সফল হোৱা বুলি আমি ক'ব পাৰো যদিও বহু দূৰ বাট এতিয়াও যাবলৈ বাকী আছে।

সন্মানীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যিখিনি প্ৰশ্ন উত্থাপন কৰিলে, স্বাভাৱিক ভাৱে, ৰাস্তা-ঘাটৰ ক্ষেত্ৰত মই ভাৱো যে সকলো সমষ্টিকে এটা level লৈ একে ৰাখি সম-বিতৰণৰ বাবে আমি চেষ্টা কৰিছো। কিন্তু, ক'ৰবাত হয়তো communication gap হৈ যায়, যাৰ ফলত আমাৰ মনত এনেকুৱা প্ৰশ্নৰ উত্থাপন হয়। প্ৰথমতে, অসম দৰ্শন আঁচনিত কোনো আঁচনি অন্তৰ্ভুক্ত কৰা নাই। যোৱা বিত্তীয় বৰ্ষৰ আগতেও আমি জিলা উপায়ুক্ত সকলক অসমৰ প্ৰতিটো

সমষ্টিত ১০০ বছৰ পুৰণি যি অনুষ্ঠান আছে, তেনে ১০ টা অনুষ্ঠানৰ নাম দিবলৈ কৈছিলো আৰু এই এনেদৰে ১০ টাকৈ নাম দিয়া প্ৰক্ৰিয়াত জিলা উপায়ুক্তৰ বাহিৰে কোনো দালাল বা তেনে প্ৰকৃতিৰ মানুহ জড়িত নাই। মই নিশ্চিতভাৱে জানো যে নগাওঁ জিলাৰ উপায়ুক্তজনৰ বিৰুদ্ধে কোনো বেংক আদিৰ গোচৰ মজুত নাই। গতিকে মোৰ one point contact হ'ল নগাওঁ জিলাৰ উপায়ুক্ত। তাৰ বাহিৰে দ্বিতীয়, তৃতীয় কোনো পক্ষকে যোগাযোগ কৰা নাই। এতিয়া মাননীয় সদস্য মহন্ত ডাঙৰীয়াই কোনজন মানুহৰ কথা কৈছে মই চিনিও নাপাওঁ বা তেখেতৰ কথা একো নাজানো। মই video conference কৰি নগাওঁ জিলাৰ উপায়ুক্তক ১০ টা অনুষ্ঠানৰ নাম দিবলৈ কৈছিলো । এতিয়া উপায়ুক্তই যদি তাত চাপানলা, বাদুলীখোৰোং বা ৰত্নাৱলীৰ নাম অন্তৰ্ভুক্ত নকৰিলে, তেন্তে সেই বিষয়ে আমি জিলা উপায়ুক্ত ডাঙৰীয়াক আনুষ্ঠানিক ভাৱে সুধিব লাগিব যে উক্ত স্থান সমূহ আপোনাৰ priority ত কিয় নপৰিলে? এইবাৰো বাজেট দিয়াৰ আগতে বিত্ত বিভাগৰ প্ৰধান সচিব ডাঙৰীয়াই নগাওঁ জিলাৰ উপায়ুক্ত ডাঙৰীয়াৰ লগত নিজেই কথা পাতি যোৱাবাৰ বাদ পৰি যোৱা তিনিটা অনুষ্ঠানৰ নাম দিবলৈ কৈছিল আৰু এনেদৰে প্ৰথমবাৰ দহটা অনুষ্ঠানৰ নাম অন্তৰ্ভুক্ত হ'ল আৰু দ্বিতীয়বাৰ তিনিটা অনুষ্ঠানৰ নাম অন্তৰ্ভুক্ত হ'ল। গতিকে ১৩ খন থান অন্তৰ্ভুক্ত কৰাৰ পিছতো যদি কোনোবা এখন থানে সেই লিষ্টত স্থান নাপায় তেন্তে মই ভাৱো যে এই ক্ষেত্ৰত জিলা উপায়ুক্ত ডাঙৰীয়াক কৈফিয়ৎ তলব কৰিব লাগিব । কিয়নো এই প্ৰক্ৰিয়াত মাজৰ মানুহৰ কোনো ধৰণৰ ভূমিকা নাই। আমি অকল বঢ়মপুৰ সমষ্টিয়েই নহয়, সকলো সমষ্টিৰ ক্ষেত্ৰত জিলা উপায়ুক্তৰ লগতহে কথা পাতো। ১২৫ জন বিধায়কে বা গৰিষ্ঠ সংখ্যক বিধায়কে জানে যে এই ক্ষেত্ৰত জিলা উপায়ুক্তসকলে তেওঁলোকৰ লগত ফোন কৰি হ'লেও আলোচনা কৰে আৰু উপায়ুক্তসকলৰ লগত বিধায়কসকলেও তেনে ধৰণৰ সংযোগ ৰাখে। এতিয়া বঢ়মপুৰত, that chain of communication কিয় break হৈছে সেইটো জানিব লগীয়া কথা আৰু বিশেষকৈ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ দৰে মৰ্যাদা সম্পন্ন ব্যক্তি এগৰাকীয়ে যেতিয়া এটা সমষ্টি প্ৰতিনিধিত্ব কৰে, তাত chain of communication টো break হোৱাৰ প্ৰশ্ন আহিব নোৱাৰে আৰু আমাৰ ফালৰ পৰাও কোনো নিৰ্দেশ নাই যে বঢ়মপুৰৰ বিধায়কক নুসুধিব, বেলেগ এজনক সুধিব বা আমি তেনে ধৰণৰ কোনো নিৰ্দেশনা দিয়াৰ প্ৰশ্নও উঠিব নোৱাৰে। গতিকে, মই সন্মানীয় সদস্য গৰাকীক অনুৰোধ কৰিম যে তেখেতেও জিলা উপায়ুক্তৰ লগত মোৰ কথাখিনি এবাৰ verify কৰি লওঁক আৰু মইও verify কৰিম। দ্বিতীয়তে, সদনত কোনোবা সদস্যই কয় যে- ইঞ্জিনীয়াৰ এজন গ'লেই ৫% দিব লাগে। এনেকুৱা ইঞ্জিনীয়াৰ যদি অসমত থাকিলেহেঁতেন- যে কোনো কথা নাই, প্ৰশ্ন নাই, মাজৰ মানুহ এজনে দাবী কৰিলেই ঠিকাদাৰজনেও ৫% দি দিয়ে, তেন্তে আমি সকলোৱে ধনী হৈ গ'লোহেঁতেন। এই ক্ষেত্ৰত আমাৰ সকলো বিধায়কৰে ৰাজহুৱা কাম কৰাৰ অভিজ্ঞতা আছে - নিৰ্বাচনৰ সময়ত ঠিকাদাৰৰ পৰা এটকাও উলিওৱাত কিমান কষ্ট হয়, ঠিকাদাৰ সকলে ফোন বন্ধ কৰি থয়, তেওঁলোকক যোগাযোগ কৰিব পৰা নাযায় আৰু কোনেও টকা নিদিয়ে। ৰাস্তাৰ লিষ্টখনহে বিধায়কজনে দিছে। ৩০ কোটি টকাৰ লিষ্ট এখন বঢ়মপুৰৰ পৰা আহিছে। মই মিটিঙত স্পষ্টভাৱে ইঞ্জিনীয়াৰজনক লিষ্টখন বিধায়কগৰাকীক দেখুৱাই ল'বলৈ কৈছো আৰু মই বিশ্বাস কৰো যে ৩০ কোটি টকাৰ যি লিষ্ট আহিছে সেয়া সন্মানীয় বিধায়কগৰাকীৰ নজৰত আছে, সকলো ৰাস্তা বিধায়কজনৰ মতে হৈছে বুলিও মই নকওঁ, দুই-এটা ৰাস্তা ইঞ্জিনীয়াৰ সকলেও অন্তৰ্ভুক্ত কৰে। কিন্তু, বিধায়কগৰাকীৰ নজৰত নথকাকৈ বঢ়মপুৰৰ পৰা ৩০ কোটি টকাৰ লিষ্ট অহা নাই। এতিয়া, ৩০ কোটি বুলি ক'লে বাকী বিধায়কসকলেও ক'ব যে আমাৰ তাত ৩০

কোটি অহা নাই, এই ক্ষেত্রত মই ক'ব বিচাৰিম যে সকলোৰে তাত ২০-২৫ কোটিলৈকে আহি আছে আৰু সকলোৰে ৩০ কোটিৰ মাত্ৰাটো পাবগৈ, কাম চলি আছে।

অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে ৰত্নাৱলী থানৰ ৰাস্তাটো হোৱা নাই বুলি কৈছে, কিন্তু, মই সেই ৰাস্তাটোত নিজেই খোজকাঢ়ি আহিছো। ৰাস্তাটোত ধুনীয়াকৈ pavers block লাগি আছে। কামপুৰৰ পৰা ৰত্নাৱলী থানৰ ৰাস্তা নিৰ্মাণৰ কাম হোৱাৰ বাবে মই, Executive Engineer, Contractor, Chief Engineer, Deputy Commissioner সকলক লৈ এটা Whatsapp Group খুলিছো আৰু সদায় ৩ বজাত ৰত্নাৱলী থানৰ ৰাস্তাটোৰ কাম কিমান আগবাঢ়িল সেই বিষয়ে মোক তেওঁলোকে ফটো সহকাৰে জনাব লাগে, তাৰ পিছত মই comment দিওঁ। এতিয়া যদি কামপুৰৰ পৰা ৰত্নাৱলী থানলৈ যোৱা ৰাস্তাৰ কথা নকৈ ৰহাৰ পৰা ৰত্নাৱলী থানলৈ অহা ৰাস্তাৰ কথা কয়, তেন্তে মই নাজানো। কিন্তু, যিটো ৰাস্তাৰে মোক সন্মানীয় বিধায়ক মহন্ত ডাঙৰীয়াই মোক খোজকঢ়াই লৈ গৈছিল, সেই ৰাস্তাটো ভাল বুলিয়েই মোৰ হাতত ফটো সহকাৰে তথ্য আছে। আনকি মই নিজৰ এই দুভৰিৰে সেই pavers block ৰ ৰাস্তাত খোজকাঢ়ি আহিছো। তাৰোপৰি, প্ৰমিলাৰ পৰা কামপুৰত আহিবৰ বাবে বঢ়মপুৰ সমষ্টিত extra টকা দিয়া হৈছে, কামপুৰৰ ওপৰত দ্বিতীয়খন দলং নিৰ্মাণৰ বাবে extra টকা দিয়া হৈছে, গতিকে বঢ়মপুৰ সমষ্টি ভাগ্যৱান। অসমৰ আন সমষ্টিতকৈ ৰাস্তাৰ কাৰণে কিমান টকা বেছিকৈ অনুমোদন দিছো সেই বিষয়ে বিধান সভাৰ পৰৱৰ্তী অধিবেশনত মই টোকা দি দিম। ইয়াৰ ফলত অৱশ্যে মই বহু সদস্যৰ সমালোচনাৰ সন্মুখীন হ'ম। ইমান ৰাস্তা কেৱল এটা সমষ্টিতে কিয় দিছো বুলি শাসক পক্ষৰেই হওঁক বা বিৰোধী পক্ষৰেই হওঁক, বহুতে হয়তো মোক বেয়া পাব । গতিকে, মই আশ্বস্ত কৰিব বিচাৰিছো যে এই গোটেইকেইটা ৰাস্তাৰ অনুমোদন সন্মানীয় বিধায়কগৰাকীৰ পৰাই আহিছে, আন কোনো মাজৰ ব্যক্তিৰ পৰা অহা নাই। ৰাস্তাৰ তালিকা দিব বিধায়ক মহোদয়ে, ৰূপায়ণ কৰিম মই, ঠিকাদাৰো দিব L1ৰ ভিত্তিত, তাৰ পিছতো কোনোবাই যদি সন্মোহন শক্তিৰে ৫% মাজৰ পৰা নিব পাৰে তেন্তে সেই মানুহজনক অসমৰ বিত্ত মন্ত্ৰী পাতিব লাগিব। কিয়নো এনেদৰে সন্মোহন কৰি তে খেতে G.S.T. ৰ কাৰণেও ৫% আনিব পাৰিব। মই ভাৱো এইবিলাক hearsay কথা আৰু hearsay কথাবোৰত গুৰুত্ব দিব নালাগে। এনেকুৱা এজন ব্যক্তি আছে যিয়ে অহা বিধান সভাত বঢ়মপুৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ ইচ্ছা ৰাখে, তেওঁ সামাজিক কাম কৰিব খোজে, ৰাস্তাৰে মানুহৰ ঘৰত যাব খোজে। মই প্ৰথমবাৰ ৰাজনীতিত আহোতে সন্মানীয় ভৃগু ফুকন ডাঙৰীয়া জালুকবাৰী সমষ্টিৰ বিধায়ক আছিল, তেখেতে কাম কৰিছিল বা কৰা নাছিল সেইটো বেলেগ কথা। কিন্তু, মই বিধায়ক হোৱাৰ পিছত কিছু আঁচনি আনিছো। কোনোবাটো যদি মই অনাও নাছিলো, সেইটো মই অনা বুলিয়েই কৈছিলো। So, this is a trick and part of democratic policy. আজি আমি যি আঁচনি আনো, সেই বিষয়ে কংগ্ৰেছৰ প্ৰত্যেকজন বিধায়কে ৰাইজক কয় যে সেইবোৰ তেওঁলোকৰ দিনতে sanction হৈছিল। মই কেইদিনমান আগতে নাজিৰা সমষ্টিত ৰাস্তাৰ কামৰ বাবে ৬০ কোটি টকা sanction কৰি থৈ আহিছো। মই কৰাৰ পিছতো দেৱব্ৰত শইকীয়া ডাঙৰীয়াই মোক তালিকা দিছে আৰু বিধান সভাতো কৈ আছে। ইমান দিনে সেই কাম হোৱাই নাছিল, কাৰণ, এটা সমষ্টিত ৬০ কোটি দিয়াৰ প্ৰশ্নই নুঠে, ২০-৩০ কোটিহে দিব পাৰি। শিৱসাগৰত দিয়া হৈছে, কিন্তু, আজি সেই কামৰ অনুমোদন মই দিয়া বুলি কোনে জানিব? মাননীয় অধ্যক্ষ মহোদয়, মই নাজিৰা সমষ্টিত ৬০ কোটি টকাৰ ৰাস্তা এটা কেইদিনমান আগতে চেংচন কৰি থৈ আহিছিলো। মই কৰাৰ পিছত মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই

তালিকা দিছে। বিধান সভাতো কৈ আছে। কিন্তু ইমান দিন হোৱা নাছিল। কাৰণ এটা সমষ্টিত ৬০ কোটি টকা দিয়াৰ প্ৰশ্নই নুঠে। ৩০ কোটি টকাহে দিব লাগিব। শিৱসাগৰত আজি দিয়া হৈছে। শিৱসাগৰ এখন টাউন। কিন্তু মই দিয়া বুলি কোনে জানিব। মই ঘোষণা কৰি কাম কৰি অহাৰ অলপ পিছত মোৰ ওচৰত Whats App আহে যে আমাৰ বিধায়ক জনে কৰি দিছে আৰু আপোনাক জনাব বিচাৰিছো। এতিয়া “অসম মালা”ৰ ৰাস্তাৰ কাম চলি আছে। সকলো বিধায়কে কয়, তেওঁলোকে আনিছে, তেওঁলোকে কৰিছে। কিন্তু ৰাস্তা মই ঠিক কৰিলো। ইঞ্জিনিয়াৰে Whats App কৰিলে, Road Network বনালে। এটা এটাকৈ এটা ৰাস্তাৰ ওপৰত ১ বছৰ আলোচনা কৰিলো। এতিয়া বিধান সভাতো বিধায়ক সকলে কয় যে মই ৰাস্তা এটা আনিছো, সন্মানীয় বিধায়কে আৰু ২ কিলোমিটাৰ বঢ়াই দিব পাৰে নেকি? ১০ কিলোমিটাৰ তেখেতেই আনিলে। মোৰ কাম কেৱল ২ কিলোমিটাৰ ৰাস্তা বঢ়োৱা। ১২ কিলোমিটাৰ মোৰ কোনো কামেই নাই। গণতন্ত্ৰত এইবোৰ চলিয়েই থাকিব। আমি এইবোৰ ignore কৰিব লাগে। কালি যদি বঢ়মপুৰ সমষ্টিত ইঞ্জিনিয়াৰিং কলেজ এখন ঘোষণা হয়, সেই মানুহজনে আগতেই ক'ব পাৰে কাৰণ তেওঁ আমাৰ দলৰ সদস্য আৰু ইয়াৰ বিষয়ে অলপ জানে। তেওঁ আগতেই ঘোষণা কৰিব যে আমি লৈ আহিলো। সেইটো মানুহে জানে। যিজনে কাম কৰিব মানুহে তেওঁকেই স্বীকৃতি দিব। মানুহৰ মুখৰ কথা আমি কেনেকৈ বন্ধ কৰিব পাৰো। এনেকুৱা কিমান মুখৰ কথা আগতে কংগ্ৰেছৰ মানুহে মহন্ত ডাঙৰীয়াৰ কথা কৈছিল। কিন্তু মহন্ত ডাঙৰীয়াইতো জিকিয়েই আছে। ৰাইজে সঁচা কথাটো জানে, কোনে কেনেকৈ আনিছে? আমিও বহু কথা কওঁ। কিন্তু কোৱাৰ পিছতো ৰাইজে পৰীক্ষা কৰিব। সেইকাৰণে মই ভাৱো যে অসমৰ্থিত কথা কৈ পৰিৱেশ নষ্ট কৰাৰ কোনো প্ৰয়োজন নাই। ৰত্নাৱলী থানৰ বিষয়ে তেখেতে কৈছে আৰু মই ব্যক্তিগতভাৱে সন্মান কৰো। আজি ‘অসম দৰ্শন'ৰ ১০ লাখ টকা এই মূহূৰ্ততে মই ইয়াত অন্তৰ্ভুক্ত কৰিছো। এইবিলাকত কোনো ৰাজনীতি নাথাকে। মই নিজেও কৈছো যে এই থানখন পুৰণি থান। ইয়াত ৰত্নাৱলী পুঁথি খন পাইছিল। তাৰ পৰাই ধৰা হৈছিল আৰু তাতেই এতিয়া ৰত্নাৱলী থান নামৰ দুটা মন্দিৰ হ'ল আৰু মই এটা নহয় দুয়োটা মন্দিৰতেই ১০ লাখ টকা আজি ঘোষণা কৰিলো। এইটো কেৱল বঢ়মপুৰৰেই সম্পদ নহয়, অসমৰ সম্পদ। গতিকে ইয়াত কোনা কথা নাই। দ্বিতীয়তে মাননীয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই চাহপাত বাগানৰ কথা কৈছে। এইটো হয় যে কঠিন পৰিৱেশৰ মাজত অসমৰ চাহ বাগিচা সমূহে দিন পাৰ কৰিছে। বজাৰ কমি গৈছে, সঠিক দাম পোৱা নাই। আমি ভয় খাওঁ যে টাটাৰ নিচিনা কোম্পানীয়ে যোৱা ৩টা বছৰে একেৰাহে লোকচান কৰিছে। আগতে এটা চাইকেল বুলি কোৱা হৈছিল যে এটা লোকচানৰ পিছত ৩ আৰু ৪ বছৰৰ পিছত লাভ হয়। কিন্তু যোৱা ৫ বছৰত আমাৰ চৰকাৰৰ দিনত সৌভাগ্য নহ'ল যে আমি সেই চাইকেলটো দেখা। অৰ্থাৎ Up swing. আমাৰ দিনত প্ৰথমৰ পৰা তলতে পৰি থাকিম আৰু এতিয়াও পৰিয়েই আছে। এতিয়া চাহৰ consumtion ৰ পৰা আদি কৰি বজাৰ কমি গৈছে। কিন্তু Over Production হৈ আছে। অসমৰ কাৰণে খুব শক্তিশালী সংকেত নহয়। আমি চেষ্টা কৰিছো, Agricultural Income Tax নোহোৱা কৰিলো। চেচৰ ওপৰত আমি টেক্স নোহোৱা কৰিলো। এইবাৰ আমি তেওঁলোকে বেংকৰ পৰা ঋণ ল'লে ৩ শতাংশ সুদ কমাই দিছো আৰু অৰ্থডক্স পাত তৈয়াৰ কৰিলে আমি ৮ টকা ইনচেনটিভ দিয়াৰ কথা বাজেটত ঘোষণা কৰিছো। বাগিচাসমূহ জীয়াই ৰখাৰ বাবে আমি আপ্ৰাণ চেষ্টা কৰিছো। আমাৰ মাননীয় শ্ৰম মন্ত্ৰী ডাঙৰীয়াই প্ৰতিশ্ৰুতি দিয়াৰ দৰে বাগিচসমূহ কোনো কাৰণতে যাতে মৃতপ্ৰায় নহয়। তেওঁ আলোচনা কৰিব আৰু ব্যৱস্থাও ল'ব। দৰকাৰ হ'লে বাগিচা দুখনত নিজে যাব। সেই ক্ষেত্ৰত বিত্ত

বিভাগে যি ধৰণে সহায় কৰিব লাগে, সেইখিনি আমি নিশ্চয় সহায় কৰিম। মাননীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই এইবাৰ গড়াখহনীয়াৰ ওপৰত প্ৰথম বাৰ এই সদনত বহুখিনি আলোচনা হ'ল। কিন্তু অসম বিধান সভাই বা অসমৰ বাজেটত কেতিয়াও গড়াখহনীয়াৰ ওপৰত হেড হোৱা নাছিল। এইবাৰ আমি গড়াখহনীয়াৰ ওপৰত প্ৰথম হেড এটা আৰম্ভ কৰিলো। তাৰ ওপৰত আমি build up কৰিম। কিন্তু এম এল এ আৰু আনটাইড ফাণ্ডত আমি গড়াখহনীয়াৰ কাম কৰিবলৈ এই কাৰণেই দিয়া নাই যে এটা বছৰ পিছত যদি গড়াখহনীয়াৰ বস্তুটো উৰি যায় আৰু মানুহে যদি RTI আদি কৰোতে ফটো আদি দিব নোৱাৰো, বিধায়ক জনে খুব controversy ত পৰি যাব। যদি কিবা কাৰণত সকলো উটি যায়, ডাঙৰ ডাঙৰ গছ পৰে বা এই সম্পত্তিসমূহ বিনষ্ট হৈ যায়, তেনেক্ষেত্ৰত আৰ টি আই কৰিলে আমি যদি ক'ব লাগে আজিৰ দিনত এই বস্তুটো নাই পিছত বিধায়ক জনৰ নিৰ্বাচনৰ সময়ত অসুবিধা হ'ব। আপোনালোকে জানে যে আজিকালি ৰাজনীতি খুব সংবেদনশীল হৈছে। সেইকাৰণে মই অনুৰোধ কৰিম যে ১ কোটি টকাৰ ১০ লাখ যদি আপুনি দিব বিচাৰিছে বা আনটাইড ফাণ্ডৰ ১৫ লাখ যিটো দিব বিচাৰিছে, এতিয়া যিহেতু গড়াখহনীয়াৰ বাবে হেড আৰম্ভ হৈছে। এই কামখিনি জলসম্পদ বিভাগৰ পৰা কৰাই লওঁক। আমাৰ সকলোৰে ৰাজনৈতিক ভৱিষ্যতৰ বাবে কৈছো যে অস্থায়ী কাম বিধায়কসকলে কৰিব নাপায়। আৰ টি আই খন কৰিব ইলেকশ্বনৰ বছৰটোৰ আগত। আপুনি প্ৰথম বছৰ জনপ্ৰিয় হৈ থাকোতে স্কীম বোৰ দিব, কামবোৰ কৰি থাকিব। বিৰোধীজন মনে মনে থাকিব। পঞ্চম বছৰত আৰ টি আই মাৰি ক'ব যে আমাক চিত্ৰখন দিব লাগে। কিন্তু আৰ টি আইৰ উত্তৰটো আপুনি গম নাপাব। টি এম ডি বিভাগৰ পৰা উত্তৰ দিব যে আমি ফটো দিব পৰা অৱস্থাত নাই। অমুকে কোৱা মতে বস্তুটো উৰি গৈছে। দ্বিতীয় জন গাওঁৰ মানুহে ক'ব যে নাই আমাৰ ইয়াতো বনোৱাই নাছিল। সেইকাৰণে আনটাইড আৰু এম এল এ ফাণ্ডত আমি স্থায়ী কাম বনাও। যাতে চিন, মুকাম থাকে। এইটোত আমি ভাল কথা চিন্তা কৰি কৰো। কেতিয়াবা যদি সকলো বিধায়কে সিদ্ধান্ত লৈ কয় যে আমাক অস্থায়ী কাম কৰিবলৈ অনুমতি দিয়ক, After realising all the reparation তেতিয়া আমি সিদ্ধান্ত সলনি কৰিব পাৰো At some point of. কিন্তু আজিৰ দিনত আমি ভাল উদ্দেশ্যতহে অস্থায়ী কাম কৰিব নিদিও। কেৱল বাঘবৰ সমষ্টিৰ বাবে আমি অনুমতি দিব নোৱাৰো। যদি সকলো বিধায়কে কোনোবা এটা মূহূৰ্তত আমাক কয় যে আমাক অস্থায়ী কাম কৰিবলৈ অনুমতি দিয়ক, তেতিয়া আমি চিন্তা কৰিম। কিন্তু আজিৰ দিনত যিহেতু সদনত এইটো concensus নাই, এই বিষয়টোত মই alternative দিছো যে জলসম্পদ বিভাগক যিহেতু হেড ক্ৰিয়েট কৰা হ'ল, সৰু সৰু স্কীমো আপুনি তাত দিব পাৰিব। সন্মানীয় বিধায়ক গৰাকীয়ে যেতিয়া তাত স্কীম দিব মাননীয় মন্ত্ৰী মহোদয়ে তাক বিবেচনা কৰিব। মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ যিটো ২০ লাখ টকাৰ সমস্যা আছে, মই বিভাগক নিৰ্দ্দেশ দিম যে অনুগ্ৰহ কৰি মোৰ তাত Whats App কৰি দিব। I will ensure, যাতে এইটো চেংচন হৈ যায়। সন্মানীয় বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থ দেৱে কৈছে যে কৰিমগঞ্জ চিকিৎসালয়খন সেই অঞ্চলৰ একমাত্ৰ চিকিৎসা লয়। মই তাত বহুত বাৰ গৈছো। কৰিমগঞ্জ আৰু হাইলাকান্দিৰ চিকিৎসা ব্যৱস্থাটো খুব এটা ভাল ব্যৱস্থা নহয়। তাক মই স্বীকাৰ কৰো। চেষ্টা সকলোৱে কৰিছে কিছু উন্নত হৈছে। আজিৰ পৰা ৬-৭ বছৰ আগৰ যিখন হস্পিতাল, এতিয়া সেইখন হৈ থকা নাই। কিছু ভাল হৈছে। কিন্তু যেতিয়া অসমৰ বাকী চিকিৎসালয় বিলাক চোৱা যায় তেতিয়া কৰিমগঞ্জ চিকিৎসালয় খনত কৰিবলগীয়া কাম বহুত বাকীআছে। এইটো মই সন্মানীয় বিধায়কজনৰ লগত স্বীকাৰ কৰিম। মাননীয় ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া তালৈ যাব

আৰু চেষ্টা কৰিব। মোৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক সকললৈ অনুৰোধ যে আপোনালোকে লগ লাগি মোক মেডিকেল কলেজৰ ঠাইখিনি ঠিক কৰি দিয়ক। আমি এইটো আৰম্ভ কৰিব বিচাৰো। মেডিকেল কলেজখন হৈ গ'লে পৰিৱেশটো পৰিৱৰ্ত্তন হ'ব। সকলো বিধায়কে একেলগে বহি সৰ্ব সন্মতিক্ৰমে জাগাখিনি ঠিক কৰিব লাগে। এতিয়া পাথাৰ কান্দিৰ বিধায়কে কয় তেওঁক লাগে, ৰাতাবাৰীয়ে কয় তেওঁক লাগে, যিটোতে দিম তেওঁ ক'ব যে এইজন দুৰ্ব্বল তেওঁৰ সমষ্টিত মেডিকেল আনিব নোৱাৰিলে। তেওঁ পিছৰ নিৰ্বাচনত পৰাজয় বৰণ কৰিব। সেইকাৰণে এইটো এটা প্ৰেষ্টিজলৈ ৰূপান্তৰিত হৈ গ'ল। মই ভাৱো যে সকলো বিধায়কে ভাৱিব লাগে যে আমি য'তেই নিদিয়ক কিয়, কোনো বিধায়কে হাৰা নাই। একেলগে সকলো বিধায়কে মিলি ঠাই এটা ঠিক কৰি দিব লাগে নহ'লে বা মই জবাবদিহি হ'ম কোনো দোষ নোহোৱাকৈ। মোৰ সাহস নাই, ৰাতাবাৰীত দিলে পাথৰ কান্দিৰ মানুহে মোক বেয়া পাব আৰু পাথৰ কান্দিত দিলে ৰাতাবাৰীৰ মানুহে মোক বেয়া পাব। কৰিমগঞ্জ টাউনত দিবলৈ মাটি নাই বুলি ডি চি মহোদয়ে কৈছে। নহ'লে কৰিমগঞ্জ টাউন আটাইতকৈ ভাল ঠাই হ'লহেঁতেন। কৰিমগঞ্জ টাউনত দিবলৈ আমাৰ কোনো প'লিটিকেল কথা নাই। বিধায়ক শাসকীয় দলৰে হওঁক বা বিৰোধী দলৰে হওঁক। মই যদি কৰিমগঞ্জ টাউনত ১০০ বিঘা মাটি পোৱা হ'লে সকলোতকৈ ভাল হ'লহেঁতেন। কিন্তু সকলো ফালৰ পৰা মাটি নাই বুলি কয়। মই কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া আৰু কৰিমগঞ্জ জিলাৰ সকলো বিধায়কে লগ হৈ যে আমি কোনো হাৰা নাই, আমি কোনেও প'লিটিকেল ইচ্যু নকৰো বুলি ভাৱি জেগা এটা ঠিক কৰি দিয়ক। তেতিয়াহে কৰিমগঞ্জত মেডিকেল হ'লে স্বাস্থ্য সেৱাৰ পৰিৱৰ্ত্তন হ'ব। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিবলৈ মই অনুৰোধ কৰিলো। ড্ৰেজাৰৰ যিটো কথা হয়, আমি ড্ৰেজাৰ কিনি আছো এই গোটেই বিষয়কেইটা মই শেষত কম বুলি ভাৱি আছো। SDG Goal ৰ ক্ষেত্ৰত প্ৰথম আৰম্ভ কৰিছে। কিন্তু SDG Goal ৰ সমস্যাটো হ'ল মেক্সিমাম বাজেট চফট্ কামত ব্যৱহাৰ কৰিব লাগে। ছোৱালীৰ শিক্ষা আদি কাম ব্যৱহাৰ কৰিব লাগিব। আমাৰ আৰু এটা হেঁচা আছে যে আমি কেপিটেল এক্সপেনণ্ডিচাৰ কৰিব লাগে। কাৰণ আমাৰ কেপিটাল এক্সপেনণ্ডিচাৰ কম। কেইদিনমান আগতে ইউনিচেপ আৰু নিটি আয়োগে আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু উত্তৰ-পূবৰ মুখ্যমন্ত্ৰী সকলক লগত লৈ আমাৰ ইয়াত SDG কৰিছিল। আমি দিল্লীত কৈছো যে SDG implement কৰিবৰ বাবে আমাক এক্সট্ৰা ফাণ্ড লাগে। নিটি আয়োগৰ চি ই অ' আৰু ভাইচ চেয়াৰমেন আহিছিল। তেওঁলোকে কৈছে যে আমি ফাইনেঞ্চ কমিশ্বনক কম। যদি এলোকেশ্বন আহে এই দিশত আমি কাম কৰিব পাৰিম। পঞ্চায়তৰ ওপৰত পঞ্চায়ত ডাঙৰীয়াই উত্তৰ দিছে। কিন্তু এটা কথা ঠিক যে যি ধৰণে আমাৰ পঞ্চায়ত গ্ৰামোন্নয়ন মন্ত্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া আছিল। তেতিয়া পঞ্চায়তৰ ফাণ্ডখিনি Implement কৰোতে তেওঁ কিছু Direction দিছিল যে এটা পুখুৰী হওঁক, এটা মঞ্চ হওঁক। অৰ্থাৎ স্কীমবিলাকৰ ক্ষেত্ৰত এটা Central guidance আছিল যে কি কি স্কীম হ'ব পাৰে? আমি যোৱা ২-৩ বছৰে বহুত পইচা পালো। Assam Finance Commission, 14th Assam Finance Commission. কিন্তু ভৰত চৰকাৰৰ গাইড লাইন মতে কামবোৰ কৰিব দিছো। গতিকে Multiple Activities হৈছে। কোনোবাই স্কুল বনাইছে, কোনোবাই ৰাস্তা বনাইছে। এইবাৰ আমি চেষ্টা কৰিছো যে আমাৰ হাতত যিখিনি গ্ৰাণ্ট আহিব, তাক আমি এটা Direction ত লৈ যাব পাৰো নেকি যে পিভাৰ ব্লকৰ ৰাস্তা বনোৱা বা স্কুল বিলাক চেঞ্জ কৰা। আমাৰ টিংখং সমষ্টিৰ বিধায়ক মহোদয়ে তেওঁ Finance Commission ৰ পইচা দি অকল স্কুলবিলাক এক ফালৰ পৰা বনাই গৈছে। পঞ্চায়ত সকলে তেওঁক

সহযোগিতা কৰিছে বা Direction লৈছে। মোৰ তাতো মই চেষ্টা কৰিছো বা Direction লৈছে। মোৰ তাতো মই চেষ্টা কৰিছো যে খালী শ্মশানবিলাক বনাইছো, Finance Commission ৰ টকাদি। কাৰণ মানুহক শ্মশান লাগে, কবৰস্থান লাগে। আমি এটা সৰু Direction দিব চেষ্টা কৰিছো। এইবাৰ চেণ্ট্ৰেল Direction ৰ বহুতখিনি টকা আমাৰ হাতত আহিছে আৰু last installment টো আমি দিব লাগে। এইবাৰ আমি ঠিক কৰিছো যে মাৰ্চ মাহত last installment টো নিদিওঁ। এপ্ৰিল মাহত দিম। ৭ শতাংশ ভাৰত চৰকাৰক আমি interest দিব লাগে আমি দিম। গতিকে এটা Direction ত আমি লৈ যাব পাৰো নেকি, তাৰ বিষয়ে নিশ্চয় আমি চেষ্টা কৰিম। অধ্যক্ষ মহোদয়, এই কথাখিনি মোৰ জেনেৰেল উত্তৰ যে আমি যিখন বাজেট প্ৰস্তুত কৰিলো এইখিনি উত্তৰ দিয়াৰ পিছত মই নিজকে নিজে প্ৰশ্ন কৰিব খুজো যে আমি বিচৰা মতে বিলবোৰ আগবাঢ়িব নে নাই? কাৰণ আমি যিটো পৰিৱেশৰ মোকাবিলা কৰিছো, কি পৰিৱেশ আমি অহা মাহত দেখা পাম নিজেই নাজানো। আজি আমি 'লক ডাউন' কৰিছো। লক ডাউন নামানিলে কালি-পৰহি 'কাৰ্ফিউ' দিব লাগিব। কিন্তু যেতিয়া আমি এই পৰিৱেশত আগুৱাই যাম আজি মঠাউৰিৰ কাম চলি আছে। এই মঠাউৰিবিলাক কোনে বন্ধ কৰিব? এই মঠাউৰিবিলাক বন্ধ নকৰিলে পানী সোমাব। যদি কাৰ্ফিউ , লক ডাউন এটা পৰ্য্যায়ৰ আগলৈকে দিওঁ, তেতিয়া ৰাইজক কোনে চাউল-ডালি বিলাব? দৈনিক হাজিৰা কৰা মানুহবিলাকৰ কি অৱস্থা হ'ব? এটা সাংঘাতিক সংকট পূৰ্ণ দিনত আমি আজি উপনীত হৈছো। ঠিক আছে এই সাত দিন লক ডাউন হৈছে, মানুহৰ অলপ চিন্তা-চৰ্চ্চা আছিল, মানুহে মানিব। এইবাৰ বিহু নহ'ব। বিহু নোহোৱাৰ লগে লগে আৰ্টিষ্ট, কলা-কুশলী তেওঁলোকৰ এক প্ৰকাৰ গোটেই বছৰটো এটা ডাঙৰ প্ৰশ্ন হ'ব। কাজিৰঙাত 'টুৰিজিম' একপ্ৰকাৰ সম্পূৰ্ণ বন্ধ হৈ গ'ল। 'টুৰিজিমৰ' লগত জড়িত মানুহবিলাকৰ সাংঘাতিক দুঃখ আৰু কষ্ট হৈছে। এওঁলোকক কি ধৰণে compensate কৰিব পাৰি আমিও নাজানো আৰু লাহে লাহে আমি যিটো পৰিৱেশত সোমাম, যদি বিজ্ঞানে ভেকচিন বা ঔষধ দিব নোৱাৰে তেতিয়া আমি কি পৰ্য্যায়লৈকে যাম, সেইটো আমি নিজেও নাজানো। এই বাজেট খন তেতিয়া বাজেট হৈয়ে থাকিব নে বাজেট খনৰ গোটেই চৰিত্ৰটোৱেই সলনি হৈ যাব তাৰ বিষয়েও আমি নাজানো। আজি বহুতেই কৈছে যে "অৰুণোদয়" আঁচনিখন যোৱা বছৰেই আনিব লাগিছিল আৰু মইয়ো অনুভৱ কৰো যে এই আঁচনিখন যোৱা বছৰেই আনিব পৰাহেঁতেন ভাল আছিল। বৰ্তমান যদি "অৰুণোদয়" আঁচনিৰ অন্তৰ্গত লোকসকলৰ বেংক একাউণ্টৰ তথ্যখিনি মোৰ হাতত থাকিলহেঁতেন, তেতিয়াহ'লে মই ১০০০ টকাকৈ দিম বুলি ক'ব পাৰিলোহেঁতেন। বহুতো মুখ্যমন্ত্ৰীয়ে বিভিন্ন সময়ত ঘোষণা কৰি আহিছে যে তেওঁলোকে ১০০০, ১৫০০ টকাকৈ দিব । কিন্তু কথাটো হ'ল যে সেই টকা কাক দিব, কেনেকৈ দিব? ঠিক তেনেদৰে আজি যদি মই কওঁ যে মইয়ো ৰাইজক ২০০০ কৈ টকা দিম, কিন্তু সেই টকা মই কেনেকৈ দিম? কাৰ জৰিয়তে দিম ইত্যাদি কথা আহি পৰিব কাৰণ আমি কোনেও একো নাজানো। আমি এতিয়া পঞ্চায়তকো ক'ব নোৱাৰো যে আমি আপোনালোকক টকাখিনি দিলো আৰু আপোনালোকে এই টকাখিনি ৰাইজক বিতৰণ কৰি দিব। বিধায়ক সকলকো ক'ব নোৱাৰো কাৰণ তেওঁলোকৰ ঘৰতো টকা ল'বৰ বাবে ৰাইজৰ লাইন লাগি যাব। যিহেতুকে বৰ্তমান সময়ত "কৰ'ণা ভাইৰাছে" ভয়াৱহ ৰূপ ধাৰণ কৰি আছে সেয়েহে আমি জনসমাগমো কৰিব নোৱাৰো। ইয়াৰোপৰি "উজলা আঁচনি" ৰ অন্তৰ্গত ৩৫ লাখ লোকৰ বেংক একাউণ্টৰ তথ্য আমাৰ হাতত আছে আৰু সেই বেংক একাউণ্ট সমূহত মাহিলি গেচৰ চাবচিডি সোমায়। ৮ লাখ চাহ বাগিচাৰ শ্ৰমিকৰ বেংক একাউণ্ট আমাৰ হাতত আছে। অন্ততঃ কালি চৰকাৰে কিবা এটা সিদ্ধান্ত

ল'লেও এই বেংক একাউণ্ট কেইটাক আমি ইউজ কৰিব পাৰিম। শ্ৰমিক সকলৰ যিখন ব'ৰ্ড আছে, Labour Welfare Commission বা কাউঞ্চিল আছে। য'ত আমি চেচ লওঁ। তাত প্ৰায় ৪০-৫০ হাজাৰ শ্ৰমিকে কাম কৰা বেংক একাউণ্ট নাম্বাৰ আমাৰ লগত আছে। বহুবিলাক কথা অহা ৭ টা দিনত চিন্তা কৰিব লাগিব । এই পৰিৱেশত ৰাস্তা বনাব পাৰো নে নাই? এই গোটেই যিবিলাক ভাল ভাল এনাউঞ্চমেণ্ট আমি কৰিলো এইবিলাক থাকে নে নাই? "অসম দৰ্শন" হয়নে নে নহয়, কোনেও নাজানে? ভগৱানক প্ৰাৰ্থনা কৰিব পাৰো এই দুৰ্যোগটো যাতে অহা ১০-১৫ দিনত নাইকিয়া কৰি দিয়ে। কিন্তু এই দুৰ্যোগটো পলম হয়, এম এল এ ফাণ্ডৰ টকাটো আপোনালোকে পাব নে নাই? কি পৰিৱেশৰ বা আমি মোকাবিলা কৰিব লাগে। টেক্সটো লগাব পৰা নাযাব। কাৰণ মানুহৰ হাতত টেক্স দিব পৰা সক্ষমতা নোহোৱা হৈ যাব। পেট্ৰ'ল ডিপোৰ পৰা টেক্স পাওঁ। জনতা কাৰ্ফিউ অহাৰ লগে লগে গাড়ীত তেল ভৰোৱা মানুহ নোহোৱা হৈ যাব। What will be the economy impact of these disease. Nobody knows.ভাৰত চৰকাৰেও কি সহায় কৰিব পাৰিব আমিও নাজানো। কাৰণ ভাৰত চৰকাৰৰো একেই অৱস্থা । তেওঁলোকেও টেক্স উঠাব নোৱাৰিব। গতিকে এটা দুৰ্দিনৰ দিন বুলি যিটো কয়, তেনেকুৱা এটা ভয়াৱহ সংকটৰ দিন আমাৰ সন্মুখত আছে। ইয়াৰ উত্তৰ এটাই যে একত্ৰিতভাৱে আমি সকলোৱে থিয় দিব লাগিব। বিৰোধী, শাসক মত পৰ্থক্য এই গোটেইবোৰ দূৰ কৰি আমি সকলোৱে মিলি এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। আজিৰ দিনটোত অহা ৬ টা বজাৰ পৰা গোটেই অসমখন 'কৰ'ণা ভাইৰাছ'ৰ আলোচনা হ'লে বহুতে হয়তো খাদ্যৰ জোগাৰ কৰিব নোৱাৰিব। ঘৰৰ কাযত থকা মানুহজনী নিজৰ হাতৰ বস্তুৰ পৰা ওচৰ-চুবুৰীয়াক দিব লাগিব। নহ'লে এই বিপদৰ পৰা collectively ৰক্ষা পাব নোৱাৰো। গতিকে এই গোটেই কথাবিলাক কথাৰ উত্তৰ দিয়াৰ পিছতো বিনিয়োজন বিলৰ উত্তৰ দিয়াৰ পিছতো মই সকলোকে কম যে We can not deny this situation. য'ত ভৱিষ্যতটো কেনেকুৱা হ'ব, কি হ'ব আমি দেখাও নাই, নজানোও। মই আপোনালোকক যিমানেই প্ৰতিশ্ৰুতি নিদিও কিয়, গ্ৰেজিং মেচিন কিনি দিম, আনটাইড ফাণ্ড দিম, এম এল এ ফাণ্ড দিম, যিহেতু বিধান সভাত প্ৰতিশ্ৰুতিবোৰ ৰেকৰ্ড হয়, সেইকাৰণে মই লগত এটা কৈফিয়ৎ দিছো যে এই গোটেই কথাবোৰ নিৰ্ণয় কৰিব কৰ'ণা ভাইৰাছটোক আমি কেনেকৈ এপ্ৰোচ কৰিম। অনাগত দিনবিলাক আমাৰ কেনেকুৱা হ'ব? এটা কথা মই অনুৰোধ কৰিম যে আমি ১২৬ জন বিধায়কে সমাজখনক নেতৃত্ব দিছো। এই সময়ত আমাৰ কথা-বতৰা আমাৰ ব্যৱহাৰে মানুহক আশ্বস্ত কৰে। মই ভাৱো সামাজিক দূৰত্বই হওক, দুৰ্দিনৰ মানুহক একেলগে থকাৰ শিক্ষাই হওক, ৰাজনীতিৰ পৰা উৰ্দ্ধত গৈ মানৱতাৰ সেৱাতে হওঁক আমি সকলোৱে অনাগত দিনকেইটাত ৰাইজৰ লগত থাকিব লাগিব। সহযোগিতা কৰিব লাগিব। যিকোনো সিদ্ধান্তৰ বাবে নিজক মানসিকভাৱে প্ৰস্তুত কৰিব লাগিব। যদি বাজেট পৰিৱৰ্ত্তনৰ কথাও আহে বা আন কিবা কথাও আহে হাউচ নিশ্চয় আকৌ মাতি ল'ম। কিন্তু সমাধান নোহোৱা দিন এটাত আমি আছো। মই ভাৱো যে বিধায়ক সকলে আমাৰ চৰকাৰখনক সহযোগিতা কৰিব পৰা পৰম্পৰাৰ মাজেৰে এই বিপদৰ দিনকেইটাত একেলগে পাৰ কৰাৰ চেষ্টা কৰিম। বিনিয়োজন বিলৰ ওপৰত এই উত্তৰখিনি মই দিছো আৰু একেবাৰে মনত নাভাৱিব যে আমি কাৰোবাক ভেদভাৱ কৰিম। কাৰোবাৰ প্ৰতি আমাৰ বেয়াভাৱ আছে। এনেকুৱা কথা একো নাই। আমাৰ Whats App Number আছে। সকলো বিভাগীয় মন্ত্ৰী আছে। আপোনালোকোৰো কৰ'বাত 'অসম দৰ্শন'ৰ মন্দিৰ বাদ পৰি যায়, য'ত ১২০০ মন্দিৰ আমি দিছো তাৰ লগত এটা মন্দিৰ লগ লগাই দিয়াটো একো ডাঙৰ কথা নহয়। ইয়াত কোনো ৰাজনৈতিক কথা নাই। কাৰণ

মই জানো যে এইবিলাকৰ পৰা কোনো ভোট ও নাহে ভোট নকমেও। আটাইবিলাক হৈছে জন সেৱা আৰু যদি মোৰ জনসেৱা কৰাৰ ইচ্ছা আছে ১০ টাৰ ঠাইত ১১ টা মন্দিৰক অনুমোদন দিম। ইয়াত কোনো অসুবিধা নাই। ৰাজনীতিৰ পৰা উৰ্দ্ধত থাকি আমি কামখিনি কৰিম। এই দুই-আষাৰ কথা কৈ মই বিনিয়োজন বিল খন গ্ৰহণ কৰিবলৈ সন্মানীয় সদস্যসকলক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতি (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে শুনি ভাল পাইছো, ৰাজনৈতিক উদ্ধত থকাৰ কথা কৈছে। কিন্তু দুটামান কথা নকলে কিছু অসুবিধা হ'ব। যোৱা সময়ত ৰাস্তাৰ সম্পৰ্কত আলেচানা কৰিবলৈ শাসক পক্ষৰ সকলো বিধায়কক মতা হৈছিল। কিন্তু আমি বিৰোধী বিধায়ক সকলক মাতিব বুলি আজিলৈকে মতা নাই। আমি যিখিনি পাবলীয়া এতিয়াও পোৱা নাই। সেইকাৰণে যিটো 'সৱকা সাথ' সেইটো বিচাৰিছো। মোৰ সমষ্টিত ৬০ কোটি টকাৰ কাম দিয়া হ'ব বুলি তেখেতে কৈছে। যোৱা সময়ত অলপ অলপ কৈ প্ৰতি বছৰে দিয়া হ'লে আজি একে বছৰতে মোক একেলগে নালাগিলেহেঁতেন। বিধায়ক হিচাপে যোৱা সময়ছোৱাত যিখিনি ৰাস্তাৰ কথা কৈ আছিলো তাৰে এটাও পোৱা নাই। চৰকাৰে এই ক্ষেত্ৰত আমাক ৫ কোটিকৈ দিম বুলি কৈছিল। তেখেতে নিজে গৈও চাই আহিছিল। ৬০ কোটি টকা তেখেতে চোৱা ৰাস্তা কেইটাত দি যদি আমাৰ বিধায়কৰ দায়িত্ব পালন কৰিবলৈ দিয়ে। কাৰণ আমি সকলোৱো ইয়াত ৰাইজক প্ৰতিনিধিত্ব কৰিবলৈ আহিছো। সেইখিনি যদি দিব নিবিচাৰে তাতকৈ আৰু দুৰ্ভাগ্য জনক কথা নহ'ব। অসম দৰ্শনৰ ক্ষেত্ৰত কোনো সমষ্টিত ৩ টা আৰু কোনো সমষ্টিত ১০ টাও ৰাস্তা হৈছে। এই ক্ষেত্ৰত আৰু তেখেতে দিব পাৰিব বুলি কৈছে। মই শুনি ভাল পাইছো। মই এখন পত্ৰ আনিছিলো আৰু আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক আজি দিব বিচাৰিছো। মোৰ সমষ্টিৰ ৰাইজে বিচৰা কথাখিনি যাতে তেখেতে গ্ৰহণ কৰে। মোৰ 'Signature Project' ৰ এটা Pending হৈ আছিল। সেইটোও মই ৰাস্তাত দিব বিচাৰিছো। এই ক্ষেত্ৰত মই আশা কৰো যে মাননীয় মন্ত্ৰী মহোদয়ে সহযোগ কৰিব। ধন্যবাদ।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, গড়কাপ্তানী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দিব বা বাকবিতণ্ডাত যাব বিচৰা নাই। মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছত ৰাস্তা নিৰ্বাচনৰ কাৰণে ২০ কোটি টকা নাজিৰা সমষ্টিত দিয়া হৈছে। এতিয়া সেই ৰাস্তাকেইটা কিয় কৰা নাই? যদি মাননীয় বিধায়ক ডাঙৰীয়াই ভাৱে যে মোৰ এই ২০ কোটি টকাৰে ন আলিটো নহ'ব, বেলেগকৈ চৰকাৰে দিব লাগিব। কিন্তু তেনেকুৱাতো কথা নাই। সেই ২০ কোটিৰ ওপৰত যিটো ৰাস্তাৰে মই সেই দিনাখন গৈছিলো। সেইটো প্ৰাইমাৰী ৰাস্তা। যোৱাবাৰ গোটেই ২০ কোটি টকা তাত দিয়াৰ প্ৰয়োজনীয়তা আছিল। এতিয়া বিধায়ক মহোদয়ে কৈছে যে মই লিষ্ট এখন দিছো । কিন্তু কৰা নাই। যদি ২০ কোটি টকাৰ ভিতৰত থাকে তেন্তে তেওঁ তো সোমোৱাব পাৰে। কিন্তু নাজিৰা সমষ্টিৰ বিশেষ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি তাত ৬০ কোটি টকাৰ এইবাৰ আমি আৱৰ্তন কৰিছো। যাতে আমি কামখিনি কৰিব পাৰো। এতিয়া কৈছে যে অলপ অলপ কৈ আগতে দি থাকিলেহেঁতেন। কিন্তু অলপ অলপকৈ আগতে দিয়াৰ দায়িত্ব বিধায়ক সকলৰ হে আছিল। কাৰণ মই যিমানখিনি জানো সন্মানীয় সদস্য পৰিমল শুক্লবৈদ্য ডাঙৰীয়া মন্ত্ৰী হৈ থাকোতেও বিধায়ক সকলৰ পৰা তালিকা লৈছিল আৰু মইয়ো মন্ত্ৰী হৈ বিধায়ক সকলৰ পৰা তালিকা লৈছো। যেতিয়া নাজিৰাৰ পৰিৱেশটো অসহনীয় হোৱা বুলি আমাক চৰকাৰী সূত্ৰ বা বিভাগীয় সূত্ৰ বা দলীয় সূত্ৰৰ পৰা ক'লে তেতিয়া

মই গড়কাপ্তানী মন্ত্ৰী হিচাপে যাব লগীয়া হ'ল। ৰাস্তা নিৰ্বাচনৰ দায়িত্বটো বিধায়ক সকলক দিব পৰা নাযায়, পৰামৰ্শৰ দায়িত্বটো দিব পৰা যাব কাৰণ যোৱাবাৰো মই কৈছিলো আৰু এইবাৰো মই ১০ কোটি, ২০ কোটি যি যি টকা বিতৰণ কৰিলো, তাৰে তালিকাসমূহ আহিছে, কোনোবাই ১৫ লাখ টকা দিছে, কোনোবাই ৭০ লাখ টকা দিছে। তাৰ মানে সমষ্টিটোৰ লাইফ লাইনসমূহত কোনেও টকা দিয়া নাই। যোৱাকালিও সকলো চাইছো। ১ কোটিৰ ওপৰত কোনেও এটা ৰাস্তাত টকা দিয়া নাই। এতিয়া কিয় এই ১ কোটিটো মেজিক ফিগাৰ কেতিয়াবা অনানুষ্ঠানিক ভাৱে ক'ব পাৰিম। কোনেও ১ কোটিৰ ওপৰত ৰাস্তা উঠাব নোখোজে। কোনেও বুলি কওঁতে মই একেবাৰে generalized কৰা নাই। মই ক'ব বিচাছো যে কিছু সমষ্টিত এইটো হৈছে। কোনোবাই কৈছে আমাৰ সমষ্টিত সৰু সৰু ৰাস্তা আছে। অৰ্থাৎ সৰু সৰু ৰাস্তা বিধায়কে কৰিব, ডাঙৰ ৰাস্তাসমূহ মন্ত্ৰীয়ে কৰিব। তেতিয়াতো মন্ত্ৰী মহোদয়ে যাবই লাগিব। কাৰণ বিধায়কৰ তালিকা দিলে ডাঙৰ ৰাস্তা নাহেই। মই আৰু এটা পৰ্য্যায়ত নাযাও। কিন্তু মই ভাৱো মই ৰাইজৰ ওপৰত দায়বদ্ধ। সদনৰ ওচৰত মই দয়বদ্ধ। মোক যদি আপোনালোকে কথা দিয়ে যে পি ডব্লিউ ডিৰ ৰাস্তাৰ তালিকা বিধায়ক সকলে দিব আৰু কোনো মন্ত্ৰীৰ মূৰ্ত্তি জ্বলোৱা নহ'ব, মন্ত্ৰীক সমালোচনা কৰা নহ'ব, মন্ত্ৰীক একেষাৰ ক'লৈও বিৰোধী দলৰ বিধায়ক সকলেও শৰপাত গাত পাতি ল'ব। তেতিয়া মোৰ আপত্তি নাই। বিধায়ক সকলৰ মতে কৰিব লাগিব। কিন্তু মই ভাৱো যে এইটো সহযোগিতা। কিছু তালিকা বিধায়ক সকলৰ পৰা ল'ব লাগিব, কিছু দৰকাৰী ৰাস্তা মন্ত্ৰী বিভগীয় সূত্ৰৰ পৰা পোৱা খবৰ মতে ল'ব লাগিব। এই ক্ষেত্ৰত বিৰোধী দলৰ দলপতিৰ মনত এটা ভাৱ থাকে যে আমি টকা দিয়া নাই। সকলো বিধায়কৰ পৰা খবৰ ল'ব। অহা বিধান সভাত প্ৰশ্ন কৰিব যে নাজিৰা সমষ্টিত গড়কাপ্তানী বিভাগৰ পৰা কিমান টকা দিয়া হ'ল। মই ভাৱো যে বহু বিধায়কতকৈ নাজিৰাত পুঁজি বেছি গৈছে। কাৰণ Nazira is an important town and important economy centre. সেই কাৰণে আমি সদায়েই আছো। মই ভাৱো যে মোৰ তালিকা আৰু বিধায়ক সকলৰ তালিকাখনৰ বিশেষ পাৰ্থক্য নাই। মই মেপখন চাই গোটেই কেইটা লাইফ লাইনত পুঁজি দিছো আৰু ইতিমধ্যে টেণ্ডাৰো কল কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিব বিচাৰিছো। অসম বিনিয়োজন (নং-II) বিধেয়ক খন বিবেচনাৰ বাবে লোৱা হ'ল।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়ক খনৰ ২ নং আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়ক খনৰ ২ নং আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হৈছে। এতিয়া বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম সদনত

উত্থাপন কৰিছো। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে বিধেয়কৰ অংশ হৈছে। এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কাৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, গড়কাপ্তানী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং-II) বিধেয়ক ২০২০ পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত ডাঙি ধৰিলো। প্ৰস্তাৱটো হৈছে অসম বিনিয়োজন (নং-II) বিধেয়ক ২০২০ পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হৈছে, বিধেয়ক খনো পাৰিত হৈছে। ধন্যবাদ এতিয়া কাৰ্য্যসূচী নং-৬। মাননীয় আইন মন্ত্ৰী।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, আইন আৰু ন্যায়িক ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি কোৰ্ট ফিজ (আসাম এমেণ্ডমেণ্ট) বিল, ২০২০ " খন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছো। "দি কোৰ্ট ফিজ (আসাম এমেণ্ডমেণ্ট) বিল, ২০২০ " খন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হৈছে। এতিয়া বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াৰ নামত সংশোধনী আছে। এই ক্ষেত্ৰত আমাৰ সকলোৰে ইচ্ছাৰ প্ৰতি সন্মান জনাই সংশোধনীটো উত্থাপন কৰিব বিচৰা নাই। মই এই সংশোধনীটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিব বিচাৰিছো। গতিকে সদনৰ সন্মতি সাপেক্ষে এই সংশোধনীটো প্ৰত্যাহাৰ কৰিছো। এতিয়া মই উত্থাপন কৰিব বিচাৰিছো যে ২ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নম্বৰ বিধেয়কৰ অংশ হৈছে।

বিধেয়কৰ ৩,৪, ৫,৬,৭আৰু ৮ নং দফাকেইটাৰ সংশোধনীৰ প্ৰস্তাৱ নাই, আৰু সেই দফাকেইটা মই সদনত উত্থাপন কৰিছো এতিয়া ৩ নং, ৪ নং, ৫নং,৬নং,৭নং,৮ নং দফাকেইটা বিধেয়কৰ অংশ হ'ব। যি সকল ইয়াৰ সপক্ষে আছে, কওঁক হয়, যি সকল বিপক্ষে আছে, কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে , ৩,৪, ৫,৬,৭,৮ নং দফা বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ১ নং দফা নাম, পৰিসৰ, আৰম্ভনত কোনো সংশোধনী নাই। মই সেই প্ৰশ্নটো উত্থাপন কৰিছো বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ, আৰম্ভণ বিধেয়কৰ অংশ হ'ব । যিসকল সন্মানীয় সদস্য-সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে । বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিষৰ আৰম্ভন বিধেয়কৰ অংশ হ'ব । মই এতিয়া আইন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, আইন আৰু ন্যায়িক ইত্যাদি** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "দি ক'ৰ্ট-ফিজ (আসাম এমেণ্ডমেণ্ট) বিল, ২০২০" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে । মই প্ৰস্তাৱটো পুনৰ উত্থাপন কৰিছো যে "দি ক'ৰ্ট-ফিজ (আসাম এমেণ্ডমেণ্ট) বিল, ২০২০" পাচ যিসকল সপক্ষে আছে কওঁক হয় যিসকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে । প্ৰস্তাৱটো পাৰিত হৈছে বিধেয়কো পাৰিত কৰা হ'ল । ইয়াৰ পিছত আইটেম নং ৭(ক) । মন্ত্ৰী ডাঙৰীয়া

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, আইন আৰু ন্যায়িক ইত্যাদি** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "দি গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২০" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ- মই এতিয়া প্ৰস্তাৱটো সদনৰ মজিয়াত উত্থাপন কৰিছো । "দি গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২০" বিবেচনাৰ বাবে প্ৰস্তাৱ লোৱা হ'ল । যিসকল সপক্ষে আছে কওক হয় যিসকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে । বিধেয়কখনৰ ২ নং ৩ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই আৰু সেয়েহে মই প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো ২ নং ৩ নং দফা বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে কওক হয় যিসকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ২ নং ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হৈছে বুলি মই ঘোষণা কৰিছো । বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম আৰম্ভনত কোনো সংশোধনী প্ৰস্তাৱ নাই । মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰম্ভণ সদনত উত্থাপন কৰিছো । বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, আৰম্ভণ বিধেয়কৰ অংশ হ'ব । যিসকল ইয়াৰ সপক্ষে আছে কওক হয় যিসকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিষৰ, আৰম্ভণ বিধেয়কৰ অংশ হৈছে। এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, আইন আৰু ন্যায়িক ইত্যাদি** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "দি গুৱাহাটী মিউনিচিপাল কৰপৰেচন (এমেণ্ডমেণ্ট) বিল, ২০২০" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**माननीय अध्यक्ष ঃ-** মই এতিয়া প্ৰস্তাৱটো উত্থাপন কৰিছো । "দি গুৱাহাটী মিউনিচিপাল কৰ্পোৰেশ্যন (এমেণ্ডমেণ্ট) বিল, ২০২০" পাচ কৰা হ'ল । যিসকল সপক্ষে আছে কওক হয় যিসকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিষৰ, আৰম্ভণ বিধেয়কৰ অংশ হৈছে। এইখন মই পাৰিত কৰা বুলি ঘোষণা কৰিলো। এতিয়া আইটেম নং ৮ । শিক্ষামন্ত্ৰী

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, দি আসামিজ লেংগুৱেজ লাণিং বিল, ২০২০" বিধেয়ক খন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে ? হয়, অনুমতি দিয়া হৈছে।

এতিয়া মই বিধেয়কখন উত্থাপন কৰিবৰ বাবে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, দি আসামিজ লেংগুৱেজ লাণিং বিল, ২০২০" বিধেয়কখন মই সদনত উত্থাপন কৰিলো। অধ্যক্ষ মহোদয়,লগতে মই অনুৰোধ কৰিম যে যিহেতু এই বিধেয়কখনত মই ভাবো যে হাউচৰ সম্পুৰ্ণ কনচেঞ্চন আছে। বৰাক উপত্যকা, বড়ো অধ্যুষিত অঞ্চল, অৰ্থাৎ ৫০ শতাংশতকৈ বড়ো ব্যক্তি বেছি আছে, আৰু বি টি এ ডি ত, কাৰ্বি আংলং, নৰ্থ কাছাৰক বাদ দি সকলো ধৰণৰ মেডিয়ামৰ স্কুলত ক্লাছ টেইনলৈকে অসমীয়া ভাষাটো বাধ্যতামুলকভাবে এটা বিষয় হিচাপে পঢ়াব লাগিব। অৰ্থাৎ হিন্দী মাধ্যমৰ স্কুলো যদি খুলিছো আপটো ক্লাছ টেইনলৈকে অসমীয়া এটা বিষয় হ'বই লাগিব। এইয়া হৈছে এই বিধেয়কখনৰ একমাত্ৰ উদ্দেশ্য। বৰাক উপত্যকাত নালাগে, বি টি এ ডি ত নালাগে। কাৰ্বি আংলং, উত্তৰ কাছাৰত আৰু বড়ো ইনহেবিটেড ভিলেজৰ য'ত ৫০ শতাংশতকৈ বড়ো ব্যক্তি আছে, তাত নালাগে। গতিকে মই ভাৱো যে হাউচৰ এই বিধেয়কখনত একো অসুবিধা নাই। যদি অনুমোদন দিয়ে তেতিয়াহ'লে মই পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ- বিলখন প্ৰথমে ইন্ট্ৰ'ডিউচ কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, "দি আসামিজ লেংগুৱেজ লাণিং বিল, ২০২০" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া বিধেয়কখনৰ শিৰোনাম বিধান সভাৰ প্ৰধান সচিবে পঢ়িব।

**প্ৰধান সচিব ঃ-** বিধেয়কৰ শিৰোনাম "দি আসামিজ লেংগুৱেজ লাণিং বিল, ২০২০"

**মাননীয় অধ্যক্ষ** ঃ- যদি সদনে কনচিয়াচ দেখুৱাই এটা এস্কচেপচন এটা এপ্লাই কৰিব পাৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো ক'লে যে বৰাক ভেলীত বাংলা, মোৰ এটা চাজেশ্যন আছিল যে বৰাক ভেলীত যিখিনি ইংলিশ স্কুল আছে সেইখিনিটো বাংলা ভাষাটো বাধ্যতামূলক কৰিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসমত চৰকাৰী ভাষা হৈছে অসমীয়া। গতিকে বঙালী ভাষা পঢ়াবলৈ আমি বাধ্যতামূলক কৰিব পাৰো নে নোৱাৰো সেইটো আইনৰ পৰামৰ্শ লব লাগিব। কাৰণ বি টি এ ডি এৰিয়াতো আমাক কোৱা নাই যে, বড়ো ভাষা বাধ্যতামূলক পঢ়াব লাগিব। কাৰণ অসমত এতিয়া অফিচিয়েল লেংগুৱেজ হৈছে অসমীয়া। অফিচিয়েল লেংগুৱেজৰ ওপৰত আমি এইটো কৰিব পাৰো। বাকী সন্মানীয় বিধায়ক মহোদয়ে যি পৰামৰ্শ দিছে আমি নিশ্চয় কনচাল্ট কৰিম আৰু তাৰ পিছত সময় আহিলে সেইটোৰ ওপৰতো আমি আপোনাক সদোত্তৰ দিবলৈ চেষ্টা কৰিম। আজি যিহেতু মই এই বিষয়তৰেডী হৈ অহা

নাই, সেয়ে আজি এইবিষয়ত উত্তৰটো দিবৰ কাৰণে অসুবিধা হ'ব।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী ডাঙৰীয়াই বড়ো মিডিয়াম আৰু বড়ো অধ্যুষিত এলেকাত অসমীয়া ভাষাটো বাধ্যতামূলক কৰা নহ'ব বুলি কৈছে। কথাটো অলপ চিন্তা কৰি চাই যদি তাত অসমীয়া ভাষাটো পঢ়াৰ যদি সুবিধাটো দিয়ে আখৰ কেইটা শিকিব পাৰিব লগতে ভাষাটো শিকিব পাৰিব। সেইখিনি কৰি দিলে বেয়া নহয় যেন মই অনুভৱ কৰোঁ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মইটো আদৰনি জনাম। যদি বড়ো বি টি এ ডি এৰিয়া বা নৰ্থ কাছাৰ, কাৰ্বি আংলঙটো অসমীয়া ভাষটো বাধ্যতামূলক কৰিবলৈ অনুমতি দিয়া যায়। কিন্তু আমি যিহেতু অটোন'মাচ কাউঞ্চিল বিলাক ক্ৰিয়েট কৰি দিছো। সংশোধনৰ অৱকাশ আছে, আমি চিঠি লিখিম। যদি তেনেকুৱা ধৰণৰ পজিটিভ ৰেচপঞ্জ কাউঞ্চিলৰ পৰা পাওঁ ডেফিনেটলী আমি সেই কথাটো কৰাৰ বাবে চেষ্টা কৰিম।

**শ্ৰীআমিনুল ইছলাম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বৰাক উপত্যকাটো যিবিলাক অসমীয়া মাধ্যমৰ স্কুল আছে, যিসকলে অপচ'নেল পঢ়াই, বৰাক উপত্যকাৰ সেই শিক্ষক সকলেও সেইটো বিচাৰিছে যে তেওঁলোকেও প্ৰভিঞ্চিয়েলাইজ কৰোতে সেই অসমীয়া পদটো লোৱা হোৱা নাই বাবে তেওঁলোকেও শিকোৱাটো এৰি দিব। তেনেহ'লে বৰাক উপত্যকাত অসমীয়া শিকাবলৈ আৰু কোনো নাথাকিব। Assamese should be a Language আজি বি টি এ ডি য়ে হওঁক, বৰাক উপত্যকাই হওঁক যিহেতু শিক্ষাৰ্থী সকলে শিকিব বিচাৰিছে গোটেই অসমত এইটো লিংক লেংগুৱেজ হিচাবে শিকক। যিহেতু অসমীয়াটো ৰাজ্যভাষা। সেয়ে সকলোতে থকাটো ভাল।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কেইদিন মানত আগত আমাৰ বিধায়ক শ্ৰী অতুল বৰা ডাঙৰীয়াই এখন পুথি দিছিল "সদৌ অসম ছাত্ৰ সন্থা সমীপেষু" বুলি তাত বিষয়টো উল্লেখ আছে। শৰৎ সিংহ ডাঙৰীয়াই আছুক আশ্বাস দিছিল খুব সম্ভৱ ১৯৭২ চন মানত যে অসমীয়া ভাষাটো আমি ইংলিছ মিডিয়াম স্কুলতো বাধ্যতামূলক কৰিম। সেই আশ্বাস আজিলৈকে এনেকৈ থাকি গ'ল। আজি অন্ততঃ বেচিকটো পাৰ হ'ব দিয়ক। বৰাক উপত্যকাত অসমীয়া ভাষা লিংক লেংগুৱেজ হ'ব, লগত বঙালী ভাষা বাধ্যতামূলক হ'ব। That is a good suggession. তাত কোনো অসুবিধা নাই। Under the 4th language formula Bengali will be compulsory,Assamese will be compulsory as a link language বড়ো অধ্যুষিত অঞ্চলত বড়ো ভাষা, অসমীয়া ভাষা দুয়োটা বাধ্যতামূলক কৰিব পাৰি আৰু কাৰ্বি আংলঙটো পাৰি। These are good suggession. কিন্তু আজি যিহেতু হাউচে এটা ইউনিক পৰিবেশত বিলখন আনি পাচ কৰিব গৈ আছো, কোনো আলোচনা নকৰাকৈ, মই অনুৰোধ কৰিম যে আজি বেচিক ষ্ট্ৰাকচাৰটো পাৰ হৈ যাওঁক during next 4 month আমি বৰাক উপত্যকা, বড়ো লেণ্ড, কাৰ্বি আংলং আৰু নৰ্থ কাছাৰ আলোচনা কৰি যদি স্কোপ থাকে ডেফিনেটলী আমি এমেনমেন এই বিলখনত লৈ আহিম।

**শ্ৰীৰকিবুল হুছেইন, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এনেয়ে আমাৰ সমস্যা বহুত। বেমাৰ আজাৰৰ সমস্যা আকৌ আমাৰ এ আই ইউ ডি এফৰ এজন সদস্যই কোৱাৰ দৰেই চৰকাৰৰ পক্ষৰ পৰা যিখিনি আহিছে, সেইখিনিয়েই থাকক। আমি এটা কৰিবলৈ যাম ভাল হ'ব। অসমীয়াটো আমি সকলোৱে শিকিবই লাগে। কিন্তু লোকৰ ভাষাত খোচ মাৰি কলে নহয়। আজি কৈছে যে পৰৱৰ্তী সময়ত আকৌ এটা আহিব, সেই সময়ত আমি আলোচনা কৰিম। আজি আকৌ কৰ'ণাটো বাদ দি কালিৰ পৰা এইটো আৰম্ভ হৈ যাব। গতিকে অধ্যক্ষ মহোদয়, এই কথাখিনি খুব চেনচিটিভ।

কাৰোৰ অন্তৰত আঘাট দি নহয়।

**माननीय অধ্যক্ষ** ঃ- Introduce কৰাৰ কথাটো আহিছে। আপোনালোকে সেইটো পাচ কৰাৰ কথা ভাবিছে নেকি? মোক স্পষ্টকৈ কওঁক।

**শ্ৰীআমিনুল ইছলাম,সদস্য** ঃ- এইটোত এমেণ্ডএমেনৰ স্কোপ আছে। এতিয়া যিহেতু সময় নাই, আমি ভাবো যে এইটোত এমেণ্ডএমেণ্ট দিয়াৰ স্কোপ আছে।

**মাননীয় অধ্যক্ষ** ঃ- এক মিনিট।

**শ্ৰী ৰকিবুল হুছেইন, সদস্য** ঃ- অধ্যক্ষ মহোদয়, আমি যেতিয়া সদনলৈ আহো, 2nd agenda টোত আপুনি কৈছে যে Business Advisory Committee য়ে কালি কিছু সিদ্ধান্ত লৈছে, সেই সিদ্ধান্তটোত মইও জড়িত, মই দলৰ উৰ্ধত নহয়, তাতটো সকলো দলৰ লোক আছে, তাত কৈছে যে আজি আমি কাটমোশ্যন নানো আপুনি সুন্দৰকৈ কাটমোশ্যন নানাকৈ কৰি গৈছে, এই সংক্ৰান্তটো আমি আহোতে কথা বিলাক আলোচনা কৰিছো, এই সংক্ৰান্তত এই বিলখন আনিব আৰু আমি সৰ্বসন্মতিক্ৰমে পাচ কৰিম। এতিয়া যদি এইটো নকৰো, বাকী আপুনি যি তিনিটা কলে সেইটো কেৱল introduce হ'ব। এইখিনি আজি আলোচনা কৰি পাচ কৰাৰ কাৰণে আহিছো, মই ভাবো যে এইটো খুব সহজে পাৰিত হৈ যাব লাগে, controversy কৰিব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে , বহক। আমি কালি কৈছিলো যে কেইখনমান বিল আমি যদি ইয়াত কোনোধৰণৰ কথা নাথাকে, আমি পাচ কৰাই লৈ যাম। এইটোৱেই আমাৰ spirit আছিল। কিন্তু মই যিহেতু speaker হিচাপে আছো, বিল হিচাপে কৰাৰ আগতে consensus টো লৈ ল'ব খুজিছো। এতিয়া মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কথাটো এগ্ৰী কৰিছে। So that bill can be passed, passed কালি ৰকিবুল হুছেইন ডাঙৰীয়া আপুনিও উপস্থিত আছিল। এই বিলখন আমি পাচ কৰাৰ কথা ভাবিছিলো। গতিকে এতিয়া বেলেগ এটা মত হ'লে মোৰ কাৰণে অসুবিধা হয়, কথাটো কি?

**শ্ৰীৰকিবুল হুছেইন, সদস্য** ঃ- অধ্যক্ষ মহোদয়, অসমীয়া ভাষাৰ যিখিনি কথা আহিছে, যিখিনি ইতিমধ্যে আনিছে, সেইখিনি পাচ হৈ যাওঁক, ইয়াত আমাৰ সন্মতি আছে, যিহেতু আমি কালি আলোচনা কৰিছিলো।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে, কালি আমি যিটো আলোচনা কৰিছিলো, সেইমতে, কিয়নো এইবিলাক কথা sensitive কথা যিটো কৈছে, সেয়েহে আমি concensus হৈ লোৱা ভাল। কোনোবা সদস্য নাছিল। যদিও, দলপতিৰ লগত কথাটো ঠিক কৰি ল'ব। আমি এইখন বিল পাচ কৰিব পাৰো। কিন্তু তাৰ কাৰনে মই মন্ত্ৰী ডাঙৰীয়াক, এটা আমাৰ ইয়াত অলপ আলোচনা আছে, প্ৰধান সচিবে আমাক লিখি আনি দিব। মই এইটো apply কৰি দিছো, মোৰ কিছু discretion থাকে, discretion থাকিলে , যিহেতু amendment কোনোৱেও নানে, মই আজিয়েই এইটো পাচ কৰাই দিম, এখন কাগজ, যিহেতু এটা নিয়ম আছে, সেয়েহে মই প্ৰধান সচিবক সেই কাগজখন ঠিক কৰি আনিবলৈ কৈছো। আমি এই আইটেমটো অলপ পাছত লৈ লম। এতিয়া দি আসাম এলিমেন্টৰী এণ্ড ছেকেণ্ডাৰী স্কুল টিচাৰচ (ৰেগুলেশ্যন অফ পোষ্টি এণ্ড ট্ৰেন্সফাৰ) বিল, ২০২০। মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়,দি এলিমেন্টৰী এণ্ড ছেকেণ্ডাৰী স্কুল টিচাৰচ বিল, ২০২০ বিধেয়েকখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

অনুমতি দিয়া হৈছে। মই এতিয়া মাননীয় শিক্ষা মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিলখনৰ দৰে এইখন বিলতো মই এটা লাইন কম, যদি সদস্যসকলে বিচাৰে, অনুমতি দিব পৰা যায়, আৰু বিলখনপাচ কৰিব পৰা যায়, চিন্তা কৰিব পাৰে, আজিও হাউচত আমাৰ এটা কথা আলোচনা হৈছে, যে শিক্ষকৰ যিটো, crisis ,লাহৰীঘাট সমষ্টিৰ সন্মানীয় বিধায়ক মহোদয়ৰ এটা প্ৰশ্ন আছিলে যে আমাৰ ইয়াত কিমান টিচাৰ নিযুক্তি দিয়া হৈছিল? এতিয়া কিমান হ'ল? কালি ৰাতি উত্তৰটো দিওঁতে মোৰ মনটো বৰ বেয়া লাগিছে যে নিযুক্তি দিয়াৰ পাছত ৪০০ টিচাৰ লাহৰীঘাটৰ পৰা ট্ৰেন্সফাৰ হৈছে। আন সন্মানীয় বিৰোধীপক্ষৰ বিধায়ক সকলৰ সমষ্টিৰ পৰা বহুত টিচাৰ তেনেকৈ ট্ৰেন্সফাৰ হৈ আহিছে। আনকি একো কথা বতৰা নোহোৱাকৈও শিক্ষকসকলক বদলিকৰণ কৰা হৈছে। এই আইনৰ জৰিয়তে আমি কৰিব খুজিছো যে ১০ বছৰ সম্পুৰ্ন নোহোৱাকৈ আমি ট্ৰেন্সফাৰ নিদিওঁ। ১০ বছৰ বুলি ধৰিলে from the date of appointment অৰ্থাৎ ২০১২ ত যিবোৰ নিযুক্তি হৈছে, তেওঁলোকে ২০২১ত এপ্লাই কৰিব পাৰিব। কম্পিউটাৰত ধুনীয়াকৈ আমি কোন জিলাত কিমান খালী পদ আছে, আমি জনাই দিম। তেতিয়া সকলো টিচাৰে বৰপেটা জিলাৰজনে নগাওঁত সেৱা, নগাওঁৰ জনে বৰপেটাত সেৱাৰ এপ্লাই কৰিব পাৰিব। তাৰ পাছত Subject to vacancy, according to merit আমি টিচাৰখিনি সলনি কৰিব পাৰিম। ইয়াৰ উপৰিও যদি কাৰোবাৰ কেঞ্চাৰ বেমাৰ হৈছে, বা আন কথাত যদি হঠাৎ ট্ৰান্সফাৰ কৰিব লাগে, তেতিয়া হ'লে জিলা পৰ্যায়ত এখন কমিটি আৰু ষ্টেট লেভেলত এখন কমিটি,থাকিব। সেই কমিটি খনে সেই সিদ্ধান্ত ল'ব পাৰিব, circumstances খিনিও আমি বুজাই দিছো in case of a very extra ordinary event, যিটো event ৰ বৰ্ণনাও ইয়াত কৰা হৈছে। দ্বিতীয়তে inter District tranfer কৰাৰ কাৰণেও আমি ADC ৰ অধীনত কমিটি এখন বনাই দিছে। কিবা কাৰনত যদি ট্ৰান্সফাৰ কৰাৰ কাৰণে আহে, এই বিলখন অসমৰ শিক্ষা জগতৰ বাবে গুৰুত্বপূৰ্ণ, হাউচে যদি ভাবে যে আজিৰ দিনত আৰু এই কথাখিনি violate কৰিলে যদিও মই হাউচত কৈছিলো যে তিনি বছৰ কাৰাদণ্ড, আমাৰ লেজিচলেটিভ বিভাগৰ পৰামৰ্শমতে সেইটো এবছৰলৈকে নমাই অনা হৈছে, যদি হাউচে ভাবে যে এইখন আলোচনা কৰাৰ থল আছে মোৰ কোনো আপত্তি নাই। অহা অধিবেশনটো আমি পাতিব পাৰো, আৰু অধ্যক্ষ মহোদয়, এইটো হাউচৰ এটা concensus এটা আলোচনা কৰিব গতিকে এইটো অহা সদনত আমি আলোচনা কৰিম। গতিকে আজি মই introduce কৰি থৈ দিওঁ। অধ্যক্ষ মহোদয়, দি আসাম এলিমেন্টৰী এণ্ড ছেকেণ্ডাৰী স্কুল টিচাৰচ বিল ২০২০, বিধেয়কখন মই সদনত উত্থাপন কৰিলো। অধ্যক্ষ মহোদয়, উত্থাপনহে কৰিলো, আৰু যিহেতু আগ নাবাঢ়ো।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। এতিয়া introduce কৰিলে। কওঁক।

**শ্ৰী ৰকিবুল হুছেইন, সদস্য** ঃ- আমি অন্য সকলো কথা যেতিয়া আলোচনা কৰিম, তেতিয়া শিক্ষক সকলক জেল হাজোতত, সেই বিলাক কথাখিনি অকনমান, or আমাক যেতিয়া কৈছিল যিজনে ৰিকমেন্ড কৰিব, যিজন হ'ব, সেই বিলাকত or এটা দিলে, শিক্ষকক জেল, হাজোত সেই বিলাক অকনমান ন কৈ; চৰকাৰৰ বহুত আছে তেওঁক চাচপেন কৰিব পাৰে, বিভিন্ন ধৰনৰ কৰিব পাৰে, সেয়েহে or এটা ৰাখি, যিহেতু আমি বিভিন্ন ক্ষেত্ৰত আইনত দেখিছো যে, Fine or এনেকে থাকে, শিক্ষকক জেল হাজোতত, এইবোৰ কথাবিলাক নিদিয়াকৈ পাৰি, এতিয়া নালাগে, পিছত

আহিলেও হ'ল। অলপ সহানুভুতিৰে বিবেচনা কৰিব বুলি অনুৰোধ কৰিলো।

**ডº হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ-** মাননীয় অধ্যক্ষ মহোদয় শিক্ষকক জেল হাজোতত দিয়াৰ কথা নাই বিলখনত, অফিচাৰ জনক, যিজনে অফিচাৰে কৰে, আমাৰ যেনেকৈ এফ আৰ বি এম ত আগতে আমি কৈছো যে, violate কৰিলে অফিচাৰজনৰ কাৰাদণ্ড হ'ব। ঠিক তেনেকৈ যদি এক্টখন violate কৰে, শিক্ষকজনৰ নহয়, যিজন ৰিক'মেণ্ডৰী অফিচাৰ হয়, DO, DO recommend কৰিব, ভুল PTR এটা দেখুৱাব, director য়ে ভুল PTR এটা forward কৰি দিব, Commissioner য়ে অৰ্ডাৰ দিব। গতিকে অফিচাৰজনৰহে কাৰাদণ্ড হ'ব, শিক্ষকজনৰ নহয়।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** অধ্যক্ষ মহোদয়, এই বিলখন যেতিয়া ৰাতি আমি চালো, বিলখনৰ spirit টো ভাল। আমি দেখা পাইছো ৰাতি। এইটো আচলতে অলপ কাঢ়া হ'বও লাগে। without any Justification যেনেকৈ inter district transfer বিলাক দিয়া হ'ল। আজি পিছপৰা অঞ্চলৰ স্কুলবিলাকে suffer কৰি আছে। মই ইয়াতে এটা ভাল পাইছো যে inter district, জিলাৰ ভিতৰত ট্ৰেন্সফাৰ কৰাৰ কাৰণে যিটো district Committee বিলাকক যিটো authorise কৰা হৈছে, এইটোও দৰকাৰ আছিল। জিলাৰ ভিতৰত য'ত কম আছে, তাত য'ত বেছি আছে তাৰ পৰা আনি দিব লাগে। গতিকে মই ভাবো কালি ৰাতি যেতিয়া পঢ়ি চালো, যে ইয়াৰ spirit টো ভাল, আৰু এই কথাটো আমি বুজি পাইছো যে এক বছৰৰ যিটো জেলৰ কথা কোৱা হৈছে, সেইটো অফিচাৰ সকলে যেতিয়া ভায়লেট কৰে ইয়াত টিচাৰৰ কথাটো নাই, আমি পঢ়ি পেলাই যিটো গম পাইছো। ইয়াত আমি আচলতে খুব বেছি আপত্তি কৰিব লগা বস্তু দেখা নাই। কালি যিটো বি এ চিত যিটো সিদ্ধান্ত হৈছিল, সেই মতে আমি ভাবো এইটো আজি পাৰিত কৰি দিব পাৰি। বিলৰ spirit টো ভাল।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সদস্য ঃ-** অধ্যক্ষ মহোদয় মই ভাবো আদৰণীয় এই বিলখন আইনত পৰিনত হ'লে এটা সুবিধা হ'ব আমাৰ কিছুমান এলেকাত শিক্ষকৰ যথেষ্ট অভাৱ আৰু কিছুমান এলেকাত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা বেছি। গতিকে এইখন সোনকালে আইনত পৰিনত হ'ব লাগে। এইটো আইনত পৰিনত হোৱাটো আমি বিচাৰিছো। তাৰ লগতে মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে জিলা পৰ্য্যায়ত এখন কমিটি থাকিব। এই কমিটিখন কেনেকুৱা হ'ব এই কথাটো মন্ত্ৰী ডাঙৰীয়াই অলপ স্পষ্টকৈ কলে ভাল পাম।

**শ্ৰী ৰকিবুল হুছেইন, সদস্য ঃ-** অধ্যক্ষ মহোদয়, মই একেলগে কৈ দিওঁ। আমাৰ পাৰিত কৰাৰ কাৰণে যিহেতু এইখন পাৰিত কৰাৰ কাৰণে এটা আলোচনা হৈছে, এইখন সকলোৰে কাৰণে গুৰুত্বপুৰ্ণ বুলি কৈছে আৰু আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই ভাষণ দিয়াৰ সময়ত কৈছিল যে শিক্ষককো দিয়া হ'ব কিন্তু বিলত বোধ হয় সেইটো নাই। গতিকে সেইখন পাৰিত কৰিলেও আপত্তি নাই। কেৱল শিক্ষক সকলৰ সেই কথাখিনি নাথাকিলে আৰু অফিচাৰ সকলৰ ক্ষেত্ৰটো যদি পাৰে, নিয়ম কানুন যদি কোনোবাই নামানে বেলেগ ধৰণে কৰক। কেৱল আমাৰ শিক্ষা বিষয়াজনো কিন্তু শিক্ষকৰ লগত জড়িত। গতিকে সেইখিনি কথা অলপ চালি জাৰি চাই পাৰিত কৰিলেও আমাৰ কোনো আপত্তি নাই, এইখন প্ৰয়োজনীয় বিল।

**ডº হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয় , আমাৰ DO, Commissioner, education এওঁলোকে যদি এটকা বিলো বেছিকৈ খৰচ কৰে, ৩ বছৰ কাৰাদণ্ড বুলি এইটো এফ আৰ বি এম ত এইটো পৰম্পৰা এটা আছেই। এনেয়ে এখন আইন পাচ

কৰিলে এইখন থাকি যাব যদি তাত imprisonment নাথাকে। কাৰণ যেতিয়া শিক্ষকজনে অফিচাৰজনৰ ওচৰত আহিব তেতিয়া অফিচাৰজনে ক'ৰ লাগিব যে তোমাৰ কামটো কৰিলে মোৰ জেল হ'ব। এইটো এটা deterrence, কোনো টো জেল নহয়। গতিকে মই ভাবো যে এইটোৰ ফালৰ পৰা আমাৰ দূৰণীবটীয়া সমষ্টি বিলাকৰ খুব লাভ হ'ব আৰু এই বিলখনৰ আমি যিখিনি ঠাইৰ পৰা প্ৰতিনিধিত্ব কৰো তাত অনুপাতটো বেয়া নহয়। কিন্তু বিৰোধীপক্ষৰ বিধায়কসকলৰ সমষ্টি বিলাক আজিৰ দিনত , অহাকালি কি হয়, মই নাজানো, আজিৰ দিনত খুব কষ্টৰ মাজত আছে। ১১ হাজাৰ শিক্ষক নিযুক্তি হ'ব অহা ৭ তাৰিখে বা ১০ তাৰিখে। এখেত সকলে পোষ্টিং লোৱাৰ আগতে জানিব লাগিব যে মই ১০ বছৰ আহিব নোৱাৰো। তেতিয়া তেওঁলোকে দূৰণিবটীয়া সমষ্টিবিলাক নলৰ। অহা দুমাহত, এই হাউচৰ next time assemble হোৱাৰ আগতে অসমত প্ৰায় ২০ হাজাৰ শিক্ষকৰ ৰিকুইটমেন্ট হৈ যাব। এওঁলোকে জানি নিযুক্তি পত্ৰখন ললে, সকলোৰে কাৰণে ভাল হ'ব, আৰু যিটো জিলা পৰ্য্যয়িৰ কমিটিৰ কথা কৈছে, ইয়াত ADC Education District Inspector of School, member Secretary, all Deputy Inspector of School, member and concerned D.O , member অৰ্থাৎ য'ৰ পৰা ট্ৰেন্সফাৰ ৰ কথাটো ওলাব আৰু ঠিক তেনেকৈ ৰাজ্যিক পৰ্য্যায়ৰ কমিটিয়ে Mission Director, সমগ্ৰ শিক্ষা অভিযান আৰু Director,Elementary Education দুয়োজনে চহী কৰিব লাগিব, যদি Extra Ordinary Circumstances বা PTR correction ৰ কাৰণে ট্ৰেন্সফাৰ হয়, আৰু আমাৰ মতেই দি টকা পইচা খৰছ নকৰাকৈ কম্পিউটাৰত ধুনীয়াকৈ ল'ৰা বিলাকে এপ্লাই কৰি অহাবছৰ সকলোৱে ট্ৰেন্সফাৰ ল'ব পাৰিব। আজিটো illegally ট্ৰেন্সফাৰ কৰিলে বা কাৰোবাক অভাৰটেক কৰিলে, আমি নকৰো, কিন্তু কোনোবাই কামটো হোৱাৰ পাছটো অৰ্ডাৰটো ওলাক বুলি পকেটত লৈ টো দুশ টকা চাহ খাবলৈ লয়, গতিকে এতিয়া dignifiedly শিক্ষকসকল ট্ৰেন্সফাৰ হ'ব পাৰিব আৰু অহা ৭ তাৰিখে যিমানৰ নিযুক্তি হ'ব বা ২০ তাৰিখে বা ২২ তাৰিখে তেওঁলোকে মনত এইটো লৈ যাব যে মই আৰু ১০ বছৰ নাহো। কেঞ্চাৰ ৰোগী, দিবাংগ তেওঁলোকৰ কাৰণে exception ৰখা হৈছে। যদি ভৱিষ্যতে এমেনমেণ্ড লাগে, কৰিম আৰু শিক্ষক সকলৰ কোনো জেল হাজোতৰ কথা নাই। বিধায়ক সকলে ৰিকমেণ্ড কৰাৰ কোনো জেল হাজোতৰ কথা নাই। কিন্তু D.O বা B.O ই যদি Recommend কৰে, সেইটোহে imprisonment আছে। গতিকে মই হাউচত ৰিকুৱেষ্ট কৰিম পিছৰ শিক্ষকখিনি নিযুক্তি হোৱাৰ আগতেই বিলখন খুব প্ৰয়োজন।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মই অসম বিধান সভাৰ প্ৰধান সচিবক বিধেয়কখনৰ শিৰোনামা পঢ়িবলৈ কৈছো।

**প্ৰধান সচিব** ঃ- বিধেয়েকখনৰ শিৰোনাম " আসাম এলিমেন্টৰী এণ্ড ছেকেণ্ডাৰী স্কুল টিচাৰচ (ৰেগুলেশ্যন পোষ্টিং এণ্ড ট্ৰান্সফাৰ) বিল ২০২০"

**মাননীয় অধ্যক্ষ** ঃ- ইয়াৰে এটা প্ৰচিডিয়ৰ হ'ব। এখন সৰু কাগজ আপুনি আকৌ পঢ়িব লাগিব। অলপ পিছত আমি যেতিয়া এইটো শেষ হ'ব ঠিক কৰি দিম।

next আসাম নন গভমেন্ট এডুকেশ্যন ইন্সষ্টিটিউচন, ৰেগুলেশ্যন অফ ফিজ এমেণ্ডমেন্ট বিল ২০২০, মই শিক্ষা মন্ত্ৰীক বিলখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয় , আসাম নন গভমেন্ট

এডুকেশ্যন ইন্সষ্টিটিউচন, ৰেগুলেশ্যন অফ ফিজ এমেণ্ডমেন্ট বিল ২০২০, বিধেয়কখন সদনত মই উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ? অনুমতি দিয়া হৈছে। এতিয়া মই মাননীয় শিক্ষা মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী, শিক্ষা ইত্যাদি)**ঃ- মাননীয় অধ্যক্ষ মহোদয় , আসাম নন গভমেন্ট এডুকেশ্যন ইন্সষ্টিটিউচন, ৰেগুলেশ্যন অফ ফিজ এমেণ্ডমেন্ট বিল ২০২০, এই বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এই ক্ষেত্ৰত ৰাজেদ আলি চৌধুৰী, এই ক্ষেত্ৰটো যোৱা কালি আমি বহিছিলো। এই ক্ষেত্ৰটো একে ধৰণৰ কথা হৈছিল। এইটো একে ধৰণৰে থকাত অসুবিধা আছে নেকি? amendment টো একো problem নাই?

**শ্ৰী ৰাজেদ আলি চৌধুৰী, সদস্য** ঃ- নাই।

**মাননীয় অধ্যক্ষ** ঃ- বহক। কওঁক।

**শ্ৰী আমিনুল ইছলাম, সদস্য** ঃ- অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা মাত্ৰ definition ত হে ক'ব লগা আছে, বিলখন আমি যিহেতু চালো, পূৰ্বতে যিখন এক্ট পাচ কৰা হৈছিল non Government Organization বোলোতে তাত অলপ বস্তুটো অস্পষ্ট আছিল, ইয়াত definition টোত ক্লিয়াৰ কৰি দিয়া হৈছিল যে Government Institution বা যিখিনি Minority Institution এইখিনি exclude কৰা হ'ব। just defination টো ক্লীয়াৰ কৰিছে। ইয়াত মই ভাবো, এইটো পাৰিত কৰি দিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে , বহক। এইটো এটা চিষ্টেমত হ'ব। অকনমান সময় লাগিব মোক। হৈ যাব। এতিয়া মই মাননীয় প্ৰধান সচিবক শিৰোনামটো পঢ়ি দিব অনুৰোধ কৰিলো।

**প্ৰধান সচিব**ঃ- বিধেয়কখনৰ শিৰোনাম দি আসাম নন গভমেন্ট এডুকেশ্যন ইন্সষ্টিটিউচন, ৰেগুলেশ্যন অফ ফিজ এমেণ্ডমেন্ট বিল ২০২০,

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে , এতিয়া এই তিনিখন বিল আজি বোধ কৰো introduce কৰিব। বাকী তিনিখন বিল হ'ল। মৰাণ অটʼনমাছ কাউঞ্চিল বিল ২০২০, মটক অটʼনমাছ কাউঞ্চিল বিল ২০২০, কমতাপুৰ অটʼনমাছ কাউঞ্চিল বিল ২০২০, মই প্ৰথমতে মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক দি মৰাণ অটʼনমাছ কাউঞ্চিল বিল ২০২০, উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ মই অনুৰোধ কৰিলো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, দি মৰাণ অটʼনমাছ কাউঞ্চিল বিল ২০২০, বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া বিধেয়কখন উত্থাপন কৰিবৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে এটা বাণী পঠিয়াইছে। মই বাণীটো প্ৰথমে পঢ়ি দিছো। " Under the provision of Article 207(1) of the Constitution of India, I, Prof Jagadish Mukhi, Governor of Assam, recommend the introduction of "The Moran Autonomous Council Bill, 2020 in the Assam Legislative Assembly. এতিয়া মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মই অনুৰোধ কৰিছো।

**শ্ৰী চন্দন ব্ৰহ্মা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Moran Autonomouse Council Bill, 2020 বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মই মাননীয় প্ৰধান সচিবক শিৰোনামটো পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**প্ৰধান সচিব** ঃ- বিধেয়কখনৰ শিৰোনাম "The Moran Autonomous Council Bill, 2020

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। পিছৰ কাৰ্য্যসূচী ১২। মই আকৌ মন্ত্ৰী ডাঙৰীয়াক "The Moran Autonomous Council Bill, 2020 সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ মই অনুৰোধ কৰিলো।

**শ্ৰী চন্দন ব্ৰহ্মা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Moran Autonomous Council Bill, 2020 বিধেয়কখন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া বিধেয়কখন উত্থাপন কৰিবৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে এটা বাণী পঠিয়াইছে। মই বাণীটো প্ৰথমে পঢ়ি দিছো " Under the provision of Article 207(1) of the Constitution of India, I, Prof Jagadish Mukhi, Governor of Assam, recommend the introduction of "The Moran Autonomous Council Bill, 2020 in the Assam Legislative Assembly. এতিয়া মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰী চন্দন ব্ৰহ্মা, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয় "The Moran Autonomous Council Bill, 2020 বিধেয়কখন মই সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ- প্ৰধান সচিব।

**প্ৰধান সচিব** ঃ- বিধেয়ক খনৰ শিৰোনামা "The Moran Autonomous Council Bill, 2020

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া পিছৰ কাৰ্য্যসূচী ১৩, দি কমতাপুৰ অট'নমাচ কাউঞ্চিল বিল, ২০২০ উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি মন্ত্ৰী ডাঙৰীয়াই প্ৰস্তাৱ কৰিব।

**শ্ৰী চন্দন ব্ৰহ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Kamatapur Autonomous Council Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**Hon'ble Speaker :** এতিয়া সদনত এই বিল উত্থাপন কৰিবৰ বাবে সন্মতি আছেনে? ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে এটা বানী পঠিয়াইছে ঃ

*Under the Provision of Article 207 Sub clause 1of the Constitution of India, I, prof. Jagdish Mukhi, Governor of Assam recommend the introduction of "The The Kamatapur Autonomous Council Bill, 2020" in the Assam Legislative Assembly.*

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী চন্দন ব্ৰহ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Kamatapur Autonomous Council Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker :** এতিয়া বিধানসভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**প্ৰধান সচিব ঃ** বিধেয়ক খনৰ শিৰোনামা "The Kamatapur Autonomous Council

Bill, 2020".

**Hon'ble Speaker :** Next Item No. 14. ৰাজহুৱা হিচাব সমিতি সমূহৰ মাননীয় সভাপতি শ্ৰী ৰাজদ্বীপ গোৱালাৰ হৈ মাননীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই সমিতিৰ 159, 160, 161 আৰু 162 তম প্ৰতিবেদন খন সদনত দাখিল কৰিব।

**Hafiz Bashir Ahmed :** Hon'ble Speaker Sir, I, on behalf of the Hon'ble Chairman, Committee on Local Public Accounts beg to present the 159, 160, 161 and 162 reports of the Committee.

**Hon'ble Speaker :** Next Item No. 15. On behalf of Smti Roselina Tirkey, Chairperson, Committee on Welfare of women and Children, Hon'ble Member Shri Rituparna Baruah will submit the 7th and 8th Reports of the Committee.

**Shri Rituparna Baruah :** Hon'ble Speaker Sir, I, on behalf of the Hon'ble Chairperson, Committee on Welfare of women and Children, Assam Legislative Assembly beg to present the 7th and 8th Reports of the Committee.

**Hon'ble Speaker :** এতিয়া ক'ৰনা ভাইৰাছৰ যিটো বিপদজনক স্থিতি ৰাজ্যখনত হৈছে তাৰ ওপৰত মই বিৰোধীদলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াক ক'বলৈ অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি 30 তাৰিখলৈকে হ'বলগীয়া অসম বিধান সভাৰ সদন এদিনতে সমাপ্ত কৰিবলগীয়া হৈছে যিহেতু ক'ৰনাৰ বিভীষিকা বিদেশৰ লগতে বৰ্তমান ভাৰতবৰ্ষতো দেখিবলৈ পোৱা গ'ল। ইতিমধ্যে মনিপুৰত দুজন আক্ৰান্ত হোৱা বুলি গম পোৱা গৈছে। চীনদেশৰ য়ুহান প্ৰদেশৰ পৰা ইটালী, স্পেইন, আমেৰিকা, দক্ষিন কোৰিয়া আদি সকলো দেশতেই এই ভাইৰাছ বিয়পি পৰিছে। চিকিৎসাবিজ্ঞানী সকলৰ মতে 4 টা বা 5 টা stage ত ইয়াক বিতৰন কৰিছে। প্ৰথম আৰু দ্বিতীয়ৰ পৰিৱৰ্তে তৃতীয় stage টো অতি ভয়াবহ বুলি কৈছে। প্ৰথম আৰু দ্বিতীয় stage টো আমি কেতিয়াবা ধৰিব পাৰো আৰু কেতিয়াবা নোৱাৰো। ইয়াৰ বাবে টেষ্টসমূহ কৰাটো যথেষ্ট দৰকাৰী। ইটালী আৰু USA ত টেষ্টসমূহ ভালদৰে কৰা নহ'ল। কিন্তু দক্ষিন কোৰিয়াৰ টেষ্টবিলাক ভালকৈ কৰাৰ কাৰনে এতিয়া যথেষ্ট পৰিত্ৰান পাবলৈ সক্ষম হৈছে। 'WHO' ৰ মুৰব্বী গৰাকীয়ে কৈছে যে "More testing to be done in case of India". ইতি মধ্যে দক্ষিন কোৰিয়াইঅতি কম খৰছী কিট নিৰ্মান কৰি উলিয়াইছে বুলি কৈছে। ব্যক্তিগত দৰব কোম্পানী বিলাকেও এনেকুৱা কিট উলিয়াইছে। ঠিক তেনেদৰে Dr. R. Lakshmi Narayanan, Centre for decease Dynamics, Economics and Policy, Washington য়েও ভাৰতত আৰু বেছি টেষ্ট কৰিব লাগে বুলি কৈছে। ভাৰতত এতিয়া দৈনিক ১০০০ মান টেষ্ট হৈছে। কাৰন যদিহে আমি টেষ্টসমূহ নকৰো তেতিয়াহ'লে কাৰ দ্বাৰা এইখিনি সোঁচৰিব আমি গম নাপাম। ইতি মধ্যে অসম চৰকাৰে আজি গধূলিৰ পৰা lockdown ঘোষনা কৰিছে। Lockdown ৰ সময়ত আমি সকলোৱে জৰুৰী কামৰ বাহিৰে ওলাই যাব নোৱাৰিম। যিহেতু ১-১৪ দিন পিছতহে ইয়াৰ উপসৰ্গ সমূহ দেখিবলৈ পোৱা যায়, তেনেক্ষেত্ৰত যদিহে আমি ৰোগী আৰু নিৰোগী সকলো একেলগে থাকো ইয়াৰ পৰা আৰু বেছি বিয়পি যাব পাৰে। সেইকাৰনে lockdown ৰ সময়তো আমি টেষ্টসমূহ

কৰি থাকিব লাগিব আৰু যিমান পাৰি অধিক টেষ্ট কৰিবৰ বাবে চৰকাৰে যাতে ব্যৱস্থা লয় তাৰ বাবে মই অনুৰোধ জনালো। Lock down ৰ সময়ত যিসমূহ খাটি খোৱা দৈনিক পৰিশ্ৰমী constructions ৰ পৰা আদি কৰি MGNREGA Job Card ত কাম কৰে, যি সকলে দৈনন্দিন বজাৰ সমাৰ কৰি জীৱন নিৰ্বাহ কৰে সেই সকলৰ বাবে বজাৰ-সমাৰ বন্ধ হৈ গ'লে কেনেদৰে জীৱন নিৰ্বাহ কৰিব সেই কথা খিনি আমি চিন্তা কৰিব লাগিব আৰু তাৰ বাবে আগতী য়াকৈ যাতে কিবা বিশেষ pacakge দিব পাৰি আৰু খাদ্যৰ বাবে যাতে তেওঁলোকে মৃত্যুৰ মুখত পৰিবলগীয়া নহয় সেইবাবেও চৰকাৰে চিন্তা কৰিব লাগিব। ইতিমধ্যে মন্ত্ৰীমহোদয়ে ঘোষনা কৰিলে যে অসমত এমাহৰ ভিতৰত ২০,০০০ খন isolation bed কৰিব। আজি বাতৰি কাকতত প্ৰকাশ পাইছে যে ইতিমধ্যে ৬০ খন ICU bed তৈয়াৰ কৰা হৈছে কিন্তু যোৱাকালি ডিব্ৰুগড় মেডিকেল কলেজৰ এখন ফটো দেখুৱাইছে য'ত ডাক্তৰে পিন্ধিব লগীয়া কিট সমূহ নাই আৰু ভেন্টিলেটৰ তথা অন্যান্য কিট সমূহ যিখিনি থাকিব লাগে সিমানখিনি নাই। ইতিমধ্যে স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই এটা আভাস দিলে যে আগন্তুক সময়ত আমাৰ অসমৰ পৰিস্থিতি কেনেকুৱা বিভিষীকাময় হ'ব পাৰে। আমি সকলোৱে জানো যে চীনদেশত এহেজাৰ ৰোগীৰ বাবে চাৰিখনতকৈ অধিক বিচনা আছে আৰু ভাৰতবৰ্ষত বোধকৰো দুহেজাৰৰ কাৰনে এখন বিচনা এনেকুৱা এটা তথ্য আছে। সেইকাৰনে আমি চিন্তা কৰিব লাগিব। আমি হয়তো নজনাকৈয়ে তৃতীয় stage পাই যাব পাৰো কাৰন তৃতীয় stage ৰ যিটো পৰিসংখ্যা ওলাই আছে ইটালীত তৃতীয় পৰ্য্যায়ত ১০৩৬ হৈছিলে, ইৰানত ২৪৫ আৰু ভাৰতত ইতিমধ্যে ৫০০ পাইছেগৈ বুলি তথ্য বাহিৰ হৈছে। সেয়ে এই সময়চোৱাত আমি সকলোৱে যথেষ্ট সতৰ্ক হ'ব লাগিব আৰু lockdown ৰ ক্ষেত্ৰত যিখিনি কথা কোৱা হৈছে সেইখিনিৰ লগত আমাৰ দুই-এটা পৰামৰ্শ নিশ্চিতভাৱে আজিৰ আলোচনাত ওলাব। যিহেতু অসমৰ বাহিৰত থকা বহুতো অসমীয়ালোক ঘৰলৈ আহিব পৰা নাই আৰু যিসকল আহিলে তাৰ বহুসংখ্যক বৰ্তমান পলাতক অৱস্থাত আছে। এখন ইংৰাজী বাতৰি কাকতত পঢ়িবলৈ পাইছো যে বহুতো ধনীমানুহ বিদেশত ভ্ৰমন কৰিবলৈ যায় আৰু ঘূৰি আঁহোতে যেতিয়া এয়াৰ পৰ্টত টেষ্ট হৈছে তাৰ আগে আগে তেওঁলোকে জ্বৰ কমোৱা দৰৱ খাই সেই Thermal Machine টোৰ আগত থিয় হৈ দিছে যাতে তেওঁলোকৰ temperature ধৰা নপৰে আৰু তাৰ পিছত তেওঁলোক ঘৰলৈ আহি এই বেমাৰত ভুক্তভোগী হৈ অন্য বিদেশ ভ্ৰমন নকৰা লোকসকলকো হাৰাশাস্তিত পেলাইছে। এগৰাকী মহিলাৰ কথা ওলাইছে যে দিল্লীত তেওঁ ১০ নম্বৰ কেছ আছিল আৰু তেখেতক চিকিৎসা প্ৰদান কৰা ডাক্তৰ জন এতিয়া দিল্লীত ৩০ নম্বৰ কেছ হৈছে। গতিকে isolation, self-distancing ৰ পিছতো lockdown টো এটা সাময়িক সকাহহে। সেয়ে এইক্ষেত্ৰত স্বাস্থ্যবিভাগ আৰু অধিক তৎপৰ হ'ব লাগিব। এইক্ষেত্ৰত যিধৰনৰ পূজিঁ লাগে আৰু ৰাইজক সতৰ্ক কৰিবৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব। ইতিমধ্যে বহুকেইখন ৰাজ্যত বিশেষ package ৰ ব্যৱস্থা কৰিছে। আমি ভাৱো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাইজক আশ্বস্ত কৰিব যিহেতু ১৯৫৮ চনৰ চিকিৎসাবিজ্ঞানৰ ন'বেল বিজয়ী 'Jashua Lederberg' এ এটা কথা কৈছিলে যে *"Virus is post the single biggest threat to man's continued dominance on Earth"* এই ক্ষেত্ৰত ইটালীৰ প্ৰধানমন্ত্ৰীয়ে তেনেকুৱা এটা বক্তব্যই ৰাখিছে যে আমাৰ হাতত থকা সকলোখিনি আমি চেষ্টা কৰিলো আৰু বাকিথকাখিনি এতিয়া নেদেখাজনৰ হাতত। চীনদেশত যথেষ্ট কঠোৰভাৱে তেওঁলোকে আইনখিনি বলবৎ কৰাৰ কাৰনে এতিয়া তেওঁলোকে এই ভাইৰাছৰ পৰা হাত সাৰিছে। সেয়েহে আমাৰ অসমতো চিকিৎসক সকলক উৎসাহিত কৰিবৰ

বাবে তেওঁলোকক প্ৰয়োজনীয় সামগ্ৰী মাস্ক, চেনিটাইজাৰ ইত্যাদি দিব লাগিব। সাধাৰন লোকৰ বাবে ICU ৰ ব্যৱস্থা কৰিব লাগিব আৰু সাধাৰন শ্ৰমিক সকল যিসকলৰ জীৱিকাৰ পথ নাইকিয়া হ'ব তেওঁলোকৰ বাবে আমি কেনেধৰনৰ ব্যৱস্থা কৰিব পাৰো এই কথাখিনি চৰকাৰে আমাক জনাব বুলি আমি আশা কৰিছো আৰু আমি বিৰোধী পক্ষই নিশ্চিত ভাৱে চৰকাৰক সহযোগ কৰিম কাৰন এজন ৰোগীয়ে ২.৬ মানুহক বিয়পাব পাৰে বুলি কৈছে আৰু ৬০ দিনত যদি তেওঁ ১০ টা cycle কৰে তেতিয়া হ'লে এজন ৰোগীৰ পৰা ৩৫ জন ৰোগী আক্ৰান্ত হ'ব পাৰে। সেয়েহে অসমত যিহেতু জনবসতি বেছি, এখন জনবহুল ৰাজ্য আৰু এই ৰোগটো কোন পৰ্য্যায়ত আছে আমি যদি নাজানো আৰু আমি নজনাকৈয়ে যদি আৰু বেছি পৰ্য্যায়লৈ গুছি গৈছে তেতিয়া হ'লে স্বাস্থ্যমন্ত্ৰীয়ে কোৰাৰ দৰে ভয়াবহ পৰিস্থিতি হ'ব। সেয়ে আমি আশা ৰাখিছো অসম চৰকাৰে এটা ভাল সমিধান উলিয়াব যাতে আমি সকলো আশ্বস্ত হ'ব পাৰো আৰু আমাৰ সকলোৰে জীৱন ৰক্ষা পৰে আৰু আমি ভৱিষ্যতে সমাজত মানৱৰ জয় বুলি ক'ব পাৰো। ধন্যবাদ।

**Hon'ble Speaker :** এতিয়া হাফিজ বছিৰ আহমেদ ডাঙৰীয়া।

(Hon'ble Deputy Speaker on the Chair)

**হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সমগ্ৰ পৃথিৱীৰ লগতে আমাৰ দেশ তথা আমাৰ ৰাজ্য অসমে এটা অত্যন্ত স্পৰ্শকাতৰ মূহুৰ্তৰ মাজেৰে সময় অতিবাহিত কৰিছো। আজি সমগ্ৰ পৃথিৱীত বহুতো মানুহ Corona Virus ৰ দ্বাৰা আক্ৰান্ত হৈ ভুগি আছে। Science Technology য়ে বৰ্তমান হাত ডাঙি দিয়াৰ নিচিনা অৱস্থাত উপনীত হৈছে। আমি সকলোৱে এই সময়ত নিজৰ মনত সাহস গোটাব লাগিব। আমি বিশ্বাস আৰু ভৰষা হেৰুৱাব নালাগে। যদি মানুহৰ জীৱনত আশা নাথাকে তেতিয়াহ'লে সি সময়তকৈ আগতেই মৰিবলৈ বাধ্য। আমি মানুহক সাহস তথা উৎসাহিত কৰিব লাগিব যে ইয়াৰ preventive measures যিখিনি আছে, ইয়াৰ পৰা বাচিবলৈ যিখিনি উপায় আছে সেইখিনি আমি অৱলম্বন কৰিব লাগিব আৰু আমি তাৰ পৰা কেনেকৈ বাচিব পাৰো সেই সম্পৰ্কে তাৰ আগতে আমি জ্ঞানো আহৰন কৰিব লাগিব। উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ বহুখিনি মানুহ বিশেষকৈ শ্ৰমিক শ্ৰেনীৰ মানুহ। আজি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে ভাৰতবৰ্ষৰ বাহিৰতো অসমৰ বিভিন্ন মানুহে কাম কৰিবলৈ গৈছে আৰু এই ভাইৰাছৰ সংক্ৰমনৰ যিটো ধাৰা, যি ঠাইত Corona Virus সম্প্ৰসাৰিত হৈছে সেই ঠাইৰ পৰা মানুহ যদি আহে আৰু সংমিশ্ৰনৰ ফলত এই ভাইৰাছ সংক্ৰমিত হৈ প্ৰশাৰিত হ'ব। এই ক্ষেত্ৰত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই জনতা কাৰ্ফিউ দি isolation ৰ ব্যৱস্থা, মানুহৰ লগত মিলামিলিৰ যিটো প্ৰক্ৰিয়া বা ধাৰা সেইটো যাতে বন্ধ হয় আৰু তাৰ ফলস্বৰূপে এই ভাইৰাছ যাতে সংক্ৰমিত আৰু সম্প্ৰসাৰিত হ'ব নোৱাৰে আৰু লগতে মানুহৰ মাজত সচেতনাবোধ আনিবৰ বাবে এই ব্যৱস্থা লৈছে। আমি সকলোৱে ইয়াক support কৰিছো। তদুপৰি অসমতো আজি ছয়বজাৰ পৰা যি lockdown ৰ ব্যৱস্থা কৰা হৈছে এইবিলাকৰ মূল উদ্দেশ্য হৈছে যাতে সংক্ৰমিত কোনো ব্যক্তিৰ পৰা সংক্ৰমিত নোহোৱা ব্যক্তিলৈ এই ভাইৰাছ সম্প্ৰসাৰিত নহয়। এই ব্যৱস্থা আৰু কটকটীয়া কৰিব লাগিব। ইটালীৰ চিকিৎসা ব্যৱস্থা পৃথিৱীৰ ভিতৰত ২ নম্বৰত পৰে কিন্তু তেওঁলোকেও আজি হাত ডাঙি দিবলৈ বাধ্য হৈছে। আমাৰ ভাৰতবৰ্ষ ১৩০ কোটি জনগনৰ দেশ আৰু পৃথিৱীৰ দ্বিতীয় জনসংখ্যা থকা দেশ। ইয়াত যদি দুৰ্ভাগ্যবশতঃ আমি control কৰিব

নোৱাৰো আৰু সম্প্ৰসাৰনৰ গতিধাৰাটো যদি অব্যাহত থাকে তেনেহ'লে আমাৰ দেশ ভয়াবহ পৰিস্থিতিৰ সন্মূখীন হ'ব যিহেতু আমাৰ দেশত ইমান medical structure নাই। ইতিমধ্যে স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে যে আমাৰ ৰাজ্যত চৰকাৰীভাৱে মাত্ৰ ৬০ টা ICU আছে। আমাৰ চিকিৎসা কৰি ভাল কৰাৰ ব্যৱস্থাতো থাকিবই যিমানখিনি আমাৰ শক্তি সামৰ্থ্যৰ ভিতৰত আছে সেইখিনি আমি কৰিব লাগিবই। আমাৰ চিকিৎসা বিভাগৰ যি ব্যৱস্থাপনা আছে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি আমি ইয়াৰ পৰা জীয়াই থকাৰ উপায়টো বেচিকৈ অৱলম্বন কৰিব লাগিব। যাতে সেইটো সংক্ৰমিত নহয়। সেইকাৰণে যি জনসমাগম বা মিলামিলিৰ যিটো প্ৰক্ৰিয়া আছে সেইটো ব্যাহত কৰাৰ কাৰণে, বন্ধ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব।

দ্বিতীয়তে, আমি ভাৰতবৰ্ষৰ ক'বলৈ গলে প্ৰায় ১০০ শতাংশ মানুহে ধৰ্মত বিশ্বাসী। কোনোৱাই হিন্দু ধৰ্মৰ, কোনোৱাই মুছলিম, কোনোৱাই জৈন, কোনোৱাই বুদ্ধ, কোনোৱাই বেলেগ ধৰ্ম মানে। আমাৰ সৃষ্টিকৰ্তা এজন মানুহ। আমাৰ শেষ উপায় আমি নিজৰ অন্তৰত পবিত্ৰতা আনি আমি ইয়াৰ পৰাই সৃষ্টিকৰ্তাৰ ওচৰত সহায় বিচাৰিব লাগিব। সেইটো হ'ল আমাৰ আশা, মই প্ৰথমতে কৈছিলো যে আমাৰ যি পৰিস্থিতিয়েই নহওক কিয়, যেনেকুৱাই অৱস্থা নহওঁক কিয় মানুহৰ আশা থাকে। কোনোৱা এজন অদৃশ্য শক্তি আছে বুলি মানুহৰ আশা আছে যে তেওঁয়ে মোক আৰোগ্য দান কৰিব পাৰে। গতিকে এই ক্ষেত্ৰত চৰকাৰে যিখিনি ব্যৱস্থা লৈছে যথেষ্ট লৈছে আৰু আমি আৰু সতৰ্কতা অৱলম্বন কৰিব লাগিব। এইখিনি কৈ মোক এই সম্পৰ্কে ক'বলৈ দিয়াৰ কাৰণে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য কমলসিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পৃথিৱী সম্প্ৰতি এক মানসিক সংশয়ৰ মাজত চলি আছে। ক'ৰোণা ভাইৰাছৰ আতংকত আছে। মানুহ অস্থিৰভাৱে জীয়াই থাকিবলৈ বাধ্য হৈছে। তাৰ মাজতে অন্যান্য দেশ বিলাকৰ পৰা শিক্ষা লৈ ভাৰতবৰ্ষই যি প্ৰথম পদক্ষেপ হিচাপে জনতা কাৰ্ফিউৰ মাজেদি আৰু অসম তথা অন্যান্য ৰাজ্যবিলাকত যি Lock Down ৰ ব্যৱস্থা কৰিছে ই খুব সুন্দৰ এটা পদক্ষেপ বুলি আমি ক'ব লাগিব। এই Lock Down ৰ পিছত flight cancel হোৱাৰ বাবে আমাৰ অসমৰ পৰা বাহিৰত পঢ়িবলৈ যোৱা কিছুমান ছাত্ৰ-ছাত্ৰী বিভিন্ন ঠাইত আবদ্ধ হৈ আছে। তাৰে এটা উদাহৰণ ৰাজস্থানৰ কোটা, জয়পুৰ ইত্যাদিত অসমৰ প্ৰায় ১০০ জন মান ছাত্ৰ-ছাত্ৰী আবদ্ধ হৈ আছে। আজি তেওঁলোকে চকুত চকুলো লৈ কান্দোনৰ ৰোল তুলি আছে। কিছুমানৰ অহাকালিলৈকে flight আছিল কিন্তু cancel হোৱা কাৰণে তেওঁলোক আহিব নোৱাৰিব। গতিকে সেইসকল ছাত্ৰ-ছাত্ৰীক আমি কেনেকৈ ৰাজস্থান চৰকাৰৰ লগত আলোচনা কৰি অসমলৈ অনাৰ কিবা ব্যৱস্থা কৰা যায় নেকি সেই কথাটো মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জ্ঞাত কৰিব বিচাৰিছো । ইয়াৰ উপৰিও বঙাইগাওঁ, চিৰাং, বাক্সা, গোৱালপাৰাকে আদি কৰি অসমৰ বিভিন্ন জিলাৰ বহুত ছাত্ৰ-ছাত্ৰীয়ে তাত অধ্যয়ণৰত অৱস্থাত আছে। গতিকে এই ক্ষেত্ৰত এটা উচিত ব্যৱস্থা কৰি সেই সকল ছাত্ৰ-ছাত্ৰীক যদি আমি উদ্ধাৰ কৰি অসমলৈ আনিব পাৰো সেইটো আমাৰ চৰকাৰৰ এটা নিশ্চয় মহৎ কাম হ'ব। গতিকে ৰাজস্থান চৰকাৰৰ লগত নিশ্চয় আলোচনাটো কৰিব। ইয়াত মন্ত্ৰী মহোদয় নাই যদিও মই আপোনাৰ জৰিয়তে তেখেতক জ্ঞাত কৰিব বিচাৰিছো। আপুনি নিশ্চয় ইয়াৰ বাবে উচিত পদক্ষেপটো ল'ব আৰু আমি যাতে এই ভাইৰাচৰ পৰা অতি সোনকালে মুক্ত হ'ব পাৰো তাৰবাবে আমাৰ বিভিন্ন মহকুমা বিলাকত যিবোৰ কমিউনিটি স্বাস্থ্যকেন্দ্ৰ আছে সেইবোৰ সক্ৰিয় কৰি তাত যিসকল ডক্টৰ, নাৰ্চ

কৰ্মৰত অৱস্থাত আছে, প্ৰশিক্ষণ দি হ'লেও যাতে আমি উচিত সময়ত উচিত পদক্ষেপ ল'ব পাৰো তাৰ ব্যৱস্থা ল'ব। সেই কমিউনিটি স্বাস্থ্যকেন্দ্ৰবোৰ যাতে সজাগ কৰি তুলিব পাৰে তাৰ কাৰণে ব্যৱস্থা ল'ব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন, বোকাখাত ঃ** ক'ৰোণাৰ ওপৰত মোক ক'বলৈ অনুমতি দিয়াৰ বাবে মই মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। ক'ৰোণা ভাইৰাচ ১৯২ খন দেশত যি ত্ৰাসৰ সৃষ্টি কৰিছে ই মানৱ দেহত পোন প্ৰথম বাৰৰ বাবে আক্ৰমণ হোৱা ভাইৰাচ। ইয়াৰ ক্লেনিকেল কোনো ডাটা নাই, আগন্তুক দিনত ই কি ধৰণে ধ্বংশ কৰিব পাৰে তাৰ খুব কম ব্যাখ্যা আছে। ডিচেম্বৰ, জানুৱাৰী মাহৰ পৰা চাইনাৰ পৰা যি তথ্য আহিছে সেই খিনিয়ে আমি আজিলৈকে তাৰ ডাটা বুলি ক'ব পাৰো। গোটেই বিশ্ব ব্ৰহ্মাণ্ডত এতিয়ালৈকে ১৯২ খন দেশত ৩০ লাখ ৫০ হাজাৰৰো অধিক লোক আক্ৰান্ত হৈছে। তাৰ ভিতৰত ১৫ হাজাৰতকৈ অধিক লোকৰ প্ৰাণ নাশ হৈছে। কিন্তু এটা সুখৰ কথা যে চাৰে তিনি লাখতকৈও অধিক লোক আক্ৰান্ত হোৱা লোকৰ ভিতৰত ১ লাখ আক্ৰান্ত লোক ৰিকভাৰী হৈছে। সেইটো আমাৰ কাৰণে এটা সুখবৰ আৰু ভাৰতবৰ্ষতো যোৱাকালিলৈকে ৪২৫ গৰাকী লোক আক্ৰান্ত হৈছে। তাৰ ভিতৰত ৩৩ গৰাকী ব্যক্তি ৰিকভাৰী হৈছে। আৰু এটা ভাল খবৰ যে ইটালীত য'ত হাত দাঙি দিছে তেখেতসকলে যে আৰু কৰিবলগীয়া নাই তেনে ক্ষেত্ৰত ইটালীৰ পৰা অহা ১৪ গৰাকী ব্যক্তি মেদান্ত মেডিচিটিত চিকিৎসা লৈ থকা ১১ গৰাকীকৈ ব্যক্তি ৰিকভাৰী কৰিছে। এইকেইটা আমাৰ ভাল খবৰ। গতিকে এই ভাইৰাচটো বাবে আমি যি lock down কৰাৰ কথা কৈছো এই ক্ষেত্ৰত মানুহৰ মনত এটাই প্ৰশ্ন হৈছে যে কিয় কৰিব লাগে? । কৰিম নে নকৰিম, শুনিম নে নুশুনিম তেনেকুৱা কথা। এই স্পষ্ট ধাৰণা এটা নথকাৰ বাবে ৰাইজৰ মাজত তেখেত সকলে কিছুমানে চিৰিয়াচলি লৈছে কিছুমানে ভাৰিছে এইবোৰ চিৰিয়াছলি লোৱাৰ প্ৰয়োজন নাই। এই ভাইৰাচটো এতিয়া দেখা গৈছে এভাৰেচ ১০ দিন মানৱ দেহত থাকিব পাৰে জীৱিত অৱস্থাত। ১০ দিনৰ পিছত ভাইৰাচ ফ্ৰি হোৱা দেখা গৈছে। কিন্তু চাইনাৰ এগৰাকী ব্যক্তিৰ দেহত ৩৭ দিন লৈকে ভাইৰাচটো থকা প্ৰমাণিত হৈছে। গতিকে ইয়াৰ যিহেতু ট্ৰিটমেন্ট ওলোৱা নাই আৰু আমি আজিলৈকে চিমত'মেটিক ট্ৰিটমেন্ট, চাপৰ্তিভ ট্ৰিটমেন্ট হে পাইছো। গতিকে ইয়াৰ এটাই উপায় হৈছে প্ৰিভেনচন। প্ৰিভেনচনৰ কাৰণে আমি যিটো বস্তু কৰিব লাগে এইটো কোৱাৰেনটাইন। ইজনে সিজনৰ পৰা দুৰত থাকিব লাগে আৰু যিটো লক ডাউন বুলি কৈছে এইটো কাকো অন্যায় কৰিবলৈ নহয়। প্ৰত্যেক গৰাকী ব্যক্তিৰ লাইভ চেভ কৰাৰ বাবে এইটো কৰা হৈছে। আজি আমাৰ স্বাস্থ্য মন্ত্ৰী দুগৰাকী অসমৰ ইমুৰৰ পৰা সিমুৰলৈ অশেষ কষ্ট কৰিছে। ৰাতিপুৱা যদি ডিব্ৰুগড়ত দুপৰীয়া যোৰাহাটত গধূলি গুৱাহাটীত। অশেষ কষ্ট কৰিছে অসমৰ লোক সকলৰ জীৱনৰ যাতে কোনো হানি নহয়। গতিকে এই ক্ষেত্ৰত মই আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো । তেখেতসকলে খুব কষ্ট কৰি অসমৰ জনগণৰ কাৰণে চিন্তা কৰিছে। খালী এটা কথাত মোৰ অনুৰোধ যে মন্ত্ৰী গৰাকী কষ্ট কৰিছে ইউ আৰ এ ভেৰি প্ৰেচিয়াচ মেন ফৰ আচাম ৰাইট নাউ। আপোনালোকেও ঘূৰি ফুৰোতে সতৰ্কতা মূলক ব্যৱস্থা বিলাক ল'ব লাগিব। যিটো ৰিক'মেণ্ডেচন আছে দূৰে-দূৰে থকাৰ আমি সকলোৰে এইটো কৰিব লাগিব। লগতে আজি যিটো লগ ডাউন কৰাৰ কথা কৈছে সেই লগ ডাউন কৰাৰ কাৰণে আমি প্ৰত্যেক গৰাকী ব্যক্তিয়ে নিজে নিজে এটা চিন্তাবিদ, চিন্তাশীল ব্যক্তি হ'ব লাগিব। আজি বহুতে কয় ডক্টৰৰ পৰামৰ্শ লম যে এই চিকিৎসা কেনেকৈ কি কৰিব লাগে । মই ভাৱো অসমৰ প্ৰত্যেক গৰাকী

ব্যক্তি আমি নিজেই এই ৰোগৰ কাৰণে একো একোজন ডাক্তৰ। যদি তেখেতে ভাৱে বেমাৰৰ পৰা মুক্ত হ'ব লাগে তেওঁ যিখিনি ব্যৱস্থা দিয়া হৈছে যেনে কোৱাৰেন্টাইন যিটো আতঁৰত থাকি, ঘৰৰ ভিতৰত থাকি খুব মিনিমাম দৰকাৰ নহ'লে যাতে ঘৰৰ পৰা ওলাই নাহে আৰু ঘৰৰ পৰা বেচি দূৰলৈ নাযায়। তাৰ ব্যৱস্থা যদি আমি নিজেই কৰো ডাক্তৰৰ নিচিনা কাম কৰিবলৈ সক্ষম হ'ম বুলি মোৰ বিশ্বাস। মাননীয় উপাধ্যক্ষ মহোদয়, আজি যদিও বহুতৰ ধাৰণা যে বাহিৰত থকা ব্যক্তি সকলক লৈ আহিব লাগে, হয়, আমি বিচাৰো যে অসমৰ প্ৰত্যেক গৰাকী সন্তান অসমত ঘুৰি আহক কিন্তু আজিৰ তাৰিখত যিয়ে য'ত আছে তাতেই থাকি যদি নিজক ভালদৰে ৰাখিব পাৰে মই ভাৱো সেইটো বেচি ইফেকটিভ হ'ব। যিহেতু ট্ৰান্সপোৰ্টেচন যদি কৰা যায়, তেখেত সকলে সেই ভাইৰাছ কেৰি কৰি আহি ইয়াত বিয়পাব পাৰে। উত্তৰ পূৰ্বাঞ্চলত যোৱাকালিলৈকে এজনো ব্যক্তি আক্ৰান্ত হোৱা নাছিল কিন্তু আজিৰ খবৰ মতে মণিপুৰত এগৰাকী ব্যক্তি লণ্ডনৰ পৰা আহি পজিটিভ হৈছে বুলি আমি গম পাইছো। গতিকে এইটো এটা দুখৰ খবৰ। যে আমাৰ উত্তৰ পূ ৰ্বাঞ্চল যি ক'ৰোণা ভাইৰাচৰ পৰা মুক্ত আছিল যোৱাকালিলৈকে এতিয়া আৰু সেইটো ডিমাণ্ড কৰিব নোৱাৰো। অসমত আজিলৈকে এটাও পজিটিভ কেচ পোৱা নাই। এইটো খুব ভাল কথা । মই আশা কৰো আৰু ঈশ্বৰৰ ওচৰতো প্ৰাৰ্থণা কৰো যাতে এটাও পজিটিভ কেচ আমাৰ ইয়াত নহয় আৰু যি ধৰণেৰে স্বাস্থ্য বিভাগে আগন্তুক দিনত মোকাবিলা কৰিবলৈ ব্যৱস্থা লৈছে সেয়া খুব আদৰণীয়। কিন্তু এটাই কথা ইয়াৰ যিটো মুড অৱ ইনফেকচন যে বহুত ব্যক্তিক একেলগে আক্ৰমণ কৰিব পাৰে আমাৰ দেশখনৰ বাবে সেইখিনি মোকাবিলা কৰিবৰ শক্তি নাই। গতিকে সেইটো চিটুৱেচন অহাৰ আগতে আমি যাতে প্ৰিভেন্ট কৰিব পাৰো। তাৰ কাৰণে নীতি নিৰ্দেশনা আমি মানিব লাগিব। এতিয়া কেৰেলা, মহাৰাষ্ট্ৰ, চেন্নাইৰ পৰা যিসকল ব্যক্তি আহিছে চৰকাৰে ষ্টাম্প এটা লগাই সিহঁতৰ চিনাকি কৰিবৰ কাৰণে ব্যৱস্থা লৈছে । গাওঁত গৈ বহু লোকে নিয়মখিনি পালন কৰিছে। কৰ'বাত কৰ'বাত দুই চাৰি গৰাকী ব্যক্তি ঘৰৰ পৰা ওলাই আহিছে বজাৰ সমাৰলৈ গৈছে। এইটো এটা চিন্তনীয় বিষয়। যিহেতু ১৪ দিনৰ আগতে আমি ক'ব নোৱাৰো যে সেই গৰাকী ব্যক্তি এই ক'ৰোণা ভাইৰাচৰ পৰা মুক্ত হয় নে নহয়। গতিকে মই সকলোকে আজিৰ দিনটোত বিধান সভাৰ এই পবিত্ৰ মজিয়াৰ পৰা ক'ব বিচাৰিছো যে এই কোৱাৰেন্টাইনৰ যিটো নিয়ম সকলোৱে মানি চলক। আপুনিও বাচক আৰু আমাকো বাচি থাকিবলৈ দিয়ক। এই কথাটোৱে যে ক'ৰোণা ভাইৰাচটো বাহিৰতে থাকে ঘৰৰ ভিতৰত সোমাব নুখোজে কিন্তু আমি যদি বাহিৰৰ পৰা আঁকোৱালি লৈ আহো নিশ্চয় আমাৰ ঘৰলৈ সোমাব। এইটোৱে নিয়ম যে ক'ৰোণাক আমাৰ ঘৰলৈ সোমাব নিদিওঁ আৰু বাহিৰত গৈও আমি ক'ৰোণাক আকোৱালি নলওঁ। আগন্তুক ১৪ দিনত আমি সকলোৱে এটাই কথা চিন্তা কৰিব লাগিব সকলো দল-সংগঠন, সৰ্ব্বদলীয় নেতা বা বিধায়ক মন্ত্ৰী আমি কোনেও কাকো দলীয়ভাৱে, ৰাজনৈতিকভাৱে ক্ৰিটিচাইচ নকৰো বুলি আজি প্ৰমিচ কৰি অকল ক'ৰোণাৰ বিৰুদ্ধে আমি এটাই কথা চিন্তা কৰিব লাগিব যে, আগন্তুক ১৪ দিনত সকলো দল -সংগঠন বা সকলো দলীয় নেতা বা বিধায়ক মন্ত্ৰী আমি কোনোও কাকো দলীয় ভাবে, ৰাজনৈতিক ভাবে সমালোচনা নকৰো বুলি promise কৰি অকল কৰ'ণাৰ বিৰুদ্ধে এই ১৪ দিন আমি ল'ম বুলি প্ৰতিজ্ঞাবদ্ধ হ'ব বুলি মই আশা কৰিছো। এইখিনিকে কৈ কৰ'ণাৰ বিৰুদ্ধে আমাৰ যুঁজখন আৰু কটকটীয়া কৰি তুলিবলৈ আমি সকলোৱে মাননীয় স্বাস্থ্য মন্ত্ৰী দুগৰাকীক সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দি আমি সকলোৱে যাতে বিধান সভাৰ পৰা যাওঁ। এই খিনিকে অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো ধন্যবাদ।

**माननीय উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য ৰকিবুল হুছেইন।

**শ্ৰীৰকিবুল হুছেইন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, - ক'ভিড-১৯ৰ ভয়াবহ সংক্ৰামক- নোভেল ক'ৰণাক লৈ আতংকিত নহয় সচেতন হওঁক। এই বিষয়ে সদনত যিটো আলোচনা হৈছে- মাননীয় স্বাস্থ্য- বিত্ত মন্ত্ৰী ডাঙৰীয়াই Appropriation Bill ৰ সময়ত ক'ৰণা সম্পৰ্কে যিকেইটা কথা কৈছিলে সেই কেইটাৰে আঁত ধৰি ৰিপিট নকৰাকৈ মই সংক্ষেপে দুআষাড় ক'ব বিচাৰিছো। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে এই সময়টোত একত্ৰিত ভাবে মত পাৰ্থক্য পাহৰি পাৰস্পৰিক সহযোগিতাৰ জড়িয়তে আমি এই ক'ৰণা - ক'ভিড-১৯ক আমি পৰাস্ত কৰিব লাগিব। এই কথাখিনি কৈ থাকোতে মোৰ মনত পৰিল- হয় আমি মানুহ শ্ৰেষ্ঠ জীৱ- আমি নিজকে শ্ৰেষ্ঠ কৈছো- কিন্তু কোনো জন্তুৱে আমাক মিটিঙ পাতি শ্ৰেষ্ঠ বুলি কোৱা নাই। আমি এটা কথা জানো কিন্তু কিমান সত্য আমি নাজানো যে যেতিয়া প্ৰাকৃতিক দুৰ্যোগ আহে বাঘ আৰু ছাগলি হেনো একেলগে থাকে। ওচৰত থাকিলেও বাঘে হেনো ছাগলিক আক্ৰমণ নকৰে। জন্তুৰ পৰা আমি শিকিব লগা আছে বুলি আমাৰ মাননীয় মোমিন ডাঙৰীয়াই উল্লেখ কৰিছে তেখেতৰ বক্তব্যত। তেখেতে কৈছে এই সময়খিনিত মত-পাৰ্থ্যক্য পৰিহাৰ কৰি আমি একত্ৰিত হোৱাৰ প্ৰয়োজন আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যদি মানুহ নাথাকে মথাউৰিৰ কৰাৰ প্ৰয়োজনে নাথাকে আৰু এই বিষয়ে আলোচনা কৰি একো লাভ নাই। আমাৰ চকুৰ আগতে বহু বস্তু নাইকীয়া হোৱা দেখা পাইছো। সৰুতে আমাক পিছাৰ ওচৰত যাবলৈ নিদিয়ে কাৰন আমাক ডাকে। এতিয়া বিছা প্ৰায় নাইকীয়া হৈছে। ডাইনোচ'ৰৰ কথা নকলো যেনিবা। এনেকুৱা হ'ব পাৰে নেকি যে ভৱিষ্যতে মানুহ নাইকীয়া হ'ব। এনে এটা ভয়াবহ সময়ত আমি শ্ৰেষ্ঠ বুলি কোৱা মানুহে একত্ৰিত হোৱাৰ প্ৰয়োজন আছে বুলি কৈ আমাৰ প্ৰাক্তণ প্ৰশাসনিক বিষয়া আৰু লেখিকা শ্ৰীমতী লীণা শৰ্মা ডাঙৰীয়ানীয়ে 'প্ৰতিদিন' কাকতত লেখা এটা বাক্য উদ্ধৃত কৰিব বিচাৰিছো। " মানুহে নিজৰ সীমাবদ্ধতা বুজা উচিত। এনেধৰনৰ বিভী যিকাই জাতি, ধৰ্ম , ভাষা বৰ্ণ ৰ কোনো বিভিদ নৰখাকৈ ধ্বংসলীলাৰ সৃষ্টি কৰে। অৰ্থ্যাৎ ক'ৰণা ভাইৰাচৰ দৃষ্টিত আমি কেৱল মানুহ। হাওঁফাওঁ ওপৰত আক্ৰমণ ইয়াৰ লক্ষ্য। গতিকে ভাল সময়ত আমি কিয়নো নিজকে অকল মানুহ বুলি ভাবিব নোৱাৰো। তেখেতে আকৌ লিখিছে যে ক'ৰণাৰ আতংক -মুখত মাস্ক লগাই , হাতত চেনিটাইজাৰ লগাই। ঘৰতে সোমাই থকা এগৰাকী নিজৰ জীৱনক লৈ কঁপি থকা মানুহ এজনী হয়তো কাইলৈ পকেট মাৰ বা চোৰ বুলি কোনোৱা এজনক মৰিয়াই মৰিয়াই মাৰি পেলাবলৈ আমি কুণ্ঠাবোধ নকৰিম। জীৱনক সকলোৰে ভাল পায় আৰু মৃত্যুক সকলোৰে ভয় কৰে। মৃত্যুক লৈ থকা ভয় অনুভৱ কৰাটোৰ সময় এই কণে । তেখেতে এপিল কৰিছে আহক আমি সকলোৰে মানুহ হওঁ। আমি সকলোৰে পৰিবেশৰ লগত সচেতন হওঁ। আহক আমি এই ৰোগটো লৈ সজাগ - সচেতন হওঁ। " তেখেতে দুখৰ সময়তো হাঁহিৰ কথা কৈছে- ' ববী' চিনেমাৰ এটা গাণৰ কলি দিছে- " বাহাৰ সে কোই অন্দৰ না আ সেকে- অন্দৰ সে বাহাৰ না কই যা সেকে। " ভীতিগ্ৰস্থ হোৱাৰ প্ৰয়োজন নাই। কিন্ত সাবধান হোৱাৰ প্ৰয়োজন আছে। এগৰাকী ডক্টৰে লিখিছে যে - অনাহকত জন সমদল হোৱা কাৰ্য্যই ক'ভিড- ১৯ ত্বৰান্বিত কৰে। কালি মই মন্ত্ৰী ডাঙৰীয়াৰ প্ৰেছ ষ্টেটমেন্টটো গভীৰভাবে চাইছো। এই কথাখিনি তাত উল্লেখ আছে। মাননীয় উপাধ্যক্ষ মহোদয় মই ৰিপিট নকৰো কেৱল সংক্ষেপে ক'ব বিচাৰিছো। যোৱা কালি নীতি নিয়ম মানি মই প্ৰতিনিধিত্ব কৰা অঞ্চলটোত গ'লো। সেই অঞ্চলত যাওঁতে বিভিন্ন ঠাইত ঘুৰিলো। আমি দেখিছো যে চহৰবিলাকত মোটামোটি সজাগ। ইয়াৰ প্ৰতিৰোধৰ বাবে বিভিন্ন কথাবিলাক আমি মানিছো। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে চৰকাৰক অনুৰোধ

কৰিম যে আৰু অলপ সজাগতাৰ প্ৰয়োজন আছে নেকি চিন্তা কৰিলে ভাল হ'ব। এজন মানুহে লগ ।উন নামানিলে জেল হাজোতলৈ যাব। যিহেতু সকলোৱে জীয়াই থাকিব বিচাৰে আৰু ইয়াৰ বাহিৰেও ˉ কিবা কাউন্সেলিঙ কৰিব পাৰে নেকি এই কথাখিনি অকনমান দৃষ্টিগোচৰ কৰিব পাৰেনেকি তাৰ বাবে মই চৰকাৰক অনুৰোধ কৰিছো। উপাধ্যক্ষ মহোদয়- আপোনাৰ জৰিয়তে অধ্যক্ষ ডাঙৰীয়াক এটা অনুৰোধ কৰিব বিচাৰিছো। যে গণতান্ত্ৰিক সংসদীয় ব্যৱস্থাত ভাল পোৱা - বেয়া পোৱা মানুহ পজিশ্যন- অপজিশ্যন বহু থাকে। পৃথিৱীত আমি এটা নজিৰ দেখুৱাব পাৰো নেকি? এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ দৰে আমি সকলোৱে সৰু সুৰা মত পাৰ্থক্য পাহৰি একত্ৰিত হওঁ। অধ্যক্ষ ডাঙৰীয়াই এটা এপিল কৰক- এইটো মোৰ ব্যাক্তিগত কথা আপোনালোকে ভাবি চাব আমি অসমত ৩কোটি ৩৩ লাখ মানুহ আছো। ১২৬ টা সমষ্টিৰ প্ৰতিনিধি আছো। আমাৰ সমষ্টিত যিসকলে আমাক নিৰ্ব্বাচিত কৰিলে তেওলোকৰো আমি প্ৰতিনিধি , যিসকলে আমাক নিৰ্ব্বাচিত কৰা নাই সেই সকলোৰো আমি প্ৰতিনিধি। যিসকলে ভোটাধিকাৰ পোৱা নাই সেই সকলোৰো আমি প্ৰতিনিধি। গতিকে আমি ইয়াত আজি গোটেই অসমখন ইয়াত উপস্থিত আছো। গতিকে চৰকাৰে যিখিনি কৰিছে আমি সমৰ্থন কৰিছো। লগতে সকলোৱে মানিব পৰাকৈ এটা এপিল আমি কৰিব পাৰোনেকি , খুৱ নম্ৰভাবে আমি স্পীকাৰ মহোদয়ৰ নাম দি প্ৰত্যোকজন বিধায়কৰ নাম আৰু স্বাক্ষৰ দি এটা এপীল যদি আমি কৰো তেন্তে ফলদায়ক হ'ব নেকি? সকলো বিধায়ক- মন্ত্ৰীৰ নাম থাকিব, অধ্যক্ষৰ নাম থাকিব- তেতিয়া মই ভাবো একত্ৰিতভাবে মত পাৰ্থক্য বাদ দি পাৰস্পৰিক সহযোগিতাৰে কৰিলে কথাখিনি বেছি পৰিস্ফুত হ'ব। এই কথাখিনি গাওঁৰ মানুহৰ ওচৰলৈ গৈ পাব। ক'ৰণাৰ বিষয়ে আমি পঢ়ি যিখিনি বুজিছো- Community spread হ'লে-বা সংক্ৰামক ৰূপ ল'লে ই এটা Community তে নাথাকে বেলেগ বেলেগ Community লৈ যাব আৰু এটা ভয়াবহ পৰিবেশ সৃষ্টি হ'ব। এই কথাখিনি বিনম্ৰতাৰে চিন্তা কৰিবলৈ অনুৰোধ জনাইছো। কেৱল জেল হাজোতলৈ নিলে বহুতে মানিব বা বহুতে নামানিব পাৰে। এই তথ্য প্ৰযুক্তিৰ দিনত বহু ৰাস্তা আছে- আমি যদি ভয়চ মেচেজ দিও- যে, আমি সকলো পলিটিকেল পাৰ্টি এই ক'ৰণা প্ৰতিৰোধৰ ক্ষেত্ৰত একত্ৰিত। উপাধ্যক্ষ মহোদয়, এই সময়ত চৰকাৰে কিছু কাম কৰিব লাগিব। যিসকলে দিন হাজিৰা কৰে, যিসকল চাহ জনগোষ্ঠীৰ লোক আছে, লগে ভাগে পাত তুলি আছে বাগিছাত , তেওলোকে পেটৰ দায়ত কাম কৰিছে- চৰকাৰে সকলোকে লগ ডাউন কৰাব নোৱাৰিব। আমি চৰকাৰক ভেজা দিলে - সেই ভেজাটো আমাৰ ওপৰতে পৰিব। গতিকে আমি চৰকাৰক ভেজা দিব খোজা নাই - আমি অনুৰোধ কৰিম যিসকলে লগ ডাউনৰ সময়ছোৱাত দিন হাজিৰা কৰি খায়, শ্ৰমিকসকল, যিসকলে বাহিৰলৈ নগ'লে পেটৰ ভোক গুছাব নোৱাৰে সেইসকলক চৰকাৰে চৰকাৰী ভাবে কিছু সাহাৰ্য্য দিয়াৰ ব্যৱস্থা লওঁক। আমি লগতে এটা এপিল কৰো- যদি লগ ডাউন বৃদ্ধি কৰিব লগা হয়, ওচৰৰ যিজন আৰ্থিকভাবে অলপ স্বচ্ছল পৰিয়াল আছে তেওঁ লোক , যদি নাটনি হয় ওচৰৰ দুখীয়া দুই এটা পৰিয়ালক যাতে অন্তত চাউল- ডালি , তেল দি এই বিপদৰ সময়ত সহায় কৰে।

(অধ্যক্ষ মহোদয়ৰ সদনত প্ৰবেশ)

এনেদৰে এই ভাইৰাচটো প্ৰতিৰোধ কৰিবৰ বাবে collective request এটা ৰাইজৰ মাজলৈ পঠিয়াবলৈ মই অনুৰোধ কৰিব খুজিছো অধ্যক্ষ মহোদয়। আপোনাৰ নেতৃত্বত আপোনাৰ নাম দি চৰকাৰে এখন 'লিফটলেট ' উলিয়াওক আৰু তাত প্ৰতিজন মন্ত্ৰী-বিধায়কৰ নাম সন্নিবিষ্ট কৰি প্ৰতিটো সমষ্টিৰ প্ৰতিখন গাওঁ- বা ঠাইতে বিলাই দিয়াৰ ব্যৱস্থা কৰক। অধ্যক্ষ মহোদয় যোৱা কালি মই

নগাওঁত গৈছিলো - নগাওঁ টাউনত দেখিছো ৰাইজ সচেতন হৈছে, মানিছে- কিন্তু বিতৰুৱা অঞ্চলত যেতিয়া গৈছো, দেখিছো ৰাইজ সচেতন হোৱা নাই। অকল এটা কমিউনিটি নহয়, বিভিন্ন কমিউনিটি আছে। বহুতে এতিয়াও সজাগ হোৱা নাই। গুৱাহাটীতো দেখিছো বহুতে সজাগ হোৱা নাই। গতিকে সজাগতা ব্যাপকভাবে কৰিবলৈ আমি বিধান সভাৰ পৰা এটা কলেকটিভ ৰিকোৱেষ্ট বা এটা এপিল যদি আমি কৰো তেতিয়া মই ভাবো এইটো এটা সুন্দৰ পদক্ষেপ হ'ব যিটো ভাৰত বৰ্ষৰে নহয় পৃথিৱীৰ কাৰনে এটা নজিৰ হ'ব। গতিকে এইখিনি কথা কৈ অধ্যক্ষ মহোদয়,পাৰস্পৰিক সহযোগিতাৰ কথাখিনি সমৰ্থন কৰি মই মোৰ বক্তব্য শেষ কৰিছো।

**माननीय অধ্যক্ষ ঃ** আমাৰ এতিয়া সময় ১ বাজি ১০ মিনিট। All are valuable Members. সকলোৰে অভিজ্ঞতা আছে। শাসক- বিৰোধী সকলোৰে শ্লিপ দিছে কিন্তু আমি সকলোকে দিব নোৱাৰো। আমিনুল ইছলাম , ৰণোজ পেগু, প্ৰদীপ হাজৰিকা, অশোক সিংহী আছে। মেজৰ পাৰ্টি দুজনক আপোনালোকৰ পৰা দিম। অসম চৰকাৰৰ collective view টো কি সেইটো মন্ত্ৰী ডাঙৰীয়াই দিয়ক। তাত কিবা clarification থাকিলে দিব। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয, মই আপোনাৰ লগত যোগ কৰিম যে, সদস্যসকলৰ যদি কিবা specific point জানিবলগীয়া থাকিলে কাগজত লিখি দিলে মই কথাৰ মাজত উত্তৰ দিবলৈ চেষ্টা কৰিম। পোন প্ৰথমে মই কৰ'ণা সম্পৰ্কীয় আলোচনাত অংশ গ্ৰহণ কৰা আমাৰ সন্মানীয় সদস্যসকলক ধন্যবাদ জনাইছো। বিশেষকৈ দেৱব্ৰত শইকীয়া ডাঙৰীয়া, ৰকিবুল হুছেইন ডাঙৰীয়া, নোমল মোমিন ডাঙৰীয়া আৰু কাছিমি ডাঙৰীয়াই কেইটামান ভাল পৰামৰ্শ এই সদনত আগবঢ়ালে। তাৰ বাবে মই তেখেতসকলক ধন্যবাদ জনাইছো। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, চাইনাই ডিচেম্বৰ মাহতে WHO ক notify কৰে যে ভাইৰাছৰ এটা নতুন ষ্টেগু পোৱা গৈছে যিটোৰে কোনো Normal Treatment Response কৰা নাই। অৰ্থাৎ 'কৰোণা ভাইৰাছ' কোনো নতুন বেমাৰ নহয় এইটো বহু আগৰে পৰাই আছে। কিন্তু এই 'কৰোণা ভাইৰাছ' মানুহৰ নিয়ন্ত্ৰনত আছিল। কিন্তু এই নতুন ষ্টেগুটোৰ কথা চাইনাৰ পৰা টোটিফাই হ'ল তেতিয়া 'হু'য়ে বিষয়টো চালে আৰু এই নতুন ষ্টেগুটোক 'ক'ভিড-১৯ ' বুলি নামাকৰণ কৰিলে। এই ভাইৰাচে মানুহৰ হাওঁফাওঁত আক্ৰমণ কৰে। প্ৰথমে কাঁহ- পানী লগা, জ্বৰ ইত্যাদি symtom দেখুৱায় তাৰ পিছত হাওঁফাওঁক আক্ৰমনৰ লক্ষ্য কৰি লয়। তাৰ পিছত নিমোনিয়াৰ সৃষ্টি কৰে আৰু শ্বাস-প্ৰশ্বাস লোৱাত অসুবিধা হয়। এনে অৱস্থাত ইয়াৰ পৰিত্ৰাণ পাবলৈ ICU ত artificial oxigen দিয়াৰ পিছত recovery হয় কিন্তু কিছু নহয়। এই ভাইৰাছটোয়ে এতিয়া চাইনাত কিমান মানুহৰ মৃত্যু ঘটাইছে, কিমান আক্ৰান্ত হৈছে প্ৰকৃত তথ্য বহু সময়ত পোৱা নাযায়। কিন্তু এনেকুৱা খবৰ ওলাইছে যে চাইনাত বহু মোবাইলৰ নতুনকৈ ৰিচাৰ্জ কৰা হোৱা নাই। officially death figure টো চাইনাই ৩০০০ৰ আশে-পাশে দিছে। চাইনাত যেতিয়া ভাইৰাছটো ধৰা পৰিল সেই দেশৰ লগত প্ৰত্যক্ষ যোগাযোগ থকা মানুহে আন আন দেশলৈ আনিলে। কেইদিনমান আগলৈকে ধাৰণা কৰা হৈছিল যে এই ভাইৰাছটো বতাহত নাহে কিন্তু হুয়ে নোটিফাই কৰিছে যে বতাহতো এই ভাইৰাছটো ৮ ঘন্টা সময় থাকে। বতাহৰ দ্বাৰাও ট্ৰেন্সমিশ্যন হয়। কিন্তু প্ৰামাণিক তথ্যমতে এই ভাইৰাছটো মানুহে carry কৰে। কোনোবা মানুহৰ গাঁত এই ভাইৰাছটো থাকিলেও তেওঁৰ strong immune systemৰ কাৰণে কোনো চিমটম নেদেখুৱাব পাৰে। আমাৰ শৰীৰত বেক্‌টেৰীয়া সোমালে আমি এন্টিবাইওটিকৰ ডোজ লওঁ। কিন্তু যেতিয়া

আমাৰ শৰীৰত ভাইৰাছ সোমায় তেতিয়া আমাৰ বডিৰ ইমিউন বা এন্টিবডিয়ে যুঁজ দিয়ে। অৰ্থ্যাৎ ইয়াক প্ৰতিৰোধৰ ক্ষেত্ৰত আমাৰ শৰীৰৰ ইমিউন লেভেল বঢ়াব লাগে। ইমিউন লেভেল যাৰ কম তেওঁৰ শৰীৰত ই সোনকালে চিমটম দেখুৱালৈ আৰম্ভ কৰে।

এতিয়া আমি Airport ত Thermal Scaner লগাইছো। প্ৰতিগৰাকী অহা যোৱা কৰা যাত্ৰীৰ শৰীৰৰ উত্তাপ পৰীক্ষা কৰিছো। সন্দেহযুক্ত ৰোগীক ১৪ দিনৰ ভিতৰত পৰীক্ষা কৰিলে গম পাব পাৰি তেওঁৰ দেহলৈ বেমাৰটো সংক্ৰমিত হৈছেনে নাই। কোনো ব্যক্তি গম নোপোৱাকৈ সংক্ৰমিত হৈ থাকিলেও তেও সকলো কাম অসুবিধা নোহোৱাকৈ কৰি থাকিব পাৰে। কিন্তু টেষ্ট নকৰালৈকে আমি ক'ব নোৱাৰো যে সেই ব্যক্তিজনৰ গাঁত সেই বেমাৰটো আছে। যেতিয়া আন ব্যক্তিয়ে তেওঁৰ সংস্পৰ্শত আহিব তেতিয়া সেই ব্যক্তি গৰাকীৰ ইমিউনিটি লেভেল কম থাকিলে লগে লগে তেওঁৰ শৰীৰলৈ সংক্ৰমিত হ'ব। এই ভাইৰাছটো ছাৰফেছত কিছু সময় জীয়াই থাকিব পাৰে বুলি কোৱা হৈছে। টেবুল চেয়াৰ, দৰ্জ্জা, বাইমেট্ৰিকত হাত দিলে, এটিমৰ বটনত ইত্যাদিত থাকিব পাৰে। হুয়ে জাৰি কৰা গাইডলাইন চালে দেখিব যে টেবুলৰ ওপৰত ই ২ ঘন্টা থাকে । বতাহত ৮ ঘন্টা থাকে। বিভিন্ন ছাৰফেছত বিভিন্ন সময় থাকে। যদি টেবুল ই মজুত থাকে তেন্তে কোনোবাই তাত হাত দিয়াৰ লগে লগে তেওৰ দেহলৈ সংক্ৰমিত হ'ব। কিন্তু মোৰ হাতলৈ এই বীজানু আহিলেও মই যদি মোৰ হাতখন মোৰ মুখ- নাক বা চকুলৈ নিনিও তেন্তে মোৰ শৰীৰত সংক্ৰমন হ'ব নোৱাৰে। কাৰণ শৰীৰৰত প্ৰবেশৰ কৰানে ইয়াক এটা প্ৰবেশ পথ বা নলী লাগিব। কাৰণ ই শৰীৰৰ ছাল ভেদ কৰি সোমাব নোৱাৰে। চকু বা মুখত কিবা বস্তু সোমালে ৰেচিচটেন্স কেপাচিটি আছে। কিন্তু নাকটো চেনচেটিভ। সেই কাৰনে কোৱা হৈছে যে আধাঘন্টাৰ মুৰে মুৰে চাবোন বা চেটিটাইজাৰ ব্যাৱহাৰ কৰি হাত ধুব লাগে। গতিকে চকু মোহৰা বা নাক বা মুখলৈ হাতখন নিয়াৰ আগতে আমি হাতখন চাবোন বা চেটিটাইজাৰ ব্যাৱহাৰ কৰি হাত ধুব লাগে। খাদ্য গ্ৰহণৰ আগতেও আমাক হাতখন ভালকৈ ধুবলৈ কোৱা হৈছে। ক'ভিড-১৯ক প্ৰতিৰোধ কৰাৰ বাবে মানব শৰীৰত যিটো ইমিউন চিষ্টেম থাকে ডেকা মানুহ ষ্ট্ৰং ইমিউন চিষ্টেম থাকিলেও যদি হাই ব্লাড প্ৰেছাৰ , ডাইবেটিছ , এচথামা, নিমোনিয়া ইত্যাদি থাকে তেন্তে বুঢ়া মানুহ , কেঁচুৱা বাদেই দিয়ক ডেকা- লৰা - ছোৱালীও সহজে ইয়াৰ চিকাৰ হ'ব পাৰে। যদিহে ডেকা শৰীৰত উল্লেখিত কোনো ৰোগ ব্যাধি পূৰ্ব্বতে নাথাকে তেন্তে তেওঁৰ ইমিউন চিষ্টেমে সাধাৰণতে ইয়াৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিব পাৰে বা বেছি ক্ষেত্ৰতে আৰোগ্য লাভ কৰা দেখা গৈছে। সেই কাৰনে হুয়ে ইয়াৰ mortality rate 3 % বুলি কৈছে। কিন্তু যিবোৰ ঠাই বা দেশত বৃদ্ধ মানুহৰ সংখ্যা অধিক তাত মৃত্যুৰ হাৰটো বেছি। ইটালীত মৃত্যুহাৰ বঢ়াৰ কাৰনটো সেইটোৰে কাৰন তাত বৃদ্ধ লোকৰ সংখ্যা অধিক। কিন্তু আমাৰ ভাৰতীয় সমাজ তেনেকুৱা নহয়। ভাৰতত যুৱ প্ৰজন্ম অধিক বুলি কোৱা হয়। সেই ফালৰ পৰা আমাৰ ইয়াত হয়তো mortility will be 3 % but the same mortility will be 9% to 10 % in the Country which is ageing.এতিয়া ধৰক বহু ডেকা লৰা ছোৱালী বাহিৰৰ পৰা আহিছে। তেওলোকে ঘৰলৈ আহি মাক- দেউতাকক সাবটিলে, চৰণ চুলে তেতিয়া এই ৰোগটো মাক দেউতাকৰ শৰীৰলৈ সংক্ৰমিত হ'ল। সেই কাৰনে কোনো বাহিৰৰ পৰা অহা লৰা ছোৱালীয়ে বৰ্ত্তমান সময়ত মাক দেউতাকৰ সংস্পৰ্শলৈ অহাটো অনুচিত কাৰণ সকলোৰে জীৱনত মাক দেউতাক অমুল্য। সেই কাৰণে এই কেইদিন আমি খুৱ সাবধান হোৱা উচিত কোনো কাৰনেতে পিতৃ- মাতৃ বা অইন আপোনাজনক হাতেৰে চুৰ নালাগে। এইকেইদিন আমি তেওলোকেৰ পৰা যিমান পাৰো দুৰত থকিব লাগিব।

দ্বিতীয় গুৰুত্বপূৰ্ণ কথাটো হ'ল যিটো দেবব্ৰত শইকীয়া ডাঙৰীয়া, ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে যে ইয়াৰ ষ্টেজ- ১, ষ্টেজ-২ আৰু ষ্টেজ-৩ আছে। ষ্টেজ- ১ মানে হ'ল কোনোৱা এজন কভিড সংক্ৰিমত লোক  চাইনাৰ পৰা আমেৰিকালৈ আহিল আৰু তাত ৰোগটো ধৰা পৰিল। এইটো ষ্টেজ- ১ । কোনো এজন ব্যক্তি এয়াৰ পোৰ্টত ধৰা পৰিল লগে লগে তেওক কোৱাৰাইনটাইন কৰি ট্ৰিটমেন্ট কৰা হ'ল। পিছত সুস্থ হ'ল। কিন্তু যদি এয়াৰপোৰ্টত ধৰিব পৰা নগ'ল তেও বাহিৰত আহি এখন  ভাড়া গাড়ী ব্যৱহাৰ কৰিলে। সেই গাড়ীখনৰ ছীটত তেওঁ ভাইৰাছটো ৰাখি গ'ল লগতে ড্ৰাইভাৰ জনকো সংক্ৰমিত কৰিলে। পিছত সেই গাড়ীখন ব্যাৰহাৰ কৰা যাত্ৰীগৰাকীও ড্ৰাইভাৰ বা  ছীট ক'ভাৰত থকা ভাইৰাছৰ দ্বাৰা অজানিতভাবে কভিড-১৯ত আক্ৰান্ত হ'ল। ব্যক্তিজন যদি হোটেলত  থাকিল তেন্তে তেওঁৰ সংস্পৰ্শত আহা হোটেলৰ ষ্টাফখিনিও অজানিত ভাবে সংক্ৰমিত হ'ল। এই যিটো চেইন সৃষ্টি হ'ল সেইটো ষ্টেজ -২ হ'ব। এজন ভ্ৰমণকাৰী যদি ভূটানত গৈ কভিড-১৯ ৰোগী বুলি চিনাক্ত হ'ল যদি আমি তেওঁৰ চেইনটো পৰীক্ষা কৰো তেতিয়া দেখিম হয়তো ৪২৩ জন তেওঁৰ  সংস্পৰ্শলৈ আহিছিল। কিন্তু এই ৪২৩ জন মানুহ ইমিউন লেভেল ইমান ষ্ট্ৰং আছিল যে ১৪ দিনত কোনো চিমটম নেদেখুৱালে। ৩ তাৰিখৰ পৰা আজি ১৭ তাৰিখ হ'ল ভুটানত এতিয়াও এজন মানুহৰো হোৱা নাই। যি গৰকী মহিলা তেওঁৰ লগত আহিছিল তেওঁক তিনিবাৰ পৰীক্ষা কৰিলে ১৪ দিনৰ ভিতৰত, নাই নাই নাই on the date 14 তেওঁক প্ৰজিটিভ পালে। গতিকে এবাৰ পৰীক্ষা কৰিলে নহ'ব। এতিয়া মানুহে যে কয় পৰীক্ষা কৰিলো, ১৪ দিনৰ ভিতৰত ৩ দিনৰ দিনা নেদেখুৱালেও ৭ দিনৰ দিনা নেদেখুৱালেও ১৪ দিনৰ দিনাও প্ৰজিটিভ হ'ব পাৰে। গতিকে ১৪ দিনেই আমি মানুহৰ পৰা দূৰত থকাটো খুব প্ৰয়োজন যদি আমি বাহিৰৰ পৰা আহিছো। এতিয়া লাহে লাহে চীন দেশৰ পৰা এই বেমাৰটো আহিব আৰম্ভ কৰিলে, পৃথিৱীত বহুত ধৰণৰ কথা ওলাইছে যে দেশ বোৰ সাবধান নহ'ল, ভাৰত বৰ্ষই বহুত প্ৰাৰম্ভিক পৰ্য্যায়তে বিমান বন্দৰত আমি স্কেনিং আৰম্ভ কৰিছো। জানুৱাৰী মাহৰ ৭/৮ তাৰিখেই আমাৰ স্কেনিং আৰম্ভ হৈ গৈছিল। যি নহওঁক ইটালী, ফ্ৰান্স, ইংলেণ্ড, ইউ এচ এ এই বিলাকত এই ৰোগটোৱে যি ধৰণে বিয়পিছে সেইবাবে তাত stage i, stage ii, stage iii পাই গৈছে। আজিৰ দিনত ৩৮২০৫৭ জন মানুহ এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত ১৬৫৮৮ জন মানুহ ঢুকাইছে আৰু ১০২৫০১ জন মানুহ ভালও হ'ল। অলপ আগতে ডাঃ নোমল মমিন ডাঙৰীয়াই কলে যে ইটালীৰ পৰা যিমান আহিছিল আমাৰ ইয়াত আমি ধৰিলো চিকিৎসা হ'ল ১১ জনেই ভাল পালে আৰু এবাৰ ভাল পালে ভাল হয় কি যে পৰৱৰ্তী সময়ত সেই ভাইৰাচটো আহিলেও সেইটো দূৰ্বল ভাইৰাচ হৈ থাকিব। দ্বিতীয় সময়ত এবাৰ হৈ গলে হৈ গ'ল অসুবিধা নহয়। এতিয়া ৰিক'ভাৰী হোৱা মানুহৰ সংখ্যাও এক লাখ দুই জন। আজিৰ ষ্টেটাচটো হ'ল এনেকুৱা যে ২৬২৯৮৮ জন ৰোগী এই মুহূৰ্তত পৃথিৱীত আছে। তাৰে ২৫০৯১৩ জন হৈছে মাইল্স। তাৰমানে বেমাৰ হৈছে কিন্তু পানী লগা বেমাৰ, তেওঁলোকৰ কোনো চিন্তন দেখুওৱা নাই, নিমনীয়ালৈকে আগবঢ়া নাই। বডীয়ে ৰেভিচ কৰি আছে, তেওঁলোক ৰিক'ভাৰী হ'ব। কিন্তু ১২০৭৫ জন ব্যক্তি ক্ৰিটিকেল অৱস্থাত আছে। বেদ ক্ৰিটিকেল ব্যক্তিৰ শতাংশটো হৈছে ৫ শতাংশ। মৰ্টেলিটি ৩, কিন্তু ক্ৰিটিকেল ৫। কাৰণ aging society বিলাকত percentage of mortality will become more. আজিৰ দিনত আমি আগতে কোৱাৰ দৰে ১০২৫০১ জন মানুহ ৰিক'ভাৰী হৈছে। ভাৰতত আজি ৰাতিপুৱালৈকে ৫০৪ জন মানুহ আক্ৰান্ত হৈছে আৰু ১০ জন মানুহৰ মৃত্যু হৈছে। 504 in a country of 125 core population. তাৰমানে it is in still stage ii, the stage i, stage ii

close contact ত অহা মানুহ সকলৰ হৈছে। বহুত বিষেসজ্ঞ সকলৰ কথা যে আমি বহুত টেষ্ট কৰা নাই কাৰণে আমি পোৱা নাই বুলি কৈছে। কিন্তু এতিয়া আই চি এম আৰ য়ে কৈছে যে কাৰোবাৰ জ্বৰ দেখিলেই টেষ্ট কৰিব লাগে। গতিকে টেষ্টৰ নাম্বাৰ অনাগত দিনত বাঢ়ি যাব। এন আই ভি পুণেত নতুন টেষ্টিং কীতৰ স্বীকৃতি আহিছে কালিৰ পৰা, আগতে টেষ্টিং কীত নাছিল, ৰেষ্ট্ৰিকচন আছিল, টেষ্ট কীত বিলাক এতিয়া আহিছে। গতিকে মই ভাৱো টেষ্টৰ সংখ্যা বাঢ়িব। কিন্তু, আমেৰিকাত যোৱা কেইদিনমান আগতে আমাৰ প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই এখন ভি চি লৈছিল, তেওঁ কৈছিল যে ১ তাৰিখে আমেৰিকাত চিংগ'ল দিজিটত আছিল, ৭ তাৰিখে দাব'ল দিজিট হ'ল, ১০ তাৰিখে হাজাৰ হ'ল আৰু আজিৰ দিনত ৪৬০০০ জন আমেৰিকাত এফেক্টেদ। লাহে লাহে এনেকুৰা দ্ৰুত গতিত গৈছে যে ইটালীক বাইপাছ কৰি ল'ব। ইটালীত ৫২ হাজাৰ নে কি আছে প্ৰকৃত দাতাটো ভুল হ'ব পাৰে, but within next 2/3 days এনেকুৰা লাগি আছে যে ইটালীক বাইপাছ কৰিব। কিন্তু mortality ইটালীৰ এতিয়াও বেছি, কাৰণ আমেৰিকাত mortality হোৱা নাই। কোনো ধৰণৰ মেডিচিন এতিয়ালৈকে নাই, ভেক্‌চিনৰ বিভিন্ন ঠাইত পৰীক্ষা হৈ আছে, add of now acording to WHO. ২০ টা লেবেইটৰী এক্টিভ ভেক্‌চিনৰ ৰিৰ্ছাজ চলি আছে। কোনোবাটো এনিমেইল ট্ৰাইল, কোনোবাটো হিউমেন ট্ৰাইল, কোনোবাটো আৰ এন এম এ য়ে উলিওৱা। So 20 Laboratory is actively engage in creating a vaccine against Covid 19, কিন্তু কাৰো এতিয়ালৈকে ৰিজাল্ট অহা নাই। আমেৰিকাৰ হিউমেন ট্ৰাইলৰ এটা ঘটনা আহিছে, আমি পঢ়িছো, জাৰ্মানী আৰু ইজৰাইলৰ ভেক্‌চিনো বহুখিনি আগবঢ়া বুলি কোৱা হৈছে। মেডিচিনৰ ক্ষেত্ৰত চীন দেশে কৈছে যে এটা ৰেনিটিচিট বুলি যিটো এন্‌টিভাইৰেল ট্ৰিটমেন্ট আছে সেইটো এফেক্টিভ, আমেৰিকাই কৈছে Hydroxychloroquine in certaint situation of afective আৰু প্ৰাইমাক্ল'ৰোকুইন যিটো আছে সেইটো জাৰ্মানীয়ে কৈছে যে এইটো কিছু ক্ষেত্ৰত এফেক্টিভ। আমাৰ আই চি এম আৰে কৈছে যে গোটেই কেইটাই আমি এফেক্টিভ বুলি ক'ব নোৱাৰো। কিন্তু হেল্‌থ ৱৰ্কাৰ যি সকল বেমাৰীৰ ওচৰত যায় বা যি সকল ঘৰত ইতিমধ্যে প্ৰজিটিভ কেছ হৈ গৈছে তেওঁলোকে Hydroxychloroquine 400mg খোৱাতো উচিত আৰু দ্ৰোচখিনি তেওঁলোকে বিভিন্ন দিছে আৰু যদিহে প্ৰজিটিভ কেছৰ লগত আমি সংস্পৰ্শত আহো either by need of treatment বা একেখন ঘৰত মোৰ দাদাৰ হৈছে, দাদাৰ চিন্তম এনেকুৰা নহয় যে হস্পিটালত নিব লগীয়া হৈছে কিন্তু দাদাৰ লগত মই সহবাস কৰি আছো so for me it is better to have Hydroxychloroquine খালে মোৰ ইয়াত ইমিনিটিটো বুষ্টআপ কৰিব বুলি আই চি এম আৰে কৈছে। আমি এই গোটেই ঘটনাবিলাকৰ ওপৰত নজৰ ৰাখিছো আৰু আমি সেই দিশত কাম কৰিছো। এতিয়া সমস্যাটো হ'ল যে এই বেমাৰটো যেতিয়া আহিব তাৰ replication is very first. চাইনাত অফিচিয়েলি ৩২৭৭ জন মানুহৰ মৃত্যু হ'ল, ইটালীত ৬০৭৭, ইউ এচ এ ত ৫৮২, আপোনালোকে ৰেচিঅ' এটা চাব ইটালীত ৬৩০০০ মানুহ সংক্ৰমিত হৈছে, বেমাৰ হৈছে কিন্তু মৃত্যু হৈছে ৬ হাজাৰ, ১০ শতাংশ। আমেৰিকাত ৪৬ হাজাৰ মানুহ আক্ৰমণ হৈছে, তাৰে মৃত্যু হৈছে ৫৮২। তাৰমানে not even 10%, 10% হ'লে ৪৬০০ হ'ব লাগিছিল। They are maintaining mortality at one percent. কিয় তাত হয়তো এজিং নহয় বা ইমিনিটি আছে আৰু পাৰচ'নৈল হাইজিং They are maintaining. ঠিক তেনেকৈ জাৰ্মানীত ১২৩ জন, ২৯ হাজাৰ মানুহ আক্ৰান্ত হৈছে আৰু মৃত্যু হৈছে ১২৩ জনৰ। So mortality is very very less. ফ্ৰান্সত ১৯ হাজাৰ মানুহ

আক্ৰমণ হৈছে আৰু মৃত্যু হৈছে ৮৬০ জনৰ, ইউ কে টো ৬৬৫০ ৰ ৩৩৫ জন মানুহ এতিয়ালৈকে মৃত্যু হৈছে। ঠিক তেনেকৈ ভাৰতটো যদি চাই ৫০০ জন মানুহ আক্ৰান্ত হৈছে আৰু ১০ জন মানুহৰ মৃত্যু হৈছে। তাৰমানে as of now in our country mortality is be maintained 2%. এতিয়ালৈকে so we are in the universal standard. এতিয়া সমস্যাটো হ'ল যে মাৰ্চৰ এক তাৰিখে আমেৰিকাত it was in single digit. So in last one month from single digit it has become 46000. আজি মণিপুৰত এজনক পাইছে, এজন লণ্ডনৰ পৰা অহা লোকক পাইছে। If he is quarantine isolated কোনো কন্টেক হিষ্ট্ৰি নাই এজনত শেষ হৈ যাব। কিন্তু যদি তেওঁ ট্ৰেভেল কৰিছিলে, কলিকতাত সেইদিনাখন মমতা বেনাৰ্জী ডাঙৰীয়ানীয়ে কৈ আছিল যে আমাৰ নহয়, বাহিৰৰ পৰা অহা ল'ৰা এজনক পালো। কিন্তু বাহিৰৰ পৰা অহা ল'ৰা  জন আই এ এচ বিষয়া দুগৰাকীৰ সন্তান আছিল। তেওঁলোকে লুকাই দিলে, লুকাই দিয়াৰ ফলত প্ৰথম দেউতাক মাকৰ হ'ল আৰু ঘৰত যি কাম কৰা ল'ৰা আছিল তেওঁ এইটো লৈ গাঁৱলৈকে। মানুহে বুজি পোৱা নাই যে লুকালে প্ৰথম কেজুৱেলিটি  তেওঁলোকৰ দেউতাক-মাক। কাৰণ দেউতাক-মাক হ'ল বয়জেষ্ঠ। লুকুৱা মানুহজনৰ বেমাৰটো ভাল হৈ যাব, কিন্তু লুকুৱা মানুহ জনে প্ৰথমে কাক দিব! নিজৰ দেউতাক-মাকক দিব। Will be equal to the equivalent to murderer of our parents. গতিকে মই যদি ডেকা ল'ৰা এজনে মৰম হ'ব লাগে কিন্তু miss place মৰম হ'ব নালাগে। মোৰ ল'ৰাৰ হোৱা নাই বুলি দেউতাক-মাকেই লুকাই দিয়ে, মোৰ ল'ৰাৰ হোৱা নাই, মোৰ ল'ৰাৰ অমুক হোৱা নাই, কেইদিনমানৰ পৰা গুৱাহাটীৰ ফ্লেট বিলাক ত  খৱৰ পাই আছো যে ল'ৰা আহি আছে দেউতাক-মাকে লুকাই দিছে। দেউতাক-মাকে লুকাই দিয়া মানে দেউতাক-মাকে নিজেই বিষ পাণ কৰিছে, এনেকুৱা ধৰণৰ ইকুৱেভেলেন্ট! গতিকে দেউতাক-মাকে ল'ৰ-ছোৱালী সকলক ৰুমত কোৱাৰিনটাইন কৰিব লাগিব, ৰুমত খোৱা বস্তু পঠাই দিব লাগিব, দৰ্জা  খনৰ বাহিৰত খোৱা বস্তু থ'ব লাগিব, ল'ৰা জনে দৰ্জা খুলিব ল'ৰা জনেই খোৱা বস্তুটো লৈ যাব, খোৱাৰ পিছত ল'ৰা জনেই থাল-বাতি খন বাহিৰলৈ পঠাই দিব। সেই থাল-বাতিখন আমি কিবাদি ক'ভাৰ কৰি চাৰ্ফেদি বা চাবোনেৰে ধোৱাৰ পিছত সেই থাল বা বাতিটো আমি আকৌ ব্যৱহাৰ কৰিব পাৰিম। এতিয়া মইয়ো যেতিয়া বাহিৰৰ পৰা ঘৰত যাওঁ বাহিৰত কাপোৰ-কানি, জোতা-মোজা খুলি বাল্টি এটাত দি দিও, বাল্টিৰ পৰা প্ৰত্যক্ষ ভাৱে ধুব আৰু মই ভিতৰত সোমাই যাওঁতে ক'ব নাপায় কিন্তু যিমান পাৰো সিমান কম কাপোৰেৰে ভিতৰত সোমাব লাগিব। আজি যেতিয়া আমি হাউচৰ পৰা যাম বিধায়ক সকলে সকলো কাপোৰ বাহিৰত বাল্টি এটাত খুলি পেলাব লাগিব, কাৰণ আজি আমি বহুত মানুহৰ সংস্পৰ্শত আহিলো। স্মোক কৰা মানুহ সকলৰ আৰু বিপদ, কিয় লাঙ্সটো আমাৰ অলৰেডি দুৰ্বল হৈ থাকে। গতিকে আমি গৈয়ে বাহিৰত গোটেই কাপোৰ খিনি আমি এৰি দিব লাগিব, গা ধোব লাগিব, নিজৰ চুলিত আহিব পাৰে, নখত আহিব পাৰে, নখ ডাঙৰ হ'লে কাতিব লাগে, নখৰ তলত আহিব পাৰে। গতিকে হাত ধোওতে আঙুলিৰ ফাক আদি ভালকৈ ধুব লাগিব তাৰ পিছত চাৰ্ফেচটো ধুব লাগিব, নখবোৰ কাতি নোহোৱা কৰিব লাগিব। তাৰমানে ভাইৰাচটো ইমান সৰু সি আমাৰ মানসিকতাৰ মতে নাযায়। তাৰ নিজৰ নিয়ম মতেহে যাব। এতিয়া কথাটো হ'ল ঔষধৰ ক্ষেত্ৰত হাইড্ৰক্সিক্ল'ৰোকুইন, প্ৰাইমাকুইন বা আমাৰ যিটো চাইনাৰ এন্টিভাইৰেল  ট্ৰিটমেন্টটো অলপ হৈছে বুলি কৈছে, আই চি এম আৰে সেইবিলাক চাই আছে আৰু যি মুহূৰ্তত তেনেকুৱা হ'ব আমাৰ হাতত ক্ল'ৰোকুইনৰো ষ্টক মজুত আছে, এজিট্ৰমাইচিন ট্ৰিটমেন্টত সহায় হয় বুলি এটা থিঅ'ৰি আহিছে, এজিট্ৰমাইচিনো আমাৰ হাতত মজুত আছে আৰু যিখিনি ঔষধৰ কথা ভগবানৰ আৰ্শীবাদত

বিশ্বত এতিয়া ওলাইছে তাৰ ভাল ষ্টক এটা অসমত আজিৰ দিনত বাই এক্সিদেন্ট মজুত আছে। এইটো নহয়যে মই স্বাস্থ্য মন্ত্ৰী হিচাপে কিবা মজুত কৰি ললো, মোৰ সাংঘাটিক ক্ৰেডিট সেইটো একো নহয়। আমি মেলেৰিয়া প্ৰণ আৰু বেক্টেৰিয়েল ইনফেক্চন হৈ থকাৰ কাৰণে ভগবানৰ আৰ্শীবাদত সেই ষ্টকটো আমাৰ আছিল আৰু আমি এতিয়া সেই ষ্টকটো অপব্যৱহাৰ নোহোৱাৰ কাৰণে আমি নিৰ্দেশ দিছো। সামাজিক দূৰত্ব, ঔষধৰে চিকিৎসাৰ কথা পিছত আহিব, এই বেমাৰটো ৭৫ শতাংশ আমি ৰিডিউছ কৰিব পাৰো যদি আমি সামাজিক দূৰত্ব বজাই ৰাখিব পাৰো আৰু হাত ধুই থাকো। এই দুটা হৈছে মহোঔষধ, যদি আমি ইজনে সিজনৰ পৰা দূৰত থাকিব পাৰো আৰু আমি যদি হাত ধুই থাকিব পাৰো। কিন্তু আটাইতকৈ প্ৰত্যহ্বান হৈছে, ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে যে আইনৰ নহয়, জেলৰ কথা নহয় বুজাব লাগে, হয় মই এগ্ৰি কৰো। সকলো কথা আইনৰ ভয়ত মানুহে নকৰে। মানুহে অন্তৰৰ পৰা অহা কাম বেছি ভাল কৰি কৰে। সেই কাৰণে আজি বিধান সভাতো আমি কৈ আছো প্ৰেছ কনফাৰেন্স বিলাক কৰিছো বা আপোনালোকেও গাঁৱত গৈ নিজৰ নিজৰ ভিডিঅ' নিজৰ নিজৰ ফেচ বুকত আপোনালোকে কথাবোৰ ক'ব পাৰিব যে সামাজিক দূৰত্ব অতি গুৰুত্বপূৰ্ণ, এক মিটাৰ দূৰত আমি থাকিব লাগে সংক্ৰমণ বাঢ়িছে যেতিয়া ২ মিটাৰ দূৰত থকাটো আৰু ভাল। হাত ধুব লাগে, দেউতা-মাক একেবাৰে ওচৰত আহিব দিব নলাগে। 60+, 65+ মানুহে নিজক এই বেমাৰটোৰ কাৰণে উপযুক্ত পাৰ্থী বুলি ভাবি ল'ব লাগে, নিজক সমাজৰ পৰা বিচ্ছিন্ন কৰিব লাগে আৰু যি সকলৰ লাঙ্গ বিভিন্ন কাৰণত দুৰ্বল তেওঁলোকে খূব সাবধানতাৰে থাকিব লাগে। এইটো হ'ল এটা প্ৰাইমেৰী কথা। সামাজিক দূৰত্বৰ কাৰণে অসমত মই আগতেই কলো যে মোডী ডাঙৰীয়াই আমাৰ খুব সোনকালে বিমান বন্দৰ বিলাকত চেকিং আৰম্ভ কৰিলে, আমাৰ ইয়াতো হ'ল, ইন্টাৰনেচ'নেল ফ্লাইট বন্ধ হ'ল, ইন্টাৰষ্টেট যাত্ৰীবাহী ৰেল বন্ধ হ'ল, এতিয়া যোৱা কালিৰ পৰা গাড়ী মটৰো ইন্টাৰষ্টেট বন্ধ কৰি দিছো। এইটো কেৱল এম্বুলেন্স চলিব তাৰ বাহিৰে একো নচলে আৰু খোৱা বস্তুৰ গাড়ীবোৰ আহিব পাৰিব। গতিকে চালক, হেণ্ডিমেন সকল সোমাই থাকিব, সৰু এটা ৰিস্ক ফেক্টৰ থাকিবই, কিন্তু হলেও we have minimise the risk. এতিয়া ডমেষ্টিক ফ্লাইটো নাহে, ইন্টাৰনেচ'নেল ফ্লাইটো নাহে, ৰেলও নাহে, টেক্সি নাহে, কেৱল এম্বুলেন্সয়ে আহিব আৰু সামগ্ৰী কঢ়িওৱা ৰেল আহিব তাৰ বাহিৰে একো নাহে। অসমত আমি সামাজিক দূৰত্বৰ কাম বহুত আগতে আৰম্ভ কৰিছিলো, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰথম ৰঙাপাৰাত কেচাঁ চোনা বুলি এটা প্ৰগ্ৰেম আছিল সেইটো বাতিল কৰি তেওঁ কলে যে মই এতিয়া কোনো সামাজিক সমাগমত নাযাও। সেইটো আছিল আৰম্ভ। তাৰ পিছত বিটিচি ইলেক্চন বন্ধ কৰিলো, মোডী ডাঙৰীয়াই কাৰ্ফিউ দিলে, আমি সকলোৱে পালন কৰিলো, একোটা সচেতনতা হ'ল। শিক্ষক সকলক আমি প্ৰথম পৰ্য্যায়ত কলো যে গাঁৱে গাঁৱে গৈ পাব্লিচিটি কৰা, দুই এজনে কৈছিল যে আমি যাম, মই কলো যে নহয় কোনোবাই টো বুজাব লাগিব! আশা কৰ্মী আদিৰ দ্বাৰা এৱাৰ্নেচ এটা হ'ল। এটা এৱাৰ্নেচৰ প্ৰথম পৰ্য্যায় হৈ গ'ল। এতিয়া কিন্তু এৱাৰ্নেচৰ জৰিয়তে কৰিব পৰা পৰ্য্যায়টো আৰু নাই। কাৰণ সেইদিনাখন জনতা কাৰ্ফিউ হ'ল, হোৱাৰ পিছত আমি সমদল কৰি ঢোল-তাল বজাই ওলাই আহিলো। সেইতোটো কোনো মিনিং নোহোৱা হৈ গ'ল। মোডী ডাঙৰীয়াই আগদিনাখনতে ফোন কৰিছিল যে দেখিবি ৯.০০ বজাত কিন্তু মানুহ ওলাই আহিব। তেতিয়া উত্তৰ প্ৰদেশে ৫.০০ বজালৈ কাৰ্ফিউ কৰি দিলে। আমি ভাৱিছিলো যে অসমত এনেকুৱা নহ'ব। কিন্তু অসমত মই দেখিলো যে মানুহে ঢোল-কাঁহ লৈ ওলাই গুছি আহিলে। তাৰমানে মানুহে মেছেজটো লোৱা নাই, চৰকাৰে হস্তক্ষেপ কৰিবলগীয়া হ'ল। আজি আমি ৬.০০ বজাৰ পৰা ষ্টেটত লগডাউন ঘোষণা কৰিছো। বিধায়ক সকল

কেনেকৈ ঘুৰি যাব, বিধায়ক সকল সমষ্টিত থকাটো খুব গুৰুত্বপূৰ্ণ, আপোনালোক ঘুৰি যোৱাটো আমি এক্জেম কৰি দিম, কিন্তু সাবধানে আৰু খুব বেছি ৰাস্তাত চাহ-তাহ নাখায় পোনে পোনে গন্তব্য স্থানলৈকে যাব। পাৰ্টীৰ ৱৰ্কাৰেও কৰবাত ৰখি থাকিলেও আজিৰ দিনটো এভয়েদ কৰিব। কাৰণ আমি পলিটিকেল মানুহ, আমিটো নগাঁৱত গ'লে তিনি চাৰি ঠাইত আমাৰ মানুহ থাকে, মাত দি যাম, কিন্তু আজি আমি পোনে পোনে যাম। যি সকলে নাযায় তেওঁলোকেও কালিৰ পৰা আৰু নাযাব, তেওঁলোক ইয়াতে থাকিব। ধেমাজী দূৰণিপটীয়া ঠাই, জোনাই দূৰণিপটীয়া ঠাই ৰাতিপুৱাই আৰম্ভ কৰিলেও কবলৈ একো নাই, but social distancing norms should be maintain, দ্ৰাইভাৰ আগত বহিব, বিধায়ক পিছত বহিব, চিকুৰিটি জনেও এক মিটাৰ দূৰত বহিব। এতিয়া আজি ৬.০০ বজাৰ পৰা আমি যেতিয়া লকডাউন কৰিম দিল্লীৰ পৰা আমালৈকে পৰামৰ্শ আহি আছে যে Lockdown is not enough we should imposed curfew. অফিচিয়েলি অহা নাই, কিন্তু আনঅফিচিয়েলি আমাৰ চেনেল বিলাকত পৰামৰ্শ আহি আছে। কাৰণ যি বোৰ ৰাজ্যই যোৱা কালি লকডাউন কৰিলে তেওঁলোকে সফল হ'ব পৰা নাই। লকডাউনৰ পিছতো পাঞ্জাৱত মানুহ ওলাইছে। গতিকে পঞ্জাৱৰ কথাটো চোৱাৰ পিছত আনঅফিচিয়েলি আমালৈকে চিগ্নেল আহি আছে যে we should imposed curfew. আমি এতিয়ালৈকেটো চিন্তা কৰা নাই, কাৰণ লকডাউন আমাৰ আৰম্ভ হোৱাই নাই। মই ভাৱো যে আমাৰ বিশ্বাস আছে যে লকডাউন আমাৰ সফল হ'ব। লকডাউনৰ সময়চোৱাত আমি কেইটামান ৰেহাই দিছো, আপোনালোকে জানে যে কিছুমান বিষয় যেনেকৈ যিটো গ্ৰচাৰী বুলি কয়, ফাৰ্মাচী বুলি কয়, যিখিনি পেট্ৰ'ল ডিপো এম্বুলেন্সত তেল ভৰাব লাগিব, ৰন্ধন গেছটো খুব গুৰুত্ব, এইখিনি আমাক লাগিব আৰু অতিৰিক্ত পশুৰ যিটো খাদ্য, গৰু-ছাগলীৰ সেই খাদ্যটোৰ ক্ষেত্ৰটো ৰেহাই কৰি দিম। লগতে গাখীৰটো যিহেতু পেৰিছিব'ল বস্তু সেইবাবে গাখীৰৰ ক্ষেত্ৰত ৰেহাই কৰিব পাৰি নেকি আমি চিন্তা কৰি আছো। অফিচৰ ক্ষেত্ৰত ৩১ তাৰিখলৈকে ট্ৰেজাৰী চলিব, ট্ৰেজাৰীত বিল আদি বনোৱাত ১০ শতাংশ চেলিটন ষ্টাফ এটা আমি চৰকাৰত এলাও কৰিছো, যে এই ১০ শতাংশ মানুহে আমাৰ অফিচত আহিব পাৰিব কিন্তু নিজৰ বিভাগৰ যদি বিল হৈ গ'ল, ট্ৰেজাৰীত নিয়ম কৰিছো এতিয়া কেচা বিল নালাগে, ভাওচাৰ নালাগে, কেৱল বিল খন পঠাই দিয়ক, ইলেক্ট্ৰনিকেলি পঠাই দিলেও হ'ব, পিছত আমি কেচা ভাওচাৰ বিলাক লৈ থাকিম। এতিয়া কেৱল বিলখন পঠাই দিয়ক। গতিকে ট্ৰেজাৰী চাৰ্ভিছো আমি যিমান সোনকালে পাৰো যিমান পাৰো ২৮ বা ২৯ তাৰিখে বন্ধ কৰাৰ চেষ্টা কৰি আছো সম্পূৰ্ণ লকডাউনৰ ফালে যাতে আমি ৰাজ্যখন লৈ যাব পাৰো। সমস্যা আছে, মোক বহুতে সুধিছে যে চাহ বাগিচাৰ কি হ'ব, তেওঁলোকৰ মজুৰী কি হ'ব? ইয়াতে আমাৰ সন্মানীয় বিধায়ক সকলে আমাক প্ৰশ্ন কৰিছে যে চাহ বাগিচাৰ লেবেইটৰীৰ কথা আৰু আমাৰ ইয়াতে বিশেষকৈ দিন হাজিৰা কৰা সকলৰ কথা ওলাইছে। তাৰপিছত এই ধৰণৰ শংকা আমাৰ বিৰোধী দলপতিও কৈছে যে দিন হাজিৰা কৰা মানুহ সকলক আমি কেনেকৈ কমপেনচেট কৰিম? অধ্যক্ষ মহোদয়, এনেকুৱা সমস্যা আমি আমাৰ জীৱন কালত কেতিয়াও ফেচ কৰা নাছিলো। কুইকলিষ্ট উত্তৰ মোৰ ওচৰতো নাই। মই আগতে কৈছো যে এই বছৰ ৮০ হাজাৰ কোটি টকা খৰছ হ'ব। ৩১ মাৰ্চৰ পিছত ইনজুৰেলী আমি কি কৰো যে মাত্ৰ ২০০০ কোটি টকা, ৩০০০ কোটি টকা ৰাখি থও নেক্স মাহৰ দৰমহা দিবৰ কাৰণে। তাৰ পিছত লাহে লাহে টেক্স আহে চৰকাৰৰ ডিভ'লৈচন বিলাক আহে, লাহে লাহে আমি আগবাঢ়ি যাও। এপ্ৰিল মাহটো এখন ৰাজ্যৰ কাৰণে আটাইতকৈ দৰিদ্ৰতাৰ মাহ। যে একো নাথাকে, বিত্ত মন্ত্ৰীক কলেও একো কৰিব নোৱাৰে। আগতে আমি তেনেকৈয়ে চলো। এতিয়া অহা মাহত কি কৰিব

লাগিব, যদি ৩১ মাৰ্চৰ লকডাউনটো আমি ১০ এপ্ৰিল তাৰিখলৈ বঢ়াব লাগে, ১৫ তাৰিখলৈ বঢ়াব লাগে, মোৰ হাততটো দৰমহা কেইটাৰ বাহিৰে এটকাও নাই। So what I will do? মোৰ হাতত উত্তৰ নাই। যদি আপোনালোকে কয় যে বাগিচাত মানুহে প্ৰতিদিনে হাজিৰাৰ ওপৰত নিৰ্ভৰ কৰে, শনিবাৰে মালিকে কয় যে কাম কৰা নাই আমি দৰমহা নিদিও, বাগিছাত কি হ'ব? আজি যদি আপোনালোকে উত্তৰ বিচাৰে মোৰ ওচৰত একো উত্তৰ নাই। আজি যদি আপোনালোকে মোক কয় যে আমাৰ ইয়াতে যি খিনি চৰকাৰী বহুত দূৰত বেংকত শাখা আছে দৰমহা কেনেকৈ আনিব যাব, মোৰ ওচৰত একো উত্তৰ নাই। কাৰণ এই মুহূৰ্তত আমি আটাইতকৈ গুৰুত্ব দিছো যাতে হাস্পটাল খিনি সুস্থ আৰু স্বচ্ছল হৈ থাকে। যদি হেল্থটো বহি যায়, যদি ডাক্তৰ-নাৰ্চ সকল বহি দিয়ে তেতিয়াহলেটো আমাৰ একো উপাই নোহোৱা হ'ব। মই ভাবিছো যে কিমান পাৰো ইজনে সিজনক সহায় কৰি ৩১ তাৰিখলৈকে আমি চলিব লাগিব। ইনদেমিন টাইম আজি আৰু কালিৰ ভিতৰত আমি অফিচাৰ সকলৰ লগত আলোচনা কৰিম, মই আগতেও কৈছো, যে প্ৰায় ৩ লাখ দেইলি ওৱেজত, দেইলি কাম কৰা মিস্ত্ৰীৰ বেংক একাউন্টৰ নাম্বাৰ আমাৰ হাতত আছে, যিটো আমি চেচ কালেক্ট কৰো ঘৰ বনালে, তাত আমাৰ ১০০০ কোটি টকাও আছে আৰু ২৭২০০০ লেবাৰ তাত পঞ্জিয়ন হৈ আছে। তেওঁলোকৰ বেংক একাউন্টৰ নম্বৰো আমাৰ হাতত আছে। যদি এইটো পলম হয় কিবা এটা সেই ফাণ্ডৰ পৰা ব্যৱস্থা কৰিব লাগিব। চাহ বাগিছাৰ প্ৰভিডেন্ট ফাণ্ডৰ যিটো অৰ্গাইনাইজিজেচন আছে তেওঁলোকৰ লগত কৰ্মচাৰী সকলে যিটো প্ৰভিদেন্ট ফাণ্ডত তেওঁলোক ৰেজিষ্টাৰ, গতিকে তেওঁলোকৰ একাউন্ট নম্বৰ মজুত আছে। তাত কিবা পঠাব পাৰো নেকি! ৮ লাখ বেংক একাউন্ট আমি খুলিছিলো, সেই ৮ লাখ বেংক একাউন্ট আমাৰ লগত থাকিব। আমাৰ হাতত ডাইৰেক্ট যিটো ডাণ্ডৰ ওৱেপন আছে সেইটো হৈছে উজ্জ্বলা গেছ বিলাক যে আমি ললো চাব্চিডাইজ গেছ দুখীয়া মানুহ বিলাকে, উজ্জ্বলা গেছ কি হয় প্ৰথম আমি টকা দি কিনিব লাগে, চেকেণ্ড বেংকত আমাৰ চাব্চিটি টকাটো আহি যায়। তাৰমানে উজ্জ্বলা গেছৰ গোটেই বেংক একাউন্ট বোৰ লাইভ বেংক একাউন্ট। ৩৪ লাখ আছে। গতিকে লাইভ বেংক একাউন্ট। গতিকে ৩৪ লাখ, ৮ লাখ, ৩ লাখ এনেকৈ হিচাপ-নিকাচ কৰি চালে ৪০ লাখ মান পৰিয়ালৰ বেংক একাউন্ট আমাৰ লগত মজুত আছে। এহাজাৰ টকাও যদিও পঠিয়াও ৪০০ কোটি টকা লাগে। এপ্ৰিল মাহত ইউজিয়েলি এই টকাটো নাথাকে। কিন্তু আমি এক এপ্ৰিলৰ পৰা চাউলৰ ক্ষেত্ৰত যিটো বাজেটত কৈছিলো যে বিনামূলীয়াকৈ দিম, ১ তাৰিখৰ পৰা চাউলখিনি গৈ হাতত পাব। যদি এই প্ৰক্ৰিয়াটো দীঘল হয়, চাহ বাগিচাৰ লোক সকলৰ যিহেতু বেংক একাউন্ট নম্বৰ বিলাক আমাৰ লগত আছে, more or less আমি কিবা এটা ষ্টেপ ল'ব লাগিব, হয়তো আপোনালোকো এদিনৰ কাৰণে আহিব লাগিব গোটেই বাজেটখন সলনি কৰাৰ কাৰণে। We have to take some drastic step. কি ল'ব লাগিব মই কেৱল আইদিয়াটো আপোনালোকক আস্বস্থ্য কৰিবৰ কাৰণে দিছো যে চৰকাৰে মানুহৰ দুখ দুৰ্দশাৰ কথাখিনি অনুভৱ কৰিছে। আমিও বুজিছো আপোনালোকৰ হৃদয়ত যিখিনি চিন্তা আছে সেই চিন্তাখিনি অপ্ৰাসংগিক নহয় এজন জনপ্ৰতিনীধি হিচাপে আপোনালোকৰ মনত যিখিনি চিন্তা আছে আমাৰ মনতো সেই চিন্তাখিনি আছে। কেইটামান কথা অসমৰ মানুহে ভুল বুজে মই কৈছো যে অমূক মুখ্যমন্ত্ৰীয়ে এক হাজাৰকৈ দিম বুলি কলে। ষ্টেটমেন্ট বোৰ চাব কয় কন্সষ্ট্ৰাকচন ৱৰ্কাৰক দিম বুলি কৈছে। আমাৰ অসমৰ কন্সষ্ট্ৰাক্চন ৱৰ্কাৰ নাই ২ লাখ ৭২ হাজাৰ, কিন্তু মোৰ ফেমিলি হৈছে ৫০ লাখ। ৰাইজক দিম বুলি কোনো মুখ্যমন্ত্ৰীয়ে কোৱা নাই। আমি ৰাইজক দিব লাগিব কাৰণ কৃষক, কৃষক সন্মাননিধিৰ বেংক একাউন্ট বোৰ আছে, সবেই ষ্টেটমেন্টবোৰ খুব কেয়াৰফুলি দিয়ে। বাহিৰত

কয় বা এই জন মানুহ খুব ভাল, কিন্তু যেতিয়া টেলিফোন কৰি সোধো তেতিয়া কথা বিলাক ওলাই আহে যে will we are going to the constructions labour 1500. মনটো ভাল লাগি যায় বাহ অমুক মুখ্যমন্ত্রী ইমান ভাল। কিন্তু সেইটো ময়ো কৰিব পাৰো but that will be relief to only 272000 family. কিন্তু আমাৰটো অকল বি পি এলতে ৫৩ লাখ পৰিয়াল আছে, যোনে এন এফ এচ এ ৰ কাৰ্ড লয়। এতিয়া আমাৰ কাৰণে target is population not construction. আজি যাৰ হাতত পইচা আছে কালি সি দুখীয়া হৈ যাব। বস্তুৰ দাম অলপ হলেও বাঢ়িব, কয় কন্ট্ৰ'ল কৰক, আজিৰ দিনত কাক কন্ট্ৰ'ল কৰিব, পিছত এক্সন লোৱা হ'ব। গতিকে ধনী বা মধ্যবিত্ত মানুহ এজনো অহাকালি দুখীয়া হৈ যাব পাৰে। If his continuse. গতিকে চৰকাৰে বিভিন্ন ইনোভটিভ কথা চিন্তা কৰি আছে মই এই পবিত্ৰ সদনক আস্বস্থ্য কৰিব খোজো যে এই চৰকাৰ খনে আপোনালোকৰ সহযোগত নিজৰ দায়বদ্ধতা অন্তঃকৰণৰে পালন কৰাৰ বাবে চেষ্টা কৰিম। এই দুৰ্য্যোগৰ মুহূৰ্তত অসমৰ মানুহৰ লগত ঠিয় হৈ থাকিম। দৰকাৰ হলে আমি দৰমহা নলও, কিন্তু অসমৰ দুখীয়া আৰু অসমৰ দৰিদ্ৰ পৰিয়ালৰ লগত আমি ঠিয় হৈ থাকিম। এই আস্বস্থ্য মই এই পবিত্ৰ সদনত দিব খুজিছো আৰু আমিও চেক্ৰিফাইজ কৰিব লাগিব, আমি হয়তো বিধায়ক পুঁজি নলও, আনটাইড ফাণ্ড নলও, বিধান সভাত আলোচনা হোৱা বহুত কথাও সময়ৰ সোঁতত হেৰাই যাব, মানুহক ভাত মুঠি দিবৰ কাৰণে আমি আপ্ৰাণ প্ৰচেষ্ঠা কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই স্বীকাৰ কৰিব খোজো যে আজিৰ দিনত আমাৰ হেল্‌থ ইনফাচট্ৰাকচাৰ খুব সাংঘাটিক ধৰণে দুৰুচ নহয়। মই যদি কওঁ যে মই সাংঘাটিক বিলিয়ন মিনিষ্টাৰ, মই বহু দিন আগতে জানিছিলো এনেকুৱা ঘটনা হ'ব বুলি, সেইতোটো নহয়, পৰিৰেশৰ দাহ। যেতিয়া মেডিকেল কলেজ বিলাকত আমি গলো যে আমাৰ ইয়াত কি মজুত আছে, এইখিনিদিয়ে মই সামৰিম ইকনেমিক কলো, চোচিয়েল কলো, আমাৰ হস্পিতাল বিলাকত কি মজুত আছে? আজিৰ মুহূৰ্তত ডাক্তৰ-নাৰ্চ সকল আমাৰ বাবে অমূল্য সম্পদ। They are precious to us. আমাৰ জীৱনতকৈও তেওঁলোকৰ জীৱন আজিৰ দিনত আমাৰ বাবে আটাইতকৈ মূল্যবান। এজন পজিটিভ ৰোগী ধৰা পৰিলে ডাক্তৰে তেওঁৰ ওচৰত কেনেকৈ যাব? তেওঁক ফুল কিট লাগিব। যোৱাকালি এ এম চি এইচ ত এজন ডাক্তৰে ধেমালীতে যে মোৰ একো নহলে মই কি কৰিম, এনেকুৱা এটা এনেই চেল্‌ফি এটা দি দিলে, তাকে লৈ এটা কন্ট্ৰোভাচি হ'ল কিন্তু সেইটো পৃথক, মই সেইবিলাক বিতৰ্কত যাব বিচৰা নাই, এই সময়ত সেইবিলাক কৰিব গ'লেটো বাকী নৰয়। আমি যেতিয়া জানিব পাৰিলো যে এনেকুৱা এটা পৰিৰেশ হ'ব আমাক নটিফাই কৰিলে আমি আমাৰ ইউজিয়েল চাপ্লাই বিলাকৰ লগত কথা পাতিলো যে আমাক বস্তু দিয়ক। সকলোৱে কলে যে সকলো ৰাজ্যই বন্ধ কৰি দিছে যে নিজৰ ৰাজ্যৰ পৰা বস্তু ওলাব নিদিয়ে। অসমতটো একো নাপায়, হেণ্ড চেনিটাইজাৰ কেইটা আমি বনাই আছো, যোৱাকালি এক্সাইজ বিভাগে আমাক কৈছে যে আমি চেনিটাইজাৰ আৰু বনাব পাৰিম, আমাৰ লগত স্পিৰিট মজুত আছে। যি নহওঁক সেইবিলাক আমি চলিছো। আমাৰ ইয়াত মাক্সও নহয়, আটাইতকৈ ডাঙৰ যিটো বস্তু লাগে আজিৰ দিনত সেইটো হ'ল পি পি কিট। তাৰমানে ডাক্তৰ জনে যদি মুৰৰ পৰা ভৰিলৈকে নিজক ক'ভাৰ কৰি লৈ নাযায় তেতিয়া হ'লে কোনোৰেটো যাব নোৱাৰিব। ইয়াত ডাক্তৰ যি সকল আছে তেখেত সকলে জানে, আমাৰ মণ্ডল ডাঙৰীয়া আছে, আমাৰ মমিন ডাঙৰীয়া আছে যে unless you fully protect your self. ৰোগীৰ ওচৰত যাব নোৱাৰো, বহুত কষ্ট কৰি যোৱা কেইটামান দিনত সদায় গধূলী গধূলী আমি কি বা কিবি কৰি আজিৰ দিনত আমি পি পি কিট প্ৰায় ২ হাজাৰ জোগাৰ কৰিবলৈ সক্ষম হৈছো। গোটেইকেইখন মেডিকেল কলেজত, সকলোতে আমি দিছো আৰু

২০০০ যিটো আজিৰ দিনত আমি দিব পাৰিছো, তাৰ উপৰিও এটা পি পি কিট্‌চ থাকে যিটো সন্দেহযোগী ৰোগী কন্‌ফ্ৰম নহয়, চেম্পল লবৰ কাৰণে কিবা লবৰ কাৰণে তেনেকুৱা কিট আমি ১০ হাজাৰ জোগাৰ কৰিছো। ট্ৰিপ'ল লেৰাৰ মাস্ক আমাৰ হাতত ৫১ হাজাৰ আছে আৰু এন ৯৫ মাস্ক আমাৰ হাতত ৫ হাজাৰ আছে। কিন্তু আমি অকনমান লজিষ্টিক চাপলাই এটা চেইনটো ঠিক কৰিবৰ কাৰণে ব্যৱস্থা কৰিছো আৰু মোৰ বিশ্বাস যে সদায় আমি পি পি কিট ৫০০ মানকৈ অসমত পাই থাকিম আৰু লগে লগে ডিষ্ট্ৰিবিউত কৰি থাকিম। ১ লাখ পি পি কিট যদি মোৰ হাতত আহে মই আস্বস্থ্য হ'ব পাৰিম আৰু সেই দিশত আমি কাম কৰি আছো। যদি বিভিন্ন ধৰণৰ মানুহক এতিয়া আমি চৰকাৰে এটা অৰ্ডাৰ দিছো যে এম ডি এম এইচ এম, ডাইৰেক্টৰ হেল্থ চাৰ্ভিছ, ডাইৰেক্টৰ মেডিকেল এডুকেচন তিনিও জনে বহি যি ৰেটত যেনেকৈ পকিউৰমেন্ট কৰে কোনো টেণ্ডাৰ নালাগে একো নালাগে আমি মাত্ৰ চৰকাৰে যোৱা কালি এটা অৰ্ডাৰ দিছো any decision taken by the committee on goods fade is ok. কোনো টেণ্ডাৰ কৰা দৰকাৰ নাই। আমি সেই দিশত অকনমান যোৱা কালিৰ পৰা বিষয়াখিনিয়ে সাহস পাইছে, কালি বহুতখিনি মাস্কৰ অৰ্ডাৰ দিছে আৰু মই ভাৱো যে কিছু বস্তু আমি জোগাৰ কৰিব পাৰিম। ঠিক তেনেকৈ এতিয়ালৈকে আপোনালোকে জানে যে ভগাৱানৰ আশীৰ্বাদ বুলি ক'ব লাগিব, এই মুহূৰ্তলৈকে ১৬৯ ৰোগীক আমি টেষ্ট কৰিছো। গুৱাহাটী মেডিকেল কলেজত ৬৪, যোৰহাটত ১০, শিলচৰত ১০, ডিব্ৰুগড়ত ৮৩। সকলো কেইটা টেষ্ট নিগেটিভ ওলাইছে। যোৰহাটত এটা টেষ্ট ইনিঙত পজিটিভ ওলাইছিল কনফ্ৰমত নিগেটিভ ওলালে। এতিয়ালৈকে আমি প্ৰটেক্টিভ। এতিয়ালৈকে কোনো আমাৰ পজিটিভ কেছ্ নাই। মমিন ডাঙৰীয়াৰ লগত মই একমত যে অসমৰ বাহিৰৰ কিছুমান।

**মাননীয় অধ্যক্ষ ঃ** অকমান সময় লৈ লৈছো আমি সকলোৰ পৰা, দুটা বাজিল, বিল দুখনো আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, অসমৰ কিছু ল'ৰা-ছোৱালী অসমৰ বাহিৰত ৰাজস্থান, দিল্লীত পঢ়ি আছে । মই বিশ্বাস কৰিম যে সেই চৰকাৰে এই ল'ৰা ছোৱালী বিলাকৰ দ্বায়িত্ব ল'ব। এতিয়া কোনোবাই যদি কয় সেই ল'ৰা-ছোৱালী বিলাকক ঘুৰাই লৈ আহক। সেই সকল অসমত অহাৰ লগে লগে বেমাৰ লৈ আহিব পাৰে । প্ৰত্যেক খন জিলাই আমি যেনেকৈ দ্বায়িত্ব লৈছো, সিহতে তেনেকৈ দ্বায়িত্ব লৈছে। যোৱাকালি মই মেডিকেল কলেজত ৰাছিয়াৰ মানুহ পোৱা গৈছে । কিন্তু সিহত এতিয়া ঘুৰি যাব নোৱাৰে । আমি সিহতৰ দ্বায়িত্ব লৈছো আৰু হোটেলত ৰাখিছো । সদায় সিহতঁক তেজ পৰীক্ষা কৰি আছো । যেনেকৈ ৰাছিয়াৰ চিটিজেনৰ দ্বায়িত্ব আমি লৈছো, অধ্যক্ষ মহোদয় আমি আশা কৰিম আমি যেনেকৈ সিহতঁৰ দ্বায়িত্ব লৈছো, সিহতেও আমাৰ মানুহ খিনিৰ দ্বায়িত্ব ল'ব বুলি বিশ্বাস আছে । মাজতে ৩৫ জন তীৰ্থভ্ৰমণ কৰিব যোৱা মানুহৰ সমস্যা হৈছিল । কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম ভৱনে সিহঁতৰ দ্বায়িত্ব লোৱা বুলি কৈছে । আমি সেই ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰিছো। আৰু বিদেশত যিসকল বৈ গ'ল অসমীয়া মানুহ যোৱা ৩০ দিনৰ ভিতৰত তেওঁলোকৰ বাবে এটা ইমেল আইডি notify কৰি দিছো । আমি সিহতক ২ হাজাৰ ড'লাৰ, মানে ডেৰ লাখ টকা পঠাই দিম । তেওঁলোকে ১ মাহ চলিব পাৰিব, কাৰণ এতিয়া ফুৰিব যোৱাৰ কথা নাহে । সিহতে ১ ডলাৰ বা২ ডলাৰ পইছাৰে যেনেকৈ হ'লেও চলিব পাৰিব । সেই কাম খিনিও ৰাজ্য চৰকাৰে কৰিছে। অধ্যক্ষ মহোদয়, আই চি ইউ ৰ খুব প্ৰয়োজন কাৰণ মই আগতে কোৱা মতে নিমুনীয়া হৈ যোৱাৰ লগে লগে আমাৰ অসুবিধা হয় । আমাৰ লগতে ১৫৫ টা ভেন্টিলেটৰ আছে। গতিকে ১৫৫ টা বুঢ়া মানুহকে ট্ৰীটমেন্ট কৰিব পাৰিম । In case of pneumonia, মই সদনত এই কাৰণে কৈছে যে gravity টো জানি লওঁক । মাত্ৰ ১৫৫ টা মানুহকে

আই চি ইউ দিব পাৰিম । আই চিইউ আছে কিন্তু heart attack টো হৈ আছে আৰু লগে লগে brain strock হৈ আছে। আমি আৰু চেষ্টা কৰি আছো যে ১ হাজাৰ ICU কৰিব পাৰিলে আমি ৰক্ষা পৰো । মেচিন কতো নাই । ১০০ টা ভেন্টিলেটৰ কিছুমান মানুহে আনিব দিব পাৰিম বুলি কৈছে । যিখিনি কৰিব পৰা পৰ্য্যায় আছে সেই খিনি আমি কৰিবলৈ যত্ন কৰিছো । লাহে লাহে আমি মেডিকেল কলেজ খিনি covid-19 কৰিব লাগিব চাগে, যদি আমাৰ ৰোগীৰ সংখ্যা বাঢ়ে। তাৰ বাবে প্ৰাইভেট হস্পিতাল বিলাক আমি কি কৰিব লাগিব contigency plane বনাই আছো যাতে ৰোগী বিলাক চেয়াৰ কৰি ল'ব পাৰো ।নাৰ্চীহোমত covid বহুত মানুহে নিব নোখোজে আমি সিহঁতৰ দ্বায়িত্ব লম। normal patient খিনিৰ আমি ব্যৱস্থা কৰি আছো ।অধ্যক্ষ মহোদয়, আমাৰ সমস্যা নাই GMCH ত ১৫০০ testing kit আছে, লাহুৱালত ৫৫৫ টা, SMCH ত ১৭০ টা, যোৰহাটত১৫০ টা আৰু বৰপেটা মেডিকেল কলেজত অহা ২-৩ দিনৰ ভিতৰত testing site হিচাপে দিবলগীয়া হ'ব । আমি testing kit হিচাপে বৰপেটা খনো কৰিব পাৰিম । প্ৰাইভেট বোৰতো মুকলি কৰি দিছে। ৫ হাজাৰ টকা দিলে screening হয়। তাত যোৱাৰ প্ৰয়োজন নাই। কাৰণ আমি বিনামূলীয়াভাবে কৰিম ।অধ্যক্ষ মহোদয়, extra ordinery time, extra ordinery বীমা respond, সকলোকে আমি অনুৰোধ জনাও যে আপোনালোকৰ লগত আমি যোগাযোত থাকিম । প্ৰত্যেকে সমষ্টিতে উভতি যাওঁক। মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মন্ত্ৰী সকলে বিভিন্ন জিলাৰ দ্বায়িত্ব লৈছে । য'ত তেনেকুৰা সমস্যা হয় । চৰকাৰ খন এতিয়া এনেকুৰা নহয় যে ফোন কৰিলে কিবা হ'ব পাৰে । চৰকাৰে খনো এক প্ৰকাৰৰ, আমি costent ৰ মাজত চলিব লাগিব । যি সমস্যা স্থানীয় ভাবে আপোনালোকৰ সমস্যা সমাধন কৰিব পাৰে। As a leader of a committee সমস্যা খিনি তাত সমাধান কৰক। যিখিনি কৰিব নোৱাৰে মন্ত্ৰী সকলৰ লগত কথা পাতি সমাধান কৰাৰ চেষ্টা কৰক ।আমি ২৪ ঘন্টা কামত আছো ।আমি যিখিনি পাৰো চেষ্টা কৰিম । মই অসমৰ যিমান খিনি মেডিকেল কলেজ আছে সকলো ডাক্তৰক কৈছো যে আপোনালোকৰ লগত আমি সকলোৰে আছো ।মই অহাকালি চিলং লৈ যোৱা কথা আছে। আমাৰ ৰাজ্যিক মন্ত্ৰীয়ে কৈ আছো যে য'ত যেনেকৈ পাৰি কৰিব লাগে আৰু বহুত বেছি একো আমি কৰিব নোৱাৰো । ডাক্তৰৰ অভাৱ খিনি আমি শুনিলে কি কৰিব পাৰো চাওঁ। As a finance minister of the state মানুহৰ economic heart situation টো দূৰ কৰিব প্ৰচেষ্টা কৰিম ।আপোনালোকে ৩১ মাৰ্চলৈ কোনো ধৰণৰ আশা নকৰিব । এই মুহূৰ্তত বাজেট খৰচ হৈ গ'ল । অসমত যেতিয়া বনপানী হয় তেতিয়া সকলো মানুহে বানপানীৰ কবলত পৰি থকা মানুহ খিনিক সহায়ৰ হাত আগবঢ়াবলৈ আমাৰ সেইখিনি ব্যৱস্থা আছে ।মই সদস্য সকলক অনুৰোধ কৰিম আৰু দিল্লীৰ পৰা বাৰে বাৰে কৈ আছে যে কোনো ধৰণৰ কথা নজনাকৈ টিভি, বাতৰি কাকতত প্ৰকাশ নকৰে । এই খিনি বহুতো বেয়া সময় । কিবা কথা আমি নজনাকৈ এইটো দৰব খালে ঠিক হ'ব, সেইটো দৰব খালে ঠিক হ'ব । Unless we have in a position scientific knowladge কাৰণ আমি একাষাৰ কথা ক'লে মানুহে বিশ্বাস কৰি ল'ব । কালি যদি মই কওঁ এইটো দৰব খালে ভাল হ'ব মানুহে একেবাৰে ৰৈ নাথাকে । ফাৰ্মাচীত গৈ সেই দৰৱটো খাই দিব । মানুহে আমাৰ ওপৰত বিশ্বাস কৰে । মই সৰু ঘটনা এটা কওঁ তাৰ পিছত সামৰণি মাৰিম। মই এটা ভিডিঅ' পালো, এখন এয়াৰোপ্লেন গৈ আছিল, এয়াৰোপ্লেন খন বহুত সমস্যাত পৰি আছিল। তাৰ পিছত তাত থকা যাত্ৰী সকলে চিএওৰ বাখৰ কৰিব ধৰিলে । পাইলট জনে কলে আমি সমস্যাৰ মাজলৈ গৈ আছো আপোনালোকে অনুগ্ৰহ কৰি seat belt বান্ধক আৰু ভগৱানক প্ৰাৰ্থণা কৰক কি হয় মই নাজানো

। তাৰ কিছু সময় পিছত শান্ত হ'ল। যেতিয়া সমস্যাটো হৈ আছিল তেতিয়া ডেকা ল'ৰা এজনে লক্ষ কৰি আছিল যে এজন সৰু ছোৱালী হাহি আছিল । তাই কোনো ধৰণৰ ভয় খোৱা নাছিল । যেতিয়া নামিলে তেতিয়া সকলোৰে কলে ভগৱানে আমাক বচালে । সেই ল'ৰা জনে সৰু ছোৱালীটোক পিছত শুধিলে ইমান বিপদ হ'ল কিন্তু তুমি হাহি ফুৰ্টি কৰি আছিলা । তোমাৰ ভয় লগা নাছিল? তাৰ পিছত ছোৱালীটোৱে উত্তৰ দিলে এয়াৰোপ্লেন খন চলাই থকা যিজন পাইলট আৰু সেই জন মোৰ দেউতা। কাৰণ মোৰ দেউতাৰ ওপৰত বিশ্বাস আছে । দেউতাই মোক সুস্থভাবে লৈ যাব । সেইবাবে মোৰ কোনো ধৰণৰ ভয় লগা নাছিল । আজিৰ দিনত মানুহৰ বিশ্বাস আমাৰ ওপৰত। Health Minister য়ে কি কৈছে, CM য়ে কি কৈছে আৰু Leader of the Opposition য়ে কি কৈছে । আমাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে । আমিয়ে কিবা ৰাস্তাটো দেখুৱাম। We must have responsibility. আৰু দৃঢ়তা মনোভাবেৰে কাম কৰিব লাগিব । মই বিশ্বাস কৰো এই সদনে এনেকুৱা সময় আগতে দেখিছো। মই গোটেই কেইখন মেডিকেল কলেজত গৈ আহিছো pray for best. প্ৰাৰ্থনা কৰক ভালৰ কাৰণে। অসমৰ কাৰণে আৰু এটা দুৰ্যোগ হ'ব। ইয়াৰ মাজতে জাপানীজ এনকেফেলাইটিত সোমাই যাম এপ্ৰিল মাহত । আমাৰ আই চি ইউ প প্ৰেচাৰ আৰু ভাঢ়িব । কোভিড আছেই। জাপানীজ এনকেফেলাইচি আহে ব্ৰেইনত, কোভিডে মানুহক আগৰ নিচিনা সুস্থ কৰি ৰাখি দিব । জাপানীজ এনকেফেলাইটিজে মানুহক বিকলংগ কৰি পেলাই । জাপানীজ এনকেফেলাইটিছৰ কাৰভেল ৰেট-৫/১০ শতাংশ। কোভিডৰ কাৰভেল ৰেট-৩ শতাংশ। আৰু কেইদিন মান পিছত মথাউৰি বিলাক খোলা আছে, ব্ৰহ্মপুত্ৰদি পানী আহিব, কাম চলি আছে । কিন্তু আজিৰ পৰা কামো বন্ধ। আমি দুই এদিনৰ ভিতৰত allow কৰি দিম । মথাউৰিৰ কাম খিনি সম্পুৰ্ণ কৰক । ক'ব গলে অসমৰ জাতীয় জীৱনত আটাইটকৈ দুৰ্যোগপূৰ্ণ বৰ্ষ হ'ল ২০২০ চনতো আমি প্ৰৱেশ কৰিব গৈ আছো। আমি প্ৰাৰ্থনা কৰিম এই বছৰটো দুৰ্যোগৰ পৰিৱৰ্তে আটাইতকৈ সোভাগ্য বছৰ হওঁক। ভগৱান আৰু ১ কোটি ৩০ লাখ জনসাধাৰণৰ আশীৰ্বাদত আমি ভাল ৰাস্তা বিচাৰি পাম। আমি ক'ব নোৱাৰো অহাকালিও ভেকচিন তৈয়াৰ হ'ব পাৰে। মানুহ শ্ৰেষ্ঠ জীৱ হিচাপে, ৰকিবুল হুছেইন ডাঙৰীয়াই কোৱাৰ দৰে আমি নিজকে নিজে শ্ৰেষ্ঠ বুলি ভাবিছো । আমি আশা কৰো আতি শীঘ্ৰে ভেকচিন আৰু ঔষধ তৈয়াৰ হওঁক । social distance আৰু হাত ধুইও এই বেমাৰক পৰাজয় কৰিব পাৰি।। যি সকলে ভাবিছে মোৰ গাত কভিড নহয়, তোমাৰ গাত নহয়, তোমাৰ মা-দেউতাৰ গাতহে হ'ব । তোমাৰ গাত হলে তুমি ৰক্ষা পাবা। এটা জেনেৰেশ্যন নাইকীয়া হৈ যাব । So you will be treated as a murder. এই দুৰ্যোগৰ সময়ত যি সকলে বেছি কথা কয় তেওঁলোকক মই অনুৰোধ কৰিম আইনতকৈ অন্তৰাত্মা ডাঙৰ। আপোনালোকে শুনক। কথা খিনি আপোনালোকক পৰামৰ্শৰ বাবে আমাৰ WhatsApp থাকি যাব । আপোনালোকে যেনেকৈ পাৰে সমাধান কৰক । আপোনালোকে যিখিনি কাম কৰিব নোৱাৰে সেই কাম খিনি মোলৈ পঠাই দিয়ক। এটা কথা কওঁ যে কোভিড-১৯ আহিব বুলি মইও নাজানো । এনেকুৱা ঘটনা হ'ব বুলি মই কল্পনা কৰিব পৰা নাই । আমি যেনেকৈ প্ৰস্তুত হ'ব লাগিছিল সিমান প্ৰস্তুত নাই । তৰোৱাল নহোৱাকৈ যুদ্ধত নামিব লাগিব । গতিকে আপোনালোকে মোৰ অৱস্থাটো বুজি পাব লাগিব । কি ধৰণে যুদ্ধত নামিম আৰু যিকোনো ধৰণে সফল হম বুলি আশা কৰিছো । ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক** ঃ- মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া ধন্যবাদ জনাইছো তেখেতে আমাক বহু খিনি আশাও দিলে আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগে বুলি আমাক জনালে । অসমৰ সকলো

ৰাইজৰ বাবে, ভাৰতবৰ্ষৰ বাবে আমাৰ দলৰ  ফালৰ পৰাই সহায় আগবঢ়াম। প্ৰধানমন্ত্ৰী ডাঙৰীয়াক এটা বিশেষ পুঁজি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ নেতৃত্বত গঠন হৈছিল । আমাৰ অসমত এনেকুৱা পুঁজি আছে যদি আমি আদৰণি জনাম । আমাৰ বিধায়িনি দলৰ পৰা আপোনাৰ যোগেদি ১ মাহৰ দৰমহা বিশেষ কাৰ্য্যৰ বাবে আগবঢ়াৰ বাবে আমি ঘোষণা কৰিছো  যেনে ধৰণৰ দৰকাৰ হয় । শাৰিৰীক ভাবে যদি কিবা দৰকাৰ হয় আমি সেই সহায় আগবঢ়াবৰ বাবে প্ৰস্তুত আছো ।

**মাননীয় অধ্যক্ষ ঃ** আমি এইটো সকলোৱে কৰিব পাৰো । সদনৰ সকলোৱে এইটো কৰা ভাল হ'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, আমাৰ অগপ দলৰ ফালৰ পৰা এক মাহৰ দৰমহা স্বাস্থ্য মন্ত্ৰীলৈ আগবঢ়ালো ।

**শ্ৰী হাফিজ ৰছিল আহমেদ, বিধায়কঃ**- অধ্যক্ষ মহোদয়, বৰ্তমান এই সাম্প্ৰতিক পৰিস্থিতি আমাৰ বিত্ত তথা স্বাস্থ্য মন্ত্ৰীলৈ  আমাৰ ফালৰ পৰা সকলো  দিশতে আমাৰ সহায় থাকবি। তেওঁ যেতিয়াই বিচাৰে তেতিয়াই আমাৰ বিধান সভাৰ সকলো সদস্যই তেওঁক সহায়ৰ হাত আগবঢ়াব বুলি বিশ্বাস আছে । আমি বিধায়িনী দলৰ সকলো সদস্যই ১ মাহৰ দৰমহা আগবঢ়ালো ।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰীঃ**- অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অশেষ ধন্যবাদ দিছো । তেওঁৰ দক্ষতাৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবৰ বাবে চেষ্টা কৰিছে । তেখেতক এই পৰিস্থিতিৰ বাবে মোকাবিলা কৰিবৰ বাবে আমাৰ দলৰ  ফালৰ পৰা ১ মাহৰ দৰমহা আমি আগবঢ়ালো ।

**মাননীয় অধ্যক্ষ ঃ**- মন্ত্ৰী ডাঙৰীয়া আপোনাৰ দুখন বিল নিয়ম অনুযায়ী পাছ কৰিব লাগিব । বিলখন পাছ কৰোটো পাচ মিনিট সময় লাগিব । আপুনি প্ৰথমে The Assamese Language Learning Bill, 2020 সদনত প্ৰস্তাৱ কৰিবৰ বাবে অনুৰোধ জনালো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, The Assamese Language Learning Bill, 2020 সদনত দফাই দফাই বিবেচনাৰ বাবে সদনত উথাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ**- The Assamese Language Learning Bill, 2020 taken be consideration  যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে  প্ৰস্তাৱটো গৃহীত হৈছে । বিধেয়কৰ ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১ দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই। গোটেই কেইটা  দফা বিধেয়কৰ অংশ হ'ব বুলি উথাপন কৰিছো । যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে ২ নং দফাৰ পৰা ১১ নং দফা কেইটা বিধেয়ক খনৰ অংশ হ'ব । এতিয়া বিধেয়ক খনৰ ১১ নং দফাৰ সংক্ষিপ্ত নাম আৰু পৰিষৰ কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই । মই ক'ব বিচাৰিছো এই দফা কেইটা বিধেয়কৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াক পাৰিত কৰিবৰ বাবে অনুৰোধ কৰিছো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, The Assamese Language Learning Bill, 2020 পাৰিত কৰিবৰ বাবে সদনত প্ৰস্তাৱ উথাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ**- The Assamese Language Learning Bill, 2020 be passed.যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । সকলোৱে সমৰ্থনত পাৰিত কৰা হ'ল আৰু গৃহীত কৰা হ'ল । ইয়াৰ পিছৰ বিল খন আছে The Elemen-

tary and Secondary School Teachers (Regulation of posting and Transfer) Bill, 2020 মাননীয় শিক্ষামন্ত্ৰীক সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, The Elementary and Secondary School Teachers (Regulation of posting and Transfer) Bill, 2020 দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ-** মই প্ৰস্তৱটো উত্থাপন কৰিছো । The Elementary and Secondary School Teachers (Regulation of posting and Transfer) Bill, 2020 be passed. যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল আৰু বিধেয়ক খনো পাৰিত কৰা হৈছে । শেষত এখন আছে The Assam Non-Government Educational Institution (Regulation of Fees) (Amendment ) Bill, 2020 শিক্ষা মন্ত্ৰী ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, The Assam Non-Government Educational Institution (Regulation of Fees) (Amendment ) Bill, 2020 দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱটো উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ-** মই প্ৰস্তৱটো উত্থাপন কৰিলো The Assam Non-Government Educational Institution (Regulation of Fees) (Amendment ) Bill, 2020 be taken into consideration. যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত কৰা হৈছে । বিধেয়ক খনৰ ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই গতিকে ২ নং দফাটো বিধেয়কৰ অংশ হ'ব । যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সাপেক্ষে ২ নং দ ফাটো বিধেয়কৰ অংশ হৈছে । বিধেয়কৰ ১ নং দফাত সংক্ষিপ্ত নাম,পৰিসৰ কোনো সংশোধনী প্ৰস্তাৱ নাই । সেয়েহে মই প্ৰস্তাৱটো উত্থাপন কৰিছো যে গোটেই কেইটা বিধেয়কৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সাপেক্ষে বিধেয়কৰ ১নং দফা সংক্ষিপ্ত নাম, পৰিসৰ বিধেয়কৰ অংশ হ'ব । এতিয়া শিক্ষা মন্ত্ৰীক মই বিধেয়ক খন পাৰিত কৰিবলৈ অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, The Assam Non-Government Educational Institution (Regulation of Fees) (Amendment ) Bill, 2020 দফা দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱটো উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ-** Urgernt situation ৰ বাবে discrition apply কৰি বিলখন কৰিছো। এইটো president হ'ব। এইটো সদায় নালাগিব। এইটো মই কথাটো জনায় থৈছো । এতিয়া যিহেতু এনেকুৱা situation আহিছে এইটো কৰাৰ প্ৰয়োজন আৰু আমি সময়ো দিব নোৱাৰো । গতিকে শাসক বিৰোধী সকলো পক্ষকে মই শলাগ লৈছো । The Assam Non-Government Educational Institution (Regulation of Fees) (Amendment ) Bill, 2020 be passed. যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয় । মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো পাৰিত কৰা হৈছে । চতুৰ্থ বিধান সভাৰ দ্বাদশ অধিবেশনৰ ৯ দিন কাৰ্য্যক্ৰমনিকা শেষ হোৱাৰ পিছত ৰাজ্য

খনৰ বিশেষ পৰিস্থিতিৰ প্ৰতি লক্ষ ৰাখি অন্ত কৰাৰ সিদ্ধান্ত লৈছো। এই ক্ষেত্ৰত সকলোৰে সহযোগীতাৰ বাবে মই ধন্যবাদ জনাইছো । অধিবেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত মন্ত্ৰী পৰিষদ, শাসক-বিৰোধী উভয় পক্ষৰ সন্মানীয় সদস্য-সদস্যা আগবঢ়োৱা সহযোগীতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো । লগতে বিধানসভাৰ প্ৰধান সচিবকে ধৰি এই সচিবালয়ৰ প্ৰতি গৰাকী বিষয়া কৰ্মচাৰী, চৰকাৰী বিষয়া কৰ্মচাৰী আৰক্ষী বিভাগ বিষয়া কৰ্মচাৰী আৰু প্ৰচাৰ মাধ্যমৰ বন্ধু সকলক আমি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো । এতিয়া অসম বিধান সভাৰ মূৰব্বী হিচাপে মই সকলোকে ধন্যবাদ জনাইছো আজি বিধান সভাই এটা ঐতিহাসিক সিদ্ধান্ত ল'লে। সকলোৰে একত্ৰিত ভাবে এই বেমাৰৰ লগ যুজ দিয়াৰ সিদ্ধান্ত লৈছে। মই সকলো সদস্যক এই কাৰণে ধন্যবাদ দিছো । আজি মোৰ ভাল লাগিছে যে সকলো বিধায়য়িনী দলে এটা কথা কৈছে যে এই ভাইৰাচৰ বিৰুদ্ধে একত্ৰিত হৈ থাকিবৰ কাৰণে অকল মুখেৰে নহ'ব আমি অন্য কাৰ্য্যৰে সহায় কৰিব লাগিব । আমি যিটো এমাহৰ দৰমহা দিছো তাৰ বাবেও মই সকলোকে ধন্যবাদ জনাইছো । আমাৰ যি সমূহ কৰ্মচাৰী আছে সেই কৰ্মচাৰী সকলেও যদি আগবাঢ়ি আহে মই সুখী হম । মই আজি পুনৰ অধ্যক্ষ হিচাপে সদনৰ সকলো সন্মানীয় সতীৰ্থ, মাননীয় মুখ্যমন্ত্ৰী, মাননীয় মন্ত্ৰী সকল, মাননীয় বিৰোধী দলৰ দলপতি, মাননীয় উপাধ্যক্ষ আৰু সমূহ সদস্যৰ হৈ অসমৰ সমূহ জনসাধাৰণক ক'ৰোনা ভাইৰাচৰ বিৰুদ্ধে সজাগ হৈ চৰকাৰ তথা স্বাস্থ্য বিভাগে জাৰি কৰা সমূহ নীতি-নিৰ্দেশনা সম্পূৰ্ণৰূপে মানি চালবলৈ বিনম্ৰতাৰে আহ্বান জনাইছো । আমি আশা কৰো ৰাজ্য খনৰ পৰিস্থিতি সুস্থিৰ কৰাৰ স্বাৰ্থত অসমৰ জনসাধাৰণে আমাৰ এই ঐক্যবদ্ধ আহ্বানৰ প্ৰতি সম্পূৰ্ণ সহাৰি আগবঢ়াব। ৰাজ্য চৰকাৰে কৰণীয় খিনি সাহসেৰে আৰু নিষ্ঠাৰে কৰি আদৰ্শমূলক দাঙি ধৰিছে। এই মুহূৰ্তত আমি ক'ৰোণাৰ বিৰুদ্ধে প্ৰত্যক্ষ ভাবে যুজি থকা চিকিৎসক, চিকিৎসাকৰ্মী, সুৰক্ষা কৰ্মী, স্বাস্থ্য বিভাগকে ধৰি জৰুৰী ব্যৱস্থাত জড়িত থকা কৰ্মচাৰী সকলৰ প্ৰতি অসম বিধান সভাৰ হৈ আন্তৰিকতাৰে কৃতজ্ঞতা ও সলাগ লৈছো। আমি লগতে এই ক'ৰোণা ভাইৰাচত যি সকলৰ মৃত্যু হৈছে তেওঁলোকৰ আত্মাৰ সদ্গতৰি বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো তেওঁলোকৰ আত্মাৰ সদ্গতিৰ কাৰণে আৰু যি সকল যুজি আছে আমি তেখেত সকলৰ আশু আৰোগ্য কামনা কৰিছো । আহক আমি সকলোৰে ঐক্যবদ্ধ ভাবে থাকি দুৰ্যোগপুৰ্ণ এই মুহূৰ্ত আতিক্ৰম কৰিবলৈ মাৰ বান্ধি থিয় দিও আহক । মোৰ এইটোৰে আহ্বান সকলোৰে প্ৰতি । যিটো হৈ আছে আমি নাজানো এমাহৰ পিছত কেনেকুৱা পৰিস্থিতিলৈ যাম । আমি আশা কৰিছো ভগৱান, আল্লা আৰু যিশু আমাৰ প্ৰতি সদয় হ'ব। আজিৰ দিনতো আমি যথেষ্ট খিনি আলোচনা কৰিলো, আমি ভবা নাছিলো ইমান দীঘল হ'ব বুলি। মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে যে যিকোনো পৰামৰ্শৰ বাবে we can psot to you. মই ভাবো যে আমি সকলোৰে নিজৰ নিজৰ ঠাইত যোৱা ভাল হ'ব । তাত আমি মানুহৰ লগত থাকি মাৰ বান্ধি যুজ দিব লাগিব ।

**(শেষত সদন অনিৰ্দিষ্ট কাললৈ স্থগিত কৰা হ'ল )**